● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি যি কৰিম বুলি কৈছিল সেয়া সম্পূৰ্ণ কৰক। আৰু কোৱাতকৈ অধিক ভালকৈ কৰি তুলিবলৈ যত্ন কৰক।



জিমী ডিন
*আমেৰিকাৰ গায়ক*

www.dainikagradoot.in


৭ বহু একাউণ্ট ব্লক কৰিব বিচাৰিছিল কেন্দ্ৰই
১৫ আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ মৰ্গানৰ
৪ কোৱিন্দৰ পৰা দ্ৰৌপদীলৈ ৰাষ্ট্ৰপতি পদৰ গুৰুত্ব কিমান?


RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫৯তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৪ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২৯ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 29 June 2022 মূল্য ঃ ৯.০০ টকা

## আৰব সাগৰত বাগৰি পৰিল অ'এনজিচিৰ হেলিকপ্টাৰ

### মৃত চাৰিজন ঃ মুম্বাইত শোকাৰহ ঘটনা

■ নিউজ ব্যুৰ'
**মুম্বাই, ২৮ জুন ঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড (অ'এনজিচি)ৰ মুম্বাই হাই তৈলক্ষেত্ৰৰ সাগৰ কিৰণ ৰিগত অৱতৰণ কৰিবলৈ লোৱাৰ সময়তে আৰব সাগৰত এখন হেলিকপ্টাৰ পতিত হৈ ইয়াৰ চাৰিজনকৈ যাত্ৰীয়ে প্ৰাণ হেৰুৱায়। ১০ পৃষ্ঠাত চাওক

■ পূৰ্বৰ দৰেই ৰাছিয়া-ইউক্ৰেইন যুদ্ধকে দায়ী কৰিলে অৰ্থনীতিবিদে ■ ডলাৰৰ বিপৰীতে এদিনতে পুনৰ ৪৬ পইচা হ্ৰাস

## ৭৮.৮৩ হ'লগৈ ঃ ভাৰতীয় টকাৰ পতনে অধিক বিপদৰ সংকেত দিছে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৮ জুন ঃ** পুনৰ দুৰ্বল হ'ল টকা। মাৰ্কিন ডলাৰৰ তুলনাত পুনৰ অৱনমিত হ'ল ভাৰতীয় টকাৰ মূল্য। আজি বজাৰ মুকলি হোৱাৰ পাছত প্ৰতি ডলাৰৰ বিপৰীতে টকাৰ মূল্য হয় ৭৮ টকা ৫৩ পইচা আৰু শেষত ই ৭৮.৮৩ টকাত স্থিৰ হৈ ৰয়। একাংশ অৰ্থনীতিবিদৰ মতে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ ফলত



বিশ্ব বজাৰত খাৰুৱা তেলৰ মূল্য ক্ৰমাগত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা মে'ৰ পৰা ডলাৰৰ তুলনাত ধাৰাবাহিকভাৱে টকাৰ মূল্য হ্ৰাস পাবলৈ ধৰে। শেহতীয়াভাৱে পৰিস্থিতি সামান্য উন্নত হৈছিল। জুনৰ দ্বিতীয় সপ্তাহত টকাৰ মূল্য সামান্য বৃদ্ধি পায়। বিগত সপ্তাহৰ পৰা পুনৰ নিম্নমুখী হ'বলৈ ধৰে টকাৰ ১০ পৃষ্ঠাত চাওক

■ অতিমাৰীৰ ফলত হেৰুওৱা জীৱিকাৰ সন্ধানত বহুজন ■ অৰ্থনীতিয়ে গতিৰ প্ৰত্যাৱৰ্তন ঘটা বুলি দাবী কৰিলেও বাস্তৱৰ তথ্য ভিন্ন ■ দেশত ৮.৪৯ শতাংশলৈ বৃদ্ধি কৰ্মহীনৰ হাৰ

## থমকিছে নিয়োগ ক্ষেত্ৰ ঃ নিবনুৱা বৃদ্ধি

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৮ জুন ঃ** কৰ'না অতিমাৰীৰ তিনিটা ঢৌৰ আঘাতৰ পাছত দেশৰ অৰ্থনীতিৰ চকা পুনৰ ঘূৰিবলৈ আৰম্ভ হৈছে যদিও বাস্তৱত তাৰ প্ৰতিফলন কিমানদূৰ দেখা গৈছে সেয়া এক প্ৰশ্ন। পৰিসংখ্যাই অৱশ্যে কোনো আশাৰ বতৰা কঢ়িয়াই অনা নাই। অৰ্থনীতিৰ উপদেষ্টা সংস্থা চিএমআইইৰ পৰিসংখ্যা অনুসৰি যোৱা



দেওবাৰে অন্ত পৰা সপ্তাহটোত দেশত পুনৰ নিবনুৱা সমস্যাই মূৰ দাঙি ৮.৪৯ শতাংশ হৈছে। ইয়াৰ পূৰ্ববৰ্তী সপ্তাহত এই হাৰ আছিল ৮.৪১ শতাংশ। চহৰ অঞ্চলত নিবনুৱাৰ হাৰ এই সময়ছোৱাত ৬.৭১ শতাংশৰ পৰা ৭.৬ শতাংশ আৰু গ্ৰামাঞ্চলত ৭.৩৪ শতাংশৰ পৰা ৮.৮২ শতাংশ হৈছে। অৱশ্যে যোৱা ফেব্ৰুৱাৰীত অন্ত পৰা সপ্তাহটোত নিবনুৱাৰ ১০ পৃষ্ঠাত চাওক

■ প্ৰতি কুইণ্টলত চাৰিশ টকা পৰ্যন্ত বৃদ্ধি আটাইতকৈ সস্তীয়া চাউলৰ মূল্য ■ বিহাৰ-পশ্চিমবংগ-উত্তৰ প্ৰদেশৰ বৃহৎ ব্যৱসায়ীৰ কেঁকোৰা চেপা ■ নিয়ন্ত্ৰণৰ চৰকাৰৰ দাবী পুনৰ অসাৰ প্ৰমাণিত

# বানৰ মাজতে চাউলৰ অভাৱনীয় মূল্যবৃদ্ধি



*মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ পাছতে বাঢ়নী পানীয়ে খহাই নিলে ভৱানীপুৰ-পাটাছাৰকুছি গড়কাপ্তানী পথ, মঙলবাৰে।*

■ কাৰণ কি? নিমাত ৰাজ্যৰ ব্যৱসায়ী মহল ■ পৰিস্থিতি অধিক জটিল হৈ পৰাৰ আশংকা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ জুন ঃ** মাত্ৰ ডেৰমাহৰ বিৰতিত ভয়াৱহ বানপানীৰ মাজতে ৰাজ্যত অভাৱনীয়ভাৱে এসপ্তাহৰ ভিতৰত বৃদ্ধি হ'ল চাউলৰ মূল্য। বজাৰৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণহীনতাৰ পৰিণতিত প্ৰতিবিধ চাউলৰ মূল্য প্ৰতি কুইণ্টলত চাৰিশ টকা পৰ্যন্ত বৃদ্ধি হোৱাত সাধাৰণ গ্ৰাহকৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। কে'বাজনো ব্যৱসায়ীয়ে 'দৈনিক অগ্ৰদূত'ক কয় যে চাউলৰ মূল্যবৃদ্ধিৰ ঊৰ্ধ্বমুখী গতি ক'ত ৰ'বগৈ কোনেও নাজানে। গতিকে আগন্তুক দিনতো মূল্যবৃদ্ধিৰ গতি অব্যাহত থাকিব। উল্লেখ্য যে মাত্ৰ ডেৰমাহ পূৰ্বে চাউলৰ মূল্যবৃদ্ধি হৈছিল। তাৰ পাছত যোৱা সপ্তাহৰ পৰা পুনৰ দাম বৃদ্ধি হ'বলৈ আৰম্ভ কৰে। প্ৰথমতে এটা, দুটা ব্ৰেণ্ডৰ দাম বৃদ্ধি হয়। শেহতীয়াভাৱে আটাইবোৰ ব্ৰেণ্ডৰ দাম বৃদ্ধি হৈছে। বজাৰত আটাইতকৈ কম দামৰ বুলি স্বস্তিক ব্ৰেণ্ডৰ চাউলৰ পৰিচয় আছে। স্থানীয় এইবিধ চাউলৰ প্ৰতি কুইণ্টলৰ মূল্য এসপ্তাহ পূৰ্বে ২৩০০ টকা আছিল। বৰ্তমান মূল্য হ'লগৈ ২৭০০ টকা। ইয়াৰ ফলত খুচুৰা মূল্যও বৃদ্ধি হৈছে। প্ৰতি কিলোগ্ৰামত এইবিধ চাউল ২৫ অথবা ২৬ টকাত দোকানত বিক্ৰী হৈছিল; কিন্তু নতুন মূল্যৰ ফলত পৰিবহণকে ধৰি অন্যান্য ব্যয় মিলাই খুচুৰা ব্যৱসায়ীয়ে প্ৰতি কিলোগ্ৰামত ৩০-৩১ টকা পৰ্যন্তত বিক্ৰী কৰিছে। বজাৰত বিশেষ চাহিদা থকা কে আৰ টি চাউলৰ প্ৰতি কুইণ্টলৰ মূল্য ১০ পৃষ্ঠাত চাওক

## বাগ্‌সাত বান সাহায্য বিক্ৰী কৰা তিনি অভিযুক্তক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২৮ জুন ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ জালাহ ৰাজহ চক্ৰৰ অধীনস্থ তিনি নম্বৰ বাৰাপেটাত বন্যাৰ্তৰ বাবে চৰকাৰে যোগান ধৰা খাদ্য সামগ্ৰী আৰু মমবাতি একাংশ লোকে বিক্ৰী কৰাৰ অভিযোগ সত্য প্ৰমাণিত হ'ল। অৱশেষত জালাহ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰুণজ্যোতি ১০ পৃষ্ঠাত চাওক

## তিনিমাহৰ মূৰত ধৰা পৰিল যুৱকৰ হত্যাত অভিযুক্ত দম্পতী

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ জুন ঃ** যোৱা ফেব্ৰুৱাৰীত গুৱাহাটীত বস্তাত ভৰাই থোৱা অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত এয়া এক পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি তিনিমাহৰ পাছত পোহৰলৈ আহিছে। এই ১০ পৃষ্ঠাত চাওক

■ জুলাই-আগষ্ট পাৰ নোহোৱালৈ পৰিস্থিতি সংকটজনক হৈয়ে থাকিব ঃ ড° শৰ্মা ■ বৰপেটা-পাটবাউসী সত্ৰৰো বুজ ল'লে

## বজালী-বৰপেটাৰ বান পৰিস্থিতি পৰিদৰ্শন, সাহায্যৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

■ ভূটানত বৰষুণ পৰিলেই পানী নামে

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**পাঠশালা/বৰপেটা/সৰুপেটা, ২৮ জুন ঃ** 'পহুমাৰা নৈৰ পানীয়েদি খোজকাঢ়ি আহোতে যথেষ্ট ঠাণ্ডা অনুভূত হৈছে। তাৰমানে এই পানী ভূটান পাহাৰৰ পৰা বৈ অহা পানী। পহুমাৰা নদীখন প্ৰত্যক্ষভাৱে ভূটানৰ লগত জড়িত। ভূটানত বৰষুণ পৰিলে ইয়ালৈ পানীখিনি বৈ আহে। এইটোৱেই হৈছে ডাঙৰ সমস্যা। ১০ পৃষ্ঠাত চাওক



নগাঁৱত বিপদসীমাৰ ওপৰেদি বৈছে কলং

## দুদিন ধৰি খাদ্যৰ যোগান ধৰা নাই ৰহাৰ অৰ্ধলক্ষ বন্যাৰ্ত শিশুক

বিশেষ সংবাদদাতা
**নগাঁও, ২৮ জুন ঃ** নগাঁও জিলাত কলং-কপিলী নদীৰ জলস্তৰ পূৰ্বতকৈ সামান্য হ্ৰাস পাইছে যদিও জিলাখনৰ সামগ্ৰিক বান পৰিস্থিতিৰ জটিলতা দূৰ হোৱা নাই। দুৰ্যোগ প্ৰশমন বিভাগে আজি বিয়লি প্ৰকাশ কৰা তথ্য অনুসৰি, আজিৰ দিনটোতো বানত জিলাখনৰ ৩১৭ খন গাঁৱৰ ৫,১৬,৮২২ গৰাকী লোক আক্ৰান্ত ১০ পৃষ্ঠাত চাওক

■ গুৱাহাটীত পৰীক্ষা সম্পৰ্কীয় কাম সমাপন কৰি পুৱতি নিশা উভতিছিল যোৰহাটলৈ ■ সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰিল এজনৰ

## পথৰ পৰা ছিটিকি দ' খাৱৈত পৰি থিতাতে মৃত্যু ঘটিল চাৰি যুৱকৰ


### কলিয়াবৰত শোকাবহ পথ দুৰ্ঘটনা

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা
**যোৰহাট/কলিয়াবৰ, ২৮ জুন ঃ** পথৰ পৰা ছিটিকি দ' খাৱৈত পৰি কলিয়াবৰত সলিল সমাধি ঘটিল যোৰহাটৰ চাৰি যুৱকৰ। কলিয়াবৰ মহকুমাৰ বাগৰি আৰক্ষী চকীৰ অন্তৰ্গত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণে থকা কাঞ্চনজুৰিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি পুৱা প্ৰায় ৭-১৫ বজাত এই দুৰ্ঘটনা সংঘটিত হয়। চাৰিজনকৈ উদীয়মান যুৱকৰ সলিল সমাধি ঘটা মৰ্মান্তিক ঘটনাই ৰাইজক শোকস্তব্ধ কৰি তুলিছে। গুৱাহাটীৰ পৰা যোৰহাট অভিমুখী এখন বাহন দ' খাৱৈত বাগৰি পৰাৰ ফলতে চাৰি যুৱকৰ মৃত্যু হয় যদিও সৌভাগ্যক্ৰমে এজনৰ প্ৰাণৰক্ষা পৰে। ঘটনাৰ বিৱৰণী মতে, গুৱাহাটী বেলতলাৰ এখন হোটেলত দুনিশা কটোৱাৰ পাছত যোৰহাটৰ পাঁচ যুৱক গৃহমুখী হৈছিল। আজি পুৱতি নিশা প্ৰায় ৩-৩০ বজাত এএছ-০৩ এই-৮০০৩ নম্বৰৰ হোণ্ডাই অওৱা বাহনখনৰে পাঁচজনকৈ ১০ পৃষ্ঠাত চাওক



## মহানগৰীত পাঁচ হেজাৰৰ বিনিময়ত ২০ হেজাৰৰ নকল নোটৰ বেহা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ জুন ঃ** ৰাজধানী মহানগৰীত এটা বৃহৎ চক্ৰই অব্যাহত ৰাখিছে নকল পাঁচশটকীয়া নোটৰ ৰমৰমীয়া ব্যৱসায়। দিছপুৰক মূল কেন্দ্ৰ কৰি চক্ৰটোৱে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৫° |
| ডিব্ৰুগড় | ২৬° | ২৪° |
| দিল্লী | ৩৮° | ৩২° |
| কলকাতা | ৩৫° | ২৮° |
| মুম্বাই | ২৯° | ২৭° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৯° |

২৮ জুন, ২০২২

■ পুনৰ ভয়াৱহ বানৰ গ্ৰাসত বৃহৎ অঞ্চল

## মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ পাছতে ভৱানীপুৰত ভূটানৰ পানীয়ে উটুৱাই নিলে পথ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**পাঠশালা/সৰুপেটা ২৮ জুন ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ মেধিকুছি, নয়াপাৰা, চাৰালপাৰাকে ধৰি এক বৃহত্তৰ অঞ্চল আজি পুনৰ ভয়াৱহ বানত আক্ৰান্ত হৈছে। ভৱানীপুৰ বিধানসভা সমষ্টিৰ মেধিকুছি আৰু চাৰালপাৰা-নয়াপাৰাত পহুমৰা নদীৰ মথাউৰি পৃথকে পৃথকে ১২ দিন পূৰ্বে বিচ্ছিন্ন হোৱাৰ পাছত সৃষ্টি হোৱা বানৰ ভয়াৱহ তাণ্ডৱত প্ৰায় দুকুৰি পৰিয়াল গৃহহীন হয়। আজিও আশ্ৰয় শিবিৰতে আছে গৃহহীন পৰিয়ালসমূহৰ লগতে বানত ডুব গৈ থকা দুৰ্গত পৰিয়ালসমূহ। ১০ পৃষ্ঠাত চাওক

## অজন্তা নাথক এপিএছচিৰ অধ্যক্ষ পদত নিযুক্তি

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/নদুৱাৰ, ২৮ জুন ঃ** অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ নতুন অধ্যক্ষৰূপে আজি নিযুক্তি দিয়া হয় ড° অজন্তা নাথক। বিগত ২০১৮ৰ পৰা তেওঁ আয়োগৰ সদস্যা হৈ আছিল। আজি সদস্যপদৰ পৰা তেওঁক ৰাজ্যপাল জগদীশ মুখীয়ে আয়োগৰ নতুন অধ্যক্ষৰূপে ১০ পৃষ্ঠাত চাওক

## সৰ্থেবাৰীত বান সাহায্যৰ সামগ্ৰী হৰলুকি কৰা দুই মণ্ডলক নিলম্বন

### বান সাহায্য বিক্ৰী কৰা তিনিজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**শালবাৰী/সৰ্থেবাৰী, ২৮ জুন ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ জালাহ ৰাজহ চক্ৰৰ অধীনস্থ তিনি নম্বৰ বাৰাপেটাত বন্যাৰ্তৰ বাবে চৰকাৰে যোগান ধৰা খাদ্য সামগ্ৰী আৰু মমবাতি একাংশ লোকে বিক্ৰী কৰাৰ অভিযোগ সত্য প্ৰমাণিত হ'ল। অৱশেষত জালাহ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰুণজ্যোতি দাসে গোৱৰ্ধনা আৰক্ষী থানাত অভিযুক্ত ১০ পৃষ্ঠাত চাওক

■ এদিনতে পুনৰ পাঁচজনৰ মৃত্যু, সন্ধানহীন তিনিজন ■ নৈত দ্ৰুতগতিত বৃদ্ধি জলস্তৰ


## ৰাজ্যত উপৰ্যুপৰি বানৰ তাণ্ডৱ, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ন ন অঞ্চল প্লাৱিত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ জুন ঃ** বছৰৰ দ্বিতীয়টো বানৰ কালান্তক ৰূপ অব্যাহত থকাৰ সময়ত পুনৰ আজিৰ পৰা ৰাজ্যত বানৰ নতুন প্ৰভাৱ আৰম্ভ হৈছে। অসমৰ বিভিন্ন জিলাত যোৱা নিশাৰ পৰা বৰষুণ আৰম্ভ হয়। সমান্তৰালভাৱে অৰুণাচলতো প্ৰৱল বৰষুণ হৈছে। একেদৰে ভূটানতো বৰষুণ পৰিছে। ফলত ব্ৰহ্মপুত্ৰকে ধৰি অৰুণাচলৰ লগত সংলগ্ন হৈ থকা অসমৰ আটাইকেইখন জিলাৰ নৈ-উপনৈসমূহৰ জলপৃষ্ঠ দ্ৰুতগতিত বৃদ্ধি হৈছে। একেদৰে পশ্চিম অসমৰ ভূটানৰ পৰা বৈ অহা ১০ পৃষ্ঠাত চাওক

## নগাঁও চহৰত ভৰা কলঙৰ পৰা নিশা উদ্ধাৰ যুৱকক

বিশেষ সংবাদদাতা
**নগাঁও, ২৮ জুন ঃ** নগাঁও চহৰত ভৰা কলঙৰ বুকুৰ পৰা যোৱা নিশা উদ্ধাৰ কৰা হয় এজন যুৱকক। উদ্ধাৰ কৰা যুৱকজনক নগাঁও চহৰৰ হয়বৰগাঁৱৰ ৰনি ঘোষ বুলি চিনাক্ত কৰা হৈছে। অগ্নিনিৰ্বাপক বাহিনী আৰু ডুবাৰুৱে নিশা উদ্ধাৰ কৰে যুৱকজনক। নগাঁও পৰিবহণ বিষয়া কাৰ্যালয়ৰ ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**




*তেওঁ বোলে কংগ্ৰেছতে আছে, সমৰ্থনহে কেৱল বিজেপিক দিছে আৰু অগপৰ স'তে বন্ধুত্ব পাতিছে!*

■ ভাষা বিষয়ক প্ৰশ্নকাকতক লৈ জটিলতা ■ অনুমতি বিচাৰি ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল আয়োগ

## অনিশ্চয়তাত এপিএছচিৰ ফলাফল ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ জুন ঃ** অসম লোকসভা আয়োগ (এপিএছচি)ৰ ২০২০ৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ চূড়ান্ত ফলাফল সাজু হৈয়ো ঘোষণাৰ দিন নিৰ্ধাৰণ অনিশ্চয়তাত সোমাই পৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপত আজি অহা ২৭ জুলাইলৈ এপিএছচিয়ে ফলাফল ঘোষণা স্থগিত ৰাখিবলৈ বাধ্য হয়। ভাষা বিষয়ক প্ৰশ্নকাকতক লৈয়ে এই জটিলতাৰ



উদ্ভৱ হৈছে। ভাষা বিষয়ক প্ৰশ্নকাকতৰ নম্বৰ নিৰ্দিষ্ট পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰত যোগ হ'ব নে নহয় তাক লৈ এই জটিলতা বাহাল আছে। উল্লেখ্য যে উক্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব পৰাকৈ এপিএছচি সাজু হৈছে; কিন্তু ইতিপূৰ্বে জাৰি কৰি থোৱা স্থগিতাদেশৰ বাবে সকলো সাজু কৰিও এপিএছচিয়ে ফলাফল ঘোষণা কৰিব পৰা নাই। ফলাফল ঘোষণাৰ অনুমতি বিচাৰি আজি এপিএছচি ন্যায়ালয়ৰ দ্বাৰস্থ ছয় পৃষ্ঠাত চাওক

■ বন্যাৰ্তক পৰ্যাপ্ত সাহায্য প্ৰদানত ব্যৰ্থ চৰকাৰ ঃ সৰৱ চিপিআই

## দুৰ্যোগ সাহায্য-বানাক্ৰান্তক পৰ্যাপ্ত সাহায্য-ক্ষতিপূৰণৰ দাবীত প্ৰতিবাদ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৮ জুন ঃ** চলিত বাৰিষাৰ দ্বিতীয়টো বানত ৰাজ্যৰ ৩৪খন জিলাতে সৃষ্টি হোৱা অভাৱনীয় পৰিস্থিত তথা প্ৰায় ৭৫ লাখ লোক ককবকাই থকাৰ সময়ত এইসকল বন্যাৰ্তক পৰ্যাপ্ত সাহায্য প্ৰদানত ৰাজ্য চৰকাৰ চূড়ান্ত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰিছে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসম ৰাজ্যিক পৰিষদে। আজি গুৱাহাটী ক্লাবত দলে এক প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ জুন, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## মানকাচৰত খহনীয়াৰ তাণ্ডৱ ঃ নিমিষতে খহি পৰিল দুটাকৈ পকী গৃহ

**মানকাচৰ, ২৮ জুন ঃ** মানকাচৰৰ শিয়ালটাৰী গাঁৱৰ নিচেই কাষত থকা দৰনী নদীৰ সুঁতি এটাৰ পাৰত থকা ঘৰ-বাৰীসমূহ কিছুদিন ধৰি খহনীয়াৰ ভাবুকি সৃষ্টি কৰিছিল। কিন্তু আজি পুৱা ৮-৩০ বজাত শিয়ালটাৰী গাঁৱৰ মুস্তাক আলী নামৰ ব্যক্তি এজনৰ দুটাকৈ পকী গৃহ খহনীয়াত পতিত হয়। চকুৰ পলকতে পানীত খহি পৰে দুটাকৈ পকী গৃহ। বাসগৃহ দুটাত থকা কোনো এটা সা-সামগ্ৰী উলিয়াব নোৱাৰিলে গৰাকী মুস্তাক আলীয়ে। ঘৰৰ ভিতৰত থকা মূল্যবান বয়-বস্তু খহনীয়াত জাহ যায়। বিগত ছয় পৃষ্ঠাত চাওক

## দলগাঁৱত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘাত ঃ পিতৃক হত্যা

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৮ জুন ঃ** দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত গৰাঘাটত আজি সংঘটিত হৈছে এক জঘন্য ঘটনা। ভূমি বিবাদক কেন্দ্ৰ কৰি কুলাংগাৰ পুত্ৰই নিজৰ পিতৃক নিৰ্মমভাৱে হত্যা কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে গৰাখাট গাঁৱৰ আব্দুল খালেকৰ লগত পুত্ৰ তাহেৰ আলীৰ দীৰ্ঘদিনৰ পৰা ছয় পৃষ্ঠাত চাওক

■ একাধিক নৈ-উপ নৈৰ বাঢ়নী পানীত জলমগ্ন গহপুৰ মহকুমাৰ বিস্তীৰ্ণ অঞ্চল ■ এন ডি আৰ এফ বাহিনীৰ উদ্ধাৰ অভিযান ■ বালিজানত ঘাইপথেৰে বাগৰিছে পানী ঃ যাতায়াত ব্যাহত

# পুনৰ ছত্ৰং নদীৰ বাঢ়নী পানীৰ কালৰূপ



অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৮ জুন ঃ** গহপুৰ নগৰবাসীৰ বাবে চকুলোত পৰিণত হোৱা পাহাৰীয়া খৰস্ৰোতা ছত্ৰং নদীৰ বাঢ়নী পানীয়ে আজি পুনৰ কালৰূপ ধাৰণ কৰি নগৰখনৰ বিস্তীৰ্ণ অঞ্চলত জল প্ৰলয়ৰ সৃষ্টি কৰে। যোৱা নিশা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ফেনে- ফোটোকাৰে বাঢ়ি অহা ছত্ৰং নদীৰ তীব্ৰ গতি সম্পন্ন স্ৰোতধাৰাই আজি পুৱা ছয় বজাত নগৰখনৰ আঠ আৰু পাঁচ নম্বৰ ৱাৰ্ডত জল প্ৰলয়ৰ সৃষ্টি কৰে। উল্লেখ্য যে নগৰখনৰ আঠ নম্বৰ ৱাৰ্ডৰ ছত্ৰং মাজগাঁও অঞ্চলৰ ৰেল পথৰ সমীপৰ মথাউৰিৰ ভগ্ন অংশৰে হোৱাহোৱে সোমাই অহা তীব্ৰ গতি সম্পন্ন স্ৰোতধাৰাই চকুৰ পচাৰতে বুৰাই পেলাই আঠ আৰু পাঁচ নম্বৰ ৱাৰ্ডৰ বিস্তীৰ্ণ অঞ্চল। ফলস্বৰূপে জলবন্দী হৈ পৰা ৱাৰ্ড দুটাৰ শ শ পৰিয়ালৰ মাজত হাহাকাৰ সৃষ্টি হয়। ক্ৰমশঃ ভয়ংকৰ ৰূপ ধাৰণ কৰা বাঢ়নী পানীত ছয়দুৱাৰ মহাবিদ্যালয় একঁকাল পানীত ডুব যোৱাত মহাবিদ্যালয়খনৰ সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হয়। পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰাত এনডিআৰএফ বাহিনীৰ জোৱানে জলবন্দী হৈ পৰা পৰিয়ালসমূহক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনে। ইপিনে, নগৰখনৰ সাত নম্বৰ ৱাৰ্ডৰ মধ্য ছত্ৰং অঞ্চলটো মথাউৰিৰ ভগ্ন অংশৰে সোমাই অহা বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰি তোলে। একেদৰে কুকুৰজান নদীৰ বাঢ়নী পানীয়ে মথাউৰি ভাঙি নগৰখনৰ তিনি আৰু চাৰি নম্বৰ ৱাৰ্ড প্লাৱিত কৰি তোলে। গহপুৰৰ মহকুমা প্ৰশাসনে নগৰখনৰ বানাক্ৰান্ত পৰিয়ালৰ বাবে কনকলতা ভৱনত অস্থায়ী আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰিছে। আনহাতে, গহপুৰ মহকুমাৰ হেলেম ৰাজহ ছয় পৃষ্ঠাত চাওক



## খাৰুপেটীয়াত ৪৪ লক্ষাধিক টকাৰ নিচা জাতীয় দ্ৰব্য দাহন

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৮ জুন ঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ অন্তৰ্গত নেপালী বজাৰৰ সমীপৰ টাংনি নৈৰ পাৰত বহু পৰিমাণৰ নিচাজাতীয় দ্ৰব্য দাহন কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জিলা আৰক্ষীয়ে স্থানীয় আৰক্ষীৰ সহযোগত আজি দাহন কৰে বুজন পৰিমাণৰ গাঞ্জা, বাউন ছুগাৰ, হেৰ'ইন। বিভিন্ন সময়ত দৰং জিলাৰ বিভিন্ন থানাসমূহত আৰক্ষীৰ অভিযানত জব্দ কৰা হৈছিল ড্ৰাগছখিনি। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, ৩০৭ কিলো গাঞ্জা, ব্ৰাউন ছুগাৰ ১৩৬ গ্ৰাম, হেৰ'ইন ৫০ গ্ৰাম নিচাজাতীয় সামগ্ৰী দাহন কৰে। দাহন কৰা ড্ৰাগছসমূহৰ মূল্য প্ৰায় ৪৪ লাখ টকা হ'ব।

## লংকাত বন্যহস্তীৰ খাদ্য বিচাৰি প্ৰাথমিক বিদ্যালয়ৰ ক্ষতিসাধন



অগ্ৰদূত বাৰ্তা

**লংকা, ২৮ জুন ঃ** লামডিং বনাঞ্চলৰ সমীপৱৰ্তী গোসাঁই গাঁও বনগাঁৱৰ একমাত্ৰ চৰকাৰী শিক্ষানুষ্ঠান গোসাঁইগাঁও শ্ৰীশ্ৰী শংকৰদেৱ প্ৰাথমিক বিদ্যালয়খন যোৱা নিশা বন্যহস্তীয়ে আক্ৰমণ কৰি বিস্তৰ ক্ষতিসাধন কৰে। প্ৰাপ্ত তথ্য মতে, নিশা প্ৰায় এক বজাত বনৰীয়া হাতীৰ জাকে বিদ্যালয়খনত মজুত কৰি ৰখা মধ্যাহ্ন ভোজনৰ চাউল বিচাৰি দুয়োটা ভৱনৰ কোঠাৰ লোহাৰ খিৰিকী আৰু পকী দেৱাল ভাঙি পেলায়। তাৎপৰ্যপূৰ্ণ কথা যে এইবাৰকে ধৰি বৰ্তমানলৈ এই বিদ্যালয়খন তিনিবাৰলৈ বনৰীয়া হাতীৰ জাকে আক্ৰমণ কৰি ক্ষতিসাধন কৰে। অঞ্চলটোৰ বিদ্যায়তনিক দিশত উল্লেখনীয় অৱদান আগবঢ়োৱা আৰু বিগত দুয়োটা গুণোৎসৱত এ প্লাছ লাভ কৰা বিদ্যালয়খন আগন্তুক গুণোৎসৱৰ বাবে সজাই-পৰাই তোলা হৈছিল যদিও এতিয়া শিক্ষক আৰু স্থানীয় ৰাইজে গভীৰ আক্ষেপ প্ৰকাশ কৰিছে। সময় থাকোতেই চৰকাৰে সংৰক্ষণৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে বন্যহস্তীৰ ক'ৰিডৰত অৱস্থিত বিদ্যালয়খনৰ অস্তিত্ব বিপদাপন্ন বুলি স্থানীয় লোকে মত পোষণ কৰিছে। উল্লেখ্য যে এসময়ৰ জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ হোজাই জিলাৰ লামডিং সংৰক্ষিত বনাঞ্চলখন দিনক দিনে সংকুচিত হৈ বৰ্তমান অস্তিত্ব সংকটৰ গৰাহত পৰিছে। পশ্চিম কাৰ্বি আংলং জিলাত হোৱা নেৰানেপেৰা বৰষুণ আৰু বানপানীৰ বাবে বৰ্তমান সময়ত লামডিং ছয় পৃষ্ঠাত চাওক

## নাছাৰ ৩০ বিজ্ঞানীয়েই হৈছে ভাৰতীয় বিশ্ববিদ্যালয়ৰ সৃষ্টি

■ শিল্পী ড° লক্ষহীৰা দাসক ডি লিট প্ৰদান ■ বিজ্ঞানী ড° জগদীশ মহন্তক ডিএছচি প্ৰদান ■ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০ সংখ্যক দীক্ষান্ত সমাৰোহ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৮ জুন ঃ** নাহৰৰ দেশ তথা দেশৰ উচ্চ শিক্ষা খণ্ডলৈ অপৰিসীম অৱদান আগবঢ়াই অহা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিংশতি সংখ্যক দীক্ষান্ত সমাৰোহ আজি সম্পন্ন হয়। সমাৰোহত সভাপতিত্ব কৰে অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য প্ৰাধ্যাপক জগদীশ মুখীয়ে। সভাপতিৰ ভাষণত আচাৰ্যই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গুণগত শৈক্ষিক মানৰ প্ৰশংসা কৰে আৰু জ্ঞানৰ সহায়ত সমাজক সেৱা আগবঢ়াবলৈ ছাত্ৰ সমাজৰ প্ৰতি আহ্বান জনায়। ভাষণ প্ৰসংগত আচাৰ্য মুখীয়ে কয়, 'আমাৰ বিশ্ববিদ্যালয়সমূহ হৈছে জ্ঞানৰ কেন্দ্ৰ আৰু অদ্বিতীয় শৈক্ষিক কেন্দ্ৰ হিচাপে আত্ম প্ৰকাশ কৰিব পৰাকৈ সেইবোৰৰ সম্ভাৱনা আছে। এইটো এটা সত্য কথা যে ইয়াকে লৈ আমি গৌৰৱ অনুভৱ কৰো। বিশ্ববিদ্যালয়সমূহ কেৱল জ্ঞানৰ কেন্দ্ৰই নহয়, প্ৰগতিৰো কেন্দ্ৰ হোৱা উচিত।' এই দীক্ষান্ত সমাৰোহত মুখ্য অতিথিৰূপে উপস্থিত থাকে যোৰহাটস্থিত বৈজ্ঞানিক আৰু ঔদ্যোগিক অনুসন্ধান পৰিষদ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক তথা বিশিষ্ট বিজ্ঞানী ড° জি নৰহৰি শাস্ত্ৰী। মুখ্য অতিথিৰ দীক্ষান্ত ভাষণত বিজ্ঞানীজনে ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক শুভকামনা জনাই আৰু ব্যক্তিগত জীৱন, সমাজ ছয় পৃষ্ঠাত চাওক

## কঠিয়াতলিৰ আশ্ৰয় শিবিৰত চেক বিতৰণ কৃষিমন্ত্ৰী অতুল বৰাৰ



বিশেষ সংবাদদাতা

**নগাঁও, ২৮ জুন ঃ** প্ৰলংয়কৰী বানে বিধ্বস্ত কৰা কঠিয়াতলি অঞ্চলত বৰ্তমানে আশ্ৰয় শিবিৰত থকা বানাক্ৰান্ত ৰাইজৰ মাজত আজি চেক বিতৰণ কৰে অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰাই। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ২১ জুনত কঠিয়াতলি বান বিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰাৰ সময়ত শিবিৰত থকা অসহায় লোকসকলক শীঘ্ৰে প্ৰয়োজনীয় কাম-কাজৰ বাবে ৩,৮০০ টকা সাহায্য দিয়াৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰি আজি কৃষিমন্ত্ৰী বৰাই কঠিয়াতলি উচ্চতৰ মাধ্যমিক বিদ্যালয় আশ্ৰয় শিবিৰত থকা বানাক্ৰান্ত ৰাইজৰ মাজত এই ধনৰাশিৰ ৭০ খন চেক বিতৰণ কৰে। চেক বিতৰণ অনুষ্ঠানত মন্ত্ৰীজনে এই সংকট কালত বানাক্ৰান্ত ৰাইজ যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ প্ৰতি অসম চৰকাৰে দৃষ্টি ৰাখিব বুলি মন্তব্য কৰে। মন্ত্ৰীজনক সংগ দিয়ে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে।

## বানে ছিঙিলে বৰছলা আমগুৰিৰ একমাত্ৰ পথ

■ উপায়ান্তৰ ৰাইজে নিৰ্মাণ কৰিলে বাঁহৰ সেতু



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৮ জুন ঃ** শোণিতপুৰৰ বৰছলা বিধানসভা সমষ্টিৰ বহু অঞ্চলত এইবাৰ বেলশিৰি নৈৰ বানে ক্ষতিসাধন কৰে। এনে এক অঞ্চল হৈছে ঠেলামৰা ৰাজহ চক্ৰৰ অন্তৰ্গত তথা পশ্চিম বৰগাঁও গাঁও পঞ্চায়তৰ অধীনস্থ আমগুৰি গাঁও। এই অঞ্চলটোতে ৮৫টা পৰিয়ালৰ বানৰ ফলত বিলাই-বিপত্তিৰ সীমা নোহোৱাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হয়। উল্লেখ্য যে বানৰ কবলত পৰি যোৱা ২৬ জুন পৰ্যন্ত এইসকল লোক বহিৰ্বিশ্বৰ স'তে যোগাযোগ বিচ্ছিন্ন হৈ ছয় পৃষ্ঠাত চাওক

## বিএলটিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বীৰ ছিলাগাং বসুমতাৰীৰ মৃত্যু দিৱস উদ্‌যাপন

■ বংশীগাঁৱত নৱনিৰ্মিত প্ৰতিমূৰ্তি উন্মোচন প্ৰমোদ বড়োৰ



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৮ জুন ঃ** অধুনালুপ্ত বিএলটিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত বীৰ ছিলাগাং বসুমতাৰীৰ ২৫সংখ্যক মৃত্যু দিৱস আজি দিৱস উদযাপন কৰা হয়। বীৰ চিলাগাং ছহিদ ন্যাস উন্নয়ন সমিতিৰ উদ্যোগত কোকৰাঝাৰ জিলাৰ বংশীগাঁৱত উদযাপন কৰা হয় এই মৃত্যু দিৱস। কাৰ্যসূচী অনুসৰি, বীৰ ছিলাগাঙৰ সমাধিস্থলত পুষ্পাঞ্জলি অৰ্পণ কৰে ছিলাগাঙৰ পত্নী ৰমণী বসুমতাৰীয়ে। বীৰ ছিলাগাঙৰ মৃত্যু দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে পুষ্পাঞ্জলি অৰ্পণেৰে বীৰ ছিলাগাঙক স্মৰণ কৰে। কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী, বিটিআৰৰ কাৰ্যবাহী সদস্য ৰেওৱেৰা নাৰ্জিহাৰী, অমূল্য সূত্ৰধৰ, বনৰগাঁও টিচিএলচিচিৰ অধ্যক্ষ ৰবিৰাম ব্ৰহ্মকে ধৰি কাৰ্যসূচীত উপস্থিত থকা কে'বাজনো বিশিষ্ট লোকে বীৰ ছিলাগাঙৰ সমাধিস্থলত পুষ্পাঞ্জলি অৰ্পণ কৰে। ছয় পৃষ্ঠাত চাওক

## চিৰাঙৰ ৰূণীখাতাত ভূৰ নৈৰ খহনীয়াত শংকিত ৰাইজ

**চৰকাৰক আবেদন কৰি বিফল ঃ ৰাইজৰ শ্ৰমদানেৰে খহনীয়া প্ৰতিৰোধৰ চেষ্টা**



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৭ জুন ঃ** চৰকাৰৰ সঁহাৰি নাপাই ৰাইজ ওলাল ভূৰ নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে। স্থানীয় লোকে সদৰী কৰা মতে, চৰকাৰক বহুবাৰ আবেদন কৰাৰ পাছতো চৰকাৰ বা জনপ্ৰতিনিধিৰ সঁহাৰি নেপোৱাত চিৰাং জিলাৰ ভূটান সীমান্তৰ ৰূণীখাতাত ভূৰ নৈৰ খহনীয়াৰ পৰা নিজ গাঁও তথা খেতি পথাৰক ৰক্ষা কৰিবলৈ কালি ৰাইজ মাৰ বান্ধি ওলাই আহি নিজাববীয়াকৈ খহনীয়া প্ৰতিৰোধ কৰাৰ ছয় পৃষ্ঠাত চাওক

## খেৰণিত হাতী-মানুহৰ সংঘাত ঃ আহত তিনি ছাত্ৰ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৮ জুন ঃ** হাতী-মানুহৰ সংঘাতৰ পাছত এইবাৰ মুখামুখিভাৱে সংঘাত হ'ল হাতী-ছাত্ৰৰ মাজত। যাৰ ফলত গুৰুতৰভাৱে আহত তিনি ছাত্ৰ সম্প্ৰতি সংকটজনক অৱস্থাত খেৰণি অসামৰিক ম'ডেল হাস্পতালত চিকিৎসাধীন হৈ আছে। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গতস্থিত বৰ-মাটিখোলাত বনৰীয়া হাতীৰ আক্ৰমণত সপ্তম শ্ৰেণীৰ তিনি ছাত্ৰ গুৰুতৰভাৱে আহত হয়। ইয়াৰে গুৰুত্বৰভাৱে আহত ছাত্ৰজন বৰিম ফাংছ (১৩)। উল্লেখ্য যে নিতৌ আহ-যাহ কৰি থকাৰ দৰে কালি সন্ধিয়া খেৰণিস্থিত মন মেম'ৰিয়েল ইংলিছ স্কুলৰ ছাত্ৰ বৰিমে সতীৰ্থ আব্ৰাহাম টেৰাং আৰু ৰাজীৱচন টেৰাঙৰ স'তে চাইকেলেৰে পৰীক্ষাৰ অন্তত ঘৰলৈ গৈ আছিল। সেই সময়তে বনৰীয়া হাতীটোৰ স'তে মুখামুখি হৈ পৰাত দিক্‌বিদিক হেৰুৱাই হাতীৰ সন্মুখতে তিনিও চাইকেলৰ স'তে পৰি যায়। লাংডিং গাঁৱৰ পৰা ঘৰৰ অভিমুখে গৈ থকা অৱস্থাত সন্ধিয়া প্ৰায় ৭-১০ বজাত বৰ-মাটিখোলা আৰু আৰনাম টে প্লং গাঁও সংযোগী পথত সংঘটিত হয় ছয় পৃষ্ঠাত চাওক

## চতিয়াৰ গঁড়পালত কিশোৰৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২৮ জুন ঃ** চতিয়া থানাৰ অন্তৰ্গত ওপৰ গড়পালত ব্ৰহ্মপুত্ৰৰ এটা সুঁতিত গা ধুবলৈ যোৱা এজন কিশোৰৰ আজি বিয়লি সলিল সমাধি ঘটে। প্ৰাপ্ত তথ্য মতে কিশোৰজনে বিশ্বনাথ পাণপুৰ মথাউৰিৰ দাঁতিৰ ব্ৰহ্মপুত্ৰৰ এটা সুঁতিত লগৰীয়াৰ স'তে গা ধুই থকা অৱস্থাতে বাঢ়নী পানীয়ে উটুৱাই নিয়ে। সলিল সমাধি ঘটা কিশোৰজন গঁড়পালৰ গৌৰৱ ছেত্ৰী (১২) বুলি ওপৰ গঁড়পালৰ নিজ চতিয়া এম ই স্কুলৰ ষষ্ঠ শ্ৰেণীত অধ্যয়ন কৰিছিল ছাত্ৰজনে। সলিল সমাধি ঘটাৰ কিছু সময়ৰ পাছতে স্থানীয় ৰাইজে উদ্ধাৰ অভিযান চলাই কিশোৰজনৰ মৃতদেহ উদ্ধাৰ কৰে। চতিয়া আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ ঘটনাটোৰ তদন্ত কৰাৰ লগতে কিশোৰজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নিজৰ জিম্মাত লয়।

## নগাঁৱত কস্তুৰৱা গান্ধী বালিকা বিদ্যালয়ৰ নামত অনিয়মৰ অভিযোগ

■ শিক্ষামন্ত্ৰীৰ তদন্তৰ নিৰ্দেশনাৰ পাছতো তদন্তৰ নামত ভেঁকোভাওনা

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ জুন ঃ** নগাঁও জিলা শিক্ষা বিভাগৰ দুজনমান বিষয়াৰ কেতবোৰ কৰ্ম-কাণ্ডই বিভাগটোৰ ভিতৰ চ'ৰাতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশেষকৈ চৰকাৰী নীতি-নিৰ্দেশনা উলংঘা কৰি জিলাখনৰ শিক্ষা বিভাগৰ দায়িত্বত থকা এজন বৰমূৰীয়া বিষয়াই চলাই অহা একনায়কত্ববাদৰ ফলত শিক্ষা বিভাগটো মূৰৰ পৰা ভৰিলৈকে গেলিছে বুলি অভিযোগ উঠিছে। শিক্ষা বিভাগৰ দায়িত্বত থকা এইগৰাকী সৰ্বশিক্ষা অভিযান মিছনৰ জিলা সমন্বয়ক তথা অতিৰিক্ত উপায়ুক্ত প্ৰশান্ত বৰুৱাই আনকি বিদ্যালয় পৰিচালনা সমিতিয়ে খৰচ কৰিব লগা ধনৰ ওপৰতো শেন চকু দিয়া কাৰ্যই শৈক্ষিক মহলত তীব্ৰ ছয় পৃষ্ঠাত চাওক

## বঢ়মপুৰৰ ঘোগৰগাঁৱত পানীত পৰি যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২৮ জুন ঃ** নগাঁও জিলাৰ ইটাচালি আৰক্ষী চকৰী অন্তৰ্গত বঢ়মপুৰৰ ঘোগৰগাঁৱত আজি পুৱা এজন যুৱকৰ পানীত পৰি মৃত্যু হয়। পুৱা বঢ়মপুৰ এক নম্বৰ ঘোগৰগাঁও নিৱাসী পবিত্ৰ বৰা (৩২) নামৰ যুৱকজনে স্থানীয় ঘোগৰ জলাহত মাছ মাৰিবলৈ গৈ পানীত পৰি যায়। পাছত স্থানীয় একাংশ লোকে প্ৰত্যক্ষ কৰি যুৱকজনক উদ্ধাৰ কৰি সংকটজনক অৱস্থাত নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পাছত মৰণোত্তৰ পৰীক্ষা কৰি লোকজনৰ মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়া হয়। মৃত্যুৰ সময়ত লোকজনে পত্নীসহ পৰিয়ালৰ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। বৰাৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## আত্মপৰিচয় হেৰুৱালে উত্তৰ আমনিগাঁৱে

■ নিঠৰুৱা পাঁচটা পৰিয়ালৰ ভেটি হ'ল প্ৰকাণ্ড পুখুৰী



অগ্ৰদূত বাৰ্তা

**চামতা, ২৮ জুন ঃ** নলবাৰী জিলাৰ বৃহত্তৰ পশ্চিম নলবাৰী অঞ্চল ৰাজ্যৰ দ্বিতীয়টো বানত সৰ্বস্বান্ত হৈ আত্মপৰিচয় হেৰুৱাই বিধ্বস্ত হৈ পৰিছে। পশ্চিম নলবাৰীৰ বুঢ়াদিয়া নদী, মৰাপাগলদিয়া নদী আৰু কানাই খন্দা নদীৰ সংহাৰী আগ্ৰাসনৰ ফলতে সাহপুৰ, নদলা, বৰবৰা, পূৰ্ণি, আমনি, বৰপীত, উত্তৰ আমনি গাঁওকেইখনক তিনিওটা নদীয়ে সংহাৰ কৰি পেলাইছে। তিনিওখন নদীৰ মথাউৰিৰ তথৈবচ অৱস্থাৰ বাবেই নদীৰ বাঢ়নী পানীয়ে অঞ্চলটোত বানপানীৰ মূল কাৰণত পৰিণত হৈছে। প্ৰকৃতাৰ্থত তিনিওটা নদীৰ মথাউৰি নিৰ্মাণৰ নামত চৰম গাফিলতিৰ অভিযোগ উঠিছিল। অভিযোগ-প্ৰতিযোগৰ মাজতে তিনিওটা নদীৰ সংহাৰী বানৰ মুখামুখি হ'বলগা হৈ আহিছে। উল্লেখ্য যে পশ্চিম নলবাৰীৰ প্ৰথমটো বানতে অঞ্চলটোৰ কৃষিকৰ্মৰ স'তে জড়িতসকলে বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। সম্প্ৰতি ৰাজ্যখনৰ দ্বিতীয়টো বানত পশ্চিম নলবাৰীৰ উত্তৰ আমনিৰ ৰবীন বৰ্মন, মন্টু বৰ্মন, অতুল বৰ্মন, ভৰেন বৰ্মন, ৰমেন বৰ্মন, ভৈৰৱ বৰ্মন, অনন্ত বৰ্মন, পৰীক্ষিত বৰ্মনৰ ভেটিৰ মাটিও উটুৱাই নিয়াত তেওঁলোকৰ ভেটি বুলিবলৈ একো একোটা প্ৰকাণ্ড পুখুৰীত পৰিণত হৈছে। পথ হৈ পৰিছে নদী, বিদ্যুৎ সেৱাৰ কোনো চিন-মোকাম নাই। চাবলৈ গ'লে উক্ত পৰিয়ালকেইটাই নিজৰ মাটিত ঘৰ সাজিবলৈ হ'লে ছয় পৃষ্ঠাত চাওক

## হাজোৰ বৰ্ণিত পথ দুৰ্ঘটনাত নিহত এজন

অগ্ৰদূত বাৰ্তা

**হাজো, ২৮ জুন ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰ্ণি কিছমত কুৰিহাত যোৱা নিশা সংঘটিত হয় এক ভয়াবহ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত বিহাৰৰ মুজাফৰপুৰৰ ৰাকেশ শৰ্মা (৩৭) নামৰ এজন মটৰ চাইকেল আৰোহীৰ মৃত্যু হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, শৰ্মাই নিশা প্ৰায় ন বজাত ছয় পৃষ্ঠাত চাওক

## মাক্ৰা নৈৰ বুকুত আবদ্ধ পকলেণ্ড ঃ উটি গ'ল এজন



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ জুন ঃ** বিগত দুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা নামি অহা বাঢ়নী পানীয়ে চিৰাং জিলাৰ মাজেদি বৈ যোৱা আই, নাঙলভাঙা, চম্পাৱতী, মাক্ৰা আদি নৈৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ১৪ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২৯ জুন ২০২২

# এতিয়াই সতৰ্ক হওক

আজিৰ একাংশ যুৱক-যুৱতীয়ে শিক্ষক আৰু সমাজৰ জ্যেষ্ঠসকলক যথোচিত সন্মান প্ৰদৰ্শন কৰাটো মৰ্যাদা হানিৰ কথা বুলি ধাৰণা কৰে। ভৰি ছুই সেৱা কৰা, হাত যোৰেৰে প্ৰণাম জনোৱা ইত্যাদি যেনিবা ইতৰ লোকৰ কাম। পৃথিৱীৰ সকলো সমাজতে জ্যেষ্ঠ আৰু গুণীজনক সন্মান প্ৰদৰ্শনৰ উদ্দেশ্যে ভিন ভিন ব্যৱস্থা আছে। প্ৰতিখন সমাজতে শিক্ষক, গুৰুজনা আৰু গুণীসকলক যথোচিত সন্মান প্ৰদৰ্শনৰ উদ্দেশ্যে ভিন ভিন ব্যৱস্থা আছে। যিখন সমাজত শিক্ষক, গুৰুজনা আৰু গুণীসকলক যথোচিত সন্মান প্ৰদৰ্শন কৰা হয় সেইখনকেই সংস্কৃতিবান সমাজ কোৱা হয়। অসভ্য সমাজ আৰু সভ্য সমাজৰ মাজৰ ৰেখাডাল সংস্কৃতিয়ে নিৰূপণ কৰে। সংস্কৃতি শব্দটো সঘনাই মুখেৰে আওৱালেই আমি সংস্কৃতিবান সমাজৰ অংশীদাৰ নহওঁ। আচাৰ-ব্যৱহাৰ, কথা-বতৰা, পিন্ধন-উৰণতহে সংস্কৃতি প্ৰকাশ পায়। এইবোৰতেই আমাৰ সংস্কৃতি চানেকি নহয়নে? অসমৰ ইতিহাস, ধৰ্মশাস্ত্ৰ ইত্যাদি অধ্যয়ন কৰাসকলক তাচ্ছিল্যৰ সুৰত কোৱা হয় — ই বৰ ভকতটো ওলাইছে; কিন্তু ভকত শব্দটোৰ তাৎপৰ্য কিমান মহৎ সেই সম্পৰ্কে এবাৰো ভাবি চাবলৈ বিচৰা হোৱা নাই। কোনো এটা ধৰ্মৰ স'তে জড়িত হৈ থকাকে একোটা সাংস্কৃতিক পৰম্পৰা। বিজ্ঞানসন্মতভাৱে সেই সংস্কৃতিৰ আধাৰ অনুশীলন কৰিব পাৰিলে সমাজ লাভৱান হয়। সাম্প্ৰতিক কালত তেনে নীতি-নিয়মৰ অৱশ্যে কেতবোৰ বিষয়ক লৈ আমি প্ৰায়ে গৌৰৱবোধ কৰোঁ। চুৱিয়াখন পিন্ধিব নজনাটো গৌৰৱৰ কথা! অসমীয়া ভাষাত শুদ্ধ বাক্য লিখিব নজনাটোও বহুতৰ বাবে গৌৰৱৰ কথা! পৰম্পৰাগতভাৱে চলি অহা সামাজিক ৰীতি-নীতিৰ ফালে পিঠি দিয়া কাৰ্যও বহুতৰ বাবে গৌৰৱবোধৰ কাৰণ হোৱা দেখা গৈছে। এইবোৰেই আমাৰ জাতীয় চৰিত্ৰৰ বৈশিষ্ট্য বহন নকৰিছেনে?

আমাৰ যে পিতৃ-মাতৃৰ প্ৰতিয়েই শ্ৰদ্ধা নাই তেনে নহয়, অসমীয়া সমাজখনৰ বাবে যিসকলে অহোপুৰুষাৰ্থ কৰি গ'ল, সেইসকলকো আজি যিমান সোনকালে পাৰি স্মৃতিপটৰ পৰা মচি পেলাবলৈ চেষ্টা কৰা হৈছে। পদ্মনাথ গোহাঞি বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে অসমীয়া সাহিত্যৰ কাণ্ডাৰীসকলকো আমি পাহৰি পেলালো। সূৰ্য কুমাৰ ভূঞা, বাণীকান্ত কাকতি প্ৰভৃতি পাহৰণিৰ অতল গহ্বৰত। সংসাৰৰ পৰা বিদায় লোৱাৰ পাছতেই অতুল চন্দ্ৰ হাজৰিকাকো অসমে পাহৰিলে। সেইদৰে অসমবাসীয়ে গোপীনাথ বৰদলৈক প্ৰতিও যথোচিত সন্মান জনাবলৈ বিচৰা নাই। সততে 'জয় আই অসম' ধ্বনি দিয়া অসমৰ ছাত্ৰ আৰু যুৱ সংগঠনসমূহে বৰদলৈৰ আদৰ্শ অনুসৰণ কৰিবলৈ কোনো ধৰণৰ ব্যৱস্থা ল'লেনে? বিস্ময়ৰ কথা যে সৰ্বভাৰতীয় খ্যাতিসম্পন্ন অসমীয়া লোককো পৰিয়ালৰ চাৰিবেৰৰ মাজতহে স্মৃতিচাৰণ কৰিবলৈ লোৱা দেখা যায়। তৰুণৰাম ফুকনৰ স্মৃতিদিৱস অনুষ্ঠিত হৈ আহিছে তেওঁৰ পৰিয়ালৰ বাসভৱনত। চলিত বছৰৰ পৰা অৱশ্যে দেশভক্তৰ স্মৃতিদিৱস কৰ্মচাৰী দিৱসৰূপে উদযাপনৰ দিহা কৰা হৈছে চৰকাৰীভাৱে। নলিনীবালা দেৱীৰ প্ৰতিমূৰ্তিটো পৰিয়ালৰ লোকে নিৰ্মাণ কৰি দিয়াৰ ফলত আজিও গুৱাহাটীৰ এটুকুৰা ৰাজহুৱা ঠাইত থিয় হৈ আছে। নিজ পৰিয়ালৰ বাহিৰত এই মহান ব্যক্তিসকলক স্মৰণ কৰিবলৈ আমি অসমীয়া লোক নাই, অসমৰ মানুহক বাহিৰত নাজানে বুলি আমি আক্ষেপ কৰো; কিন্তু আন নালাগে আমি নিজেই দেখোন সেইসকলক পাহৰিবলৈ চেষ্টা কৰিছো।

জাতীয় চৰিত্ৰৰ অভাৱৰ হেতুকে অসমত আজি আৱস্থ হৈছে গৰাখহনীয়া। অসমীয়া হিচাপে পৰিচয় দিয়াৰ সলনি বিভিন্ন সম্প্ৰদায়ৰ লোকে নিজকে অন্য আন ধৰণেৰে চিনাকি দিছে। এনে হ'বলৈ হ'লে পৰিস্থিতি আৰু অধিক জটিল হৈ পৰাটো নিশ্চিত। গতিকে সময় উকলি যোৱাৰ আগতে সমাজৰ শুভবুদ্ধিসম্পন্নসকলে আৰু সততে অসমপ্ৰেমী বুলি দাবী কৰা সংগঠনসমূহ এই ক্ষেত্ৰত সক্ৰিয় হোৱা বাঞ্ছনীয়।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**সামগ্ৰিকভাৱে** ক'বলৈ হ'লে এই বেলিও বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছে। সুদীৰ্ঘ দুবছৰ ক'ভিড অতিমাৰীৰ বাবে বিহু মঞ্চ নিটাল নিস্তব্ধ হৈ থকাৰ পাছত আয়োজন কৰা বিহু মঞ্চৰ কাৰ্যক্ৰমত অলপ আতিশয্য হোৱাটো স্বাভাৱিক। ঠাই বিশেষে একাংশ ৰাইজৰ শৃংখলাহীন মানসিকতাৰ বাবে কিছু উদ্ভণ্ডালিৰ সৃষ্টি হৈছে। কিছুমান উদণ্ড যুৱকে সুৰাৰ ৰাগিত মতলীয়া হৈ মঞ্চৰ গীতৰ তালে তালে বোকাত লুতুৰি পুতুৰি হৈ অবাঞ্চিত নৃত্য কৰি দৃষ্টিকটু আচৰণ প্ৰদৰ্শন কৰিছে। সাধাৰণতে যিকোনো অনুষ্ঠানতে এনেকুৱা দৃশ্য আজি-কালি দেখিবলৈ পোৱা যায়। জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গেও বোকা নৃত্য ছালৰ বাবে ভাল বুলি মন্তব্য কৰি এনে কাৰ্যৰ গভীৰতা লাঘৱ কৰিছে। দুই এটা অবাঞ্ছিত ঘটনাৰ বাবে বিহু মঞ্চৰ ঐতিহ্য ম্লান হৈছে বুলি কোৱাটো সংৰক্ষণশীল মনৰ পৰিচায়ক। আচলতে এয়া মনৰ খেল। ইংৰাজ কবি জন মিল্টনে কৈছিল—'মনেই সকলো; ই স্বৰ্গকো নৰক আৰু নৰককো স্বৰ্গলৈ ৰূপান্তৰিত কৰিব পাৰে।'

**দিলীপ কুমাৰ শৰ্মা,** *লেখক*

'বিহুৰ ঐতিহ্য' আৰু 'বিহু মঞ্চৰ ঐতিহ্য' আপাতত একে যেন ভাব হ'লেও দুয়োটাৰ মাজত সুস্পষ্ট সাংস্কৃতিক ভিন্নতা পৰিলক্ষিত হয়। বিহুৰ ঐতিহ্য বুলিলে বিহু উদ্‌যাপন কৰাৰ ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, পিন্ধন-উৰণ, প্ৰচলিত বিধি-বিধান, নাচ-গান, বিহুবানৰ আদান-প্ৰদান ইত্যাদিৰ কথা মনলৈ আহে। যেনে বিহুত ডাঙৰে সৰুক মৰম যাচে, সৰুৱে ডাঙৰক সেৱা যাচে, নতুন কাপোৰ পিন্ধে, লাৰু পিঠা দৈ-চিৰা খায় আৰু বিহুনৃত্য, হুঁচৰি আদি উপভোগ কৰে। গৰু বিহু, মানুহ বিহু, বৰ বিহু আদি বিবিধ সাংস্কৃতিক কাৰ্যক্ৰম পালন কৰে। আনফালে বিহুমঞ্চ হৈছে জাকজমকতাৰে সম্পাদন কৰা মনোৰঞ্জনৰ মাধ্যম। গাঁৱৰ বিহুক চহৰলৈ আনি মঞ্চত স্থান দিছে আৰু নানা প্ৰকাৰৰ আমোদ প্ৰমোদ, প্ৰতিযোগিতা, গান বাজনাৰ সৃষ্টি কৰি দৰ্শকক আকৰ্ষিত কৰে আনন্দিত কৰে। ইয়াৰ ঐতিহ্যৰ সঠিক মাপ-কাঠি এতিয়াও নিৰ্ধাৰিত কৰা হোৱাহি নাই। সময়ৰ লগে লগে বিহু মঞ্চৰো পৰিৱৰ্তন ঘটি আছে। আধুনিক বাদ্যযন্ত্ৰ, গীত, বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানে স্থান পালে বিহু মঞ্চত। গায়কে একে ঠাইতে থাকি গান গোৱাৰ সলনি নাচি নাচি গীত গাবলৈ ল'লে; দৰ্শকৰ পৰাও সঁহাৰি বিচৰা হ'ল আৰু সকলোৱে মিলি নাচ-গানৰ আনন্দোৎসৱ পালন কৰিব ধৰিলে। বিহু মঞ্চৰ এই পৰিৱৰ্তন স্বাভাৱিক। কিন্তু কিছুমান সংৰক্ষণশীল মানুহে এই সময়োচিত পৰিবৰ্তনক আঁকোৱালি ল'ব নোৱাৰি বিহুৰ ঐতিহ্য ম্লান হোৱা বুলি সমালোচনা কৰিব ল'লে। বিহুৰ ঐতিহ্য আৰু বিহু মঞ্চৰ ঐতিহ্যৰ মাজত পাৰ্থক্য পাহৰি গ'ল। বিহু মঞ্চৰ যথেষ্ট গুৰুত্ব আছে। আমাৰ জীৱন-যাপন পদ্ধতিৰ ই এক অপৰিহাৰ্য অংগ হিচাপে পৰিগণিত হৈছে। আমি সকলোৱে বিহুৰ লগতে বিহু মঞ্চ আগমনলৈ অধীৰ অপেক্ষাৰে বাট চাই ৰওঁ। বিহু মঞ্চত বিহু উদ্‌যাপন কৰাটো কেৱল ঐতিহ্য ৰক্ষা কৰাই নহয়, ই সাংস্কৃতিক চেতনাবোধো বাৰুকৈয়ে জগাই তোলে। বছৰে বছৰে বিহু মঞ্চত বিহু উদ্‌যাপন কৰা হেতুকে আমাৰ নতুন প্ৰজন্ময়ো ইয়াক বিহুৰ পৰম্পৰা হিচাপে আঁকোৱালি লৈছে।

চহা কৃষকসকলে কৃষি কৰ্মৰ লগত সংগতি ৰাখি প্ৰকৃতিৰ মুক্ত পৰিৱেশত গছৰ তলত নৃত্যগীত কৰি যি বিহু পালন কৰিছিল সেয়া আজি-কালি দুষ্প্ৰাপ্য। অসমত বসবাস কৰা সকলো জাতি-জনজাতি, উপ-জাতিৰ লোকে ধৰ্ম নিৰ্বিশেষে ঘৰত বিহুৰ ৰীতি-নীতি পালন কৰে আৰু সামূহিক মনোৰঞ্জনৰ বাবে বিহু মঞ্চলৈ দৌৰ মাৰে। এয়াই আমাৰ সংস্কৃতি। সময়ৰ পৰিৱৰ্তনৰ লগতে বিহু আৰু বিহু মঞ্চলৈ অহা পৰিৱৰ্তন আমি মানি ল'ব লাগিব। সেয়াই আমাৰ কল্যাণ।

*ফোন ঃ ৯৮৫৯৯৪৪৪৮৫*

## ৰাষ্ট্ৰপতি নিৰ্বাচনৰ খেল

# কোৱিন্দৰ পৰা দ্ৰৌপদীলৈ ৰাষ্ট্ৰপতি পদৰ গুৰুত্ব কিমান?

যোৱা ২০১৭ত ৰাষ্ট্ৰপতি পদৰ বাবে শাসক বিজেপিয়ে দলিত সম্প্ৰদায়ৰ ৰাজনীতিক ৰামনাথ কোৱিন্দক মনোনয়ন দি চমকৰ সৃষ্টি কৰিছিল। এগৰাকী অনুসূচিত জাতিৰ লোকক দেশৰ সৰ্বোচ্চ পদত অধিষ্ঠিত কৰাই বিজেপিয়ে এই সম্প্ৰদায়ৰ লোকৰ মাজত দলৰ খোপনি বঢ়াবলৈ বিচাৰিছিল। সাধাৰণতে বিজেপিক উচ্চ বৰ্ণৰ লোকৰ ৰাজনৈতিক দল বুলি কোৱা হয় আৰু দেশৰ দলিতসকলৰ মাজত বিজেপিৰ ভাৱমূৰ্তি উজ্জ্বল নাছিল। ৰামনাথ কোৱিন্দ ৰাষ্ট্ৰপতি হ'ল, তেওঁৰ কাৰ্যকালৰ অন্ত পৰো পৰো। পিছে তেওঁৰ কাৰ্যকালত এগৰাকী ৰাষ্ট্ৰপতিয়ে সমাজৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিব পৰা নাই। ভূতপূৰ্ব ৰাষ্ট্ৰপতি এ পি জে কালামে যেনেদৰে তেওঁৰ উপস্থিতি সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল সেইটো কোৱিন্দৰ ক্ষেত্ৰত হোৱা নাই।


যোৱা ২০১৭ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বিজেপিয়ে যুগুতোৱা প্ৰাৰ্থীৰ তালিকাত ঝাড়খণ্ডৰ ভূতপূৰ্ব ৰাজ্যপাল আৰু উড়িষ্যাৰ ভূতপূৰ্ব মন্ত্ৰী আদিবাসী সম্প্ৰদায়ৰ দ্ৰৌপদী মুৰ্মুৰ নামো আছিল; কিন্তু সেইবাৰ তেওঁ মনোনয়ন নাপালেও এইবাৰ ৰাষ্ট্ৰপতি পদৰ বাবে শাসক বিজেপি দল তথা এনডিএই ঘোষণা কৰিছে দ্ৰৌপদী মুৰ্মুৰ নাম। তেওঁ মনোনয়নো মহাপয়োভৰেৰে দাখিল কৰিছে। দ্ৰৌপদী মুৰ্মুৰ বিপৰীতে বিৰোধী দলৰ বাবে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ভূতপূৰ্ব কেন্দ্ৰীয় মন্ত্ৰী তথা একালৰ বিজেপিৰ নেতা তথা কংগ্ৰেছ আৰু বাওঁপন্থীসকলৰ কঢ়া সমালোচক যশৱন্ত সিন্‌হা। ভোটৰ অংক হিচাপত বিৰোধীসকলে সন্মিলিতভাৱে যশৱন্ত সিন্‌হাৰ পক্ষে ভোট দিবলৈ সিদ্ধান্ত লোৱাহেঁতেন হয়তো ৰাষ্ট্ৰপতি পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচন প্ৰতিদ্বন্দ্বিতামূলক হ'লহেঁতেন। পিছে বিজেপিৰ দ্বাৰা চাওতাল আদিবাসী মহিলা এগৰাকীক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে থিয় কৰোৱাৰ ফলত বহুজন সমাজ পাৰ্টিকে ধৰি ভালেমান বিৰোধী দলে সম্ভৱতঃ এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীগৰাকীকেই ভোট দিব। সি যি কি নহওক, শেষ অংকত দ্ৰৌপদী মুৰ্মুই ভাৰতবৰ্ষৰ পৰৱৰ্তী প্ৰথম মহিলা নহ'লেও প্ৰথম আদিবাসী ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা অধিক।

ৰাষ্ট্ৰপতি হিচাপে প্ৰক্ষেপ কৰাৰ বাবে দ্ৰৌপদী মুৰ্মুৰ আদিবাসী নেত্ৰীৰ পৰিচয়ৰ বাবে আন কি কি অভিজ্ঞতা তথা যোগ্যতা আছে, সেয়া বিচাৰ্য। দ্ৰৌপদী মুৰ্মুৱে ৰাজনীতিত যোগদান কৰিছে ১৯৯৭ত। তেতিয়া তেওঁ ৰায়ৰাংপুৰ নিগমৰ উপ-পৌৰপতি নিৰ্বাচিত হৈছিল বিজেপিৰ টিকটত। ইয়াৰ আগেয়ে তেওঁ উৰিষ্যাৰ জলসিঞ্চন বিভাগৰ কনিষ্ঠ সহায়ক হিচাপে চাকৰি কৰিছিল। ১৯৮৩ৰ পাছত সেই চাকৰি এৰি ৰায়ৰাংপুৰৰ শ্ৰীঅৰবিন্দ স্কুলত শিক্ষক হিচাপেও কাম কৰিছিল। যোৱা



২০০০ত তেওঁ প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হৈছিল আৰু উৰিষ্যাৰ বিজু জনতা দল-বিজেপি যৌথ চৰকাৰৰ মন্ত্ৰীও হৈছিল। যোৱা ২০১৫ত তেওঁক ঝাৰখণ্ডৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিছিল। বিজেপিৰ ৰঘুবৰ দাসৰ নেতৃত্বাধীন তেতিয়াৰ ঝাড়খণ্ড চৰকাৰে ছোটনাগপুৰ টেডেন্সি এক্ট ১৯০৮ আৰু চান্থাল পৰগানা টেডেন্সি এক্ট ১৯৪৯ আইন দুখন সংশোধন কৰি আদিবাসী অঞ্চলৰ কৃষিভূমি বাণিজ্যিক ভূমিলৈ ৰূপান্তৰিত কৰাৰ ব্যৱস্থা কৰিছিল। উল্লেখ্য যে এই আইনৰ সংশোধনে আদিবাসীসকলৰ ভূমিৰ অধিকাৰ নোহোৱা কৰিলেহেঁতেন। একেই দলৰ চৰকাৰ হোৱা সত্ত্বেও ৰাজ্যপাল হিচাপে দ্ৰৌপদী মুৰ্মুৱে আদিবাসীসকলৰ স্বাৰ্থৰ কথা ভাবি এই দুয়োখন আইন বিধানসভাই গৃহীত কৰাৰ পাছতো চহী নকৰি ওভতাই পঠিয়াইছিল। তেওঁৰ এই সাহসৰ বাবেই বিৰোধীসকলৰ মাজতো দ্ৰৌপদী মুৰ্মু আছিল প্ৰিয়। হয়তোবা এতিয়াও বৰ্তমানৰ ঝাড়খণ্ডৰ মুখ্যমন্ত্ৰী তথা তেতিয়াৰ বিৰোধী নেতা হেমন্ত চোৰেনৰ স'তে তেওঁৰ সুসম্পৰ্ক আছে।

আনহাতে, বিৰোধী দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী যশৱন্ত সিন্‌হা আছিল এগৰাকী সৰ্বভাৰতীয় প্ৰশাসনিক বিষয়া। বিহাৰৰ কপ্‌ৰী ঠাকুৰ চৰকাৰৰ দিনত তেওঁ প্ৰধান সচিব আছিল। ১৯৭৪তেই তেওঁ জয়প্ৰকাশ নাৰায়ণৰ সাৰ্বিক আন্দোলনত জড়িত হৈছিল যদিও তেওঁ চাকৰি এৰা নাছিল। ১৯৭৭ৰ পাছত তেওঁ ৰাজনীতিত প্ৰৱেশ কৰিছিল। ১৯৯০ত চন্দ্ৰশেখৰ চৰকাৰৰ দিনত তেওঁ কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী আছিল। ১৯৯৩ত



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

যশৱন্ত সিন্‌হাই বিজেপিত যোগদান কৰিছিল। অটল বিহাৰী বাজপেয়ীৰ দিনতো তেওঁ কেন্দ্ৰীয় বিত্তমন্ত্ৰী আছিল। সি যি কি নহওক, বিজেপিৰ নেতা লালকৃষ্ণ আদৱানীৰ স'তে জিন্নাৰ ওপৰত লিখা প্ৰৱন্ধক লৈ মনোমালিন্যৰ সৃষ্টি হৈছিল। পাছলৈ সিন্‌হা বিজেপিৰ এগৰাকী সমালোচক হৈ পৰিছিল।

এতিয়া শিক্ষা-দীক্ষা-ৰাজনৈতিক অভিজ্ঞতা চাবলৈ গ'লে যশৱন্ত সিন্‌হাৰ দ্ৰৌপদী মুৰ্মুতকৈ অধিক। আকৌ মহিলা তথা আদিবাসী প্ৰাৰ্থী হিচাপে দ্ৰৌপদী মুৰ্মুৰ কেতবোৰ সুবিধা আছে। আমি বিচাৰো দেশৰ পিছপৰা শ্ৰেণীৰ লোক ৰাজনৈতিক মঞ্চলৈ অহাটো। আমি বিচাৰো আমাৰ প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি আৰু আন আন মন্ত্ৰী-নেতাসকল সমাজৰ পিছপৰা অনুন্নত শ্ৰেণীৰ পৰাই হওক; কিন্তু এটি কুলি চৰায়ে বসন্ত কাল মাতি আনিব নোৱাৰে। শ্ব'-কেচত সজাই-পৰাই থোৱাৰ বাবে আমাক নেতা নালাগে। আমাৰ দেশত এতিয়ালৈকে তিনিগৰাকী মুছলমান ৰাষ্ট্ৰপতি হ'ল। কে'বাগৰাকী মুছলমান উপ-ৰাষ্ট্ৰপতি হ'ল— মন্ত্ৰীৰতো লেখ নাই। পিছে আমাৰ দেশৰ মুছলমানসকলৰ ৯০ শতাংশ এতিয়াও আৰ্থ-সামাজিকভাৱে উপান্ত হৈয়েই আছে। কেন্দ্ৰতো বিজেপিয়ে দেখুৱাবলৈকে দুগৰাকীকৈ মুছলমান মন্ত্ৰী ৰাখিছিল, যদিওবা বৰ্তমান বিজেপিৰ এগৰাকী সাংসদো লোকসভাত নোহোৱা হ'বলৈ লৈছে।

ৰাষ্ট্ৰপতি পদটো আমাৰ দেশৰ এক আলংকাৰিক পদ। ৰাষ্ট্ৰপতিৰ ক্ষমতাক সেয়েহে সদায়েই ৰাবাৰ ষ্টাম্প বুলি কোৱা হয়; কিন্তু চাবলৈ গ'লে ৰাষ্ট্ৰপতি পদটো দেশখনৰ তথা চৰকাৰৰ সৰ্বোচ্চ পদ। এই পদটোক শ্ব'-কেচ পদ নকৰি সক্ৰিয় পদত পৰিণত কৰা উচিত। সমাজক দেখুৱাবলৈ আমি নানা জাতি-উপজাতি, ধৰ্মাৱলম্বী লোকক এই ৰাষ্ট্ৰপতিৰ শ্ব'-কেচত সোমাই দিও। প্ৰধানমন্ত্ৰীৰ পদটোৰ ক্ষেত্ৰত কিন্তু এই ভেল্কীবাজী দেখুওৱা নহয়। গতিকে আমাৰ দেশত কোন ৰাষ্ট্ৰপতি নিৰ্বাচিত হয় সেয়া বিশেষ গুৰুত্বপূৰ্ণ নহয়। আনকি বিৰোধী দলৰ প্ৰাৰ্থীও যদিহে ৰাষ্ট্ৰপতি নিৰ্বাচিত হয় তেনেহ'লে তেওঁ চৰকাৰক অকণো হেৰফেৰ কৰিব নোৱাৰে। আমি দেখিছো কংগ্ৰেছৰ প্ৰণব মুখাৰ্জী ৰাষ্ট্ৰপতি হৈ থাকোতে তেওঁ কেনেদৰে নৰেন্দ্ৰ মোদী চৰকাৰৰ স'তে সহযোগিতা কৰি আহিছিল। বহুতেই ক'ব খোজে প্ৰণব মুখাৰ্জীয়ে বিজেপিৰ নেতৃত্বাধীন এনডিএ চৰকাৰৰ স'তে আপোচ কৰিছিল। গতিকে সাম্প্ৰতিক আমাৰ দেশৰ ৰাজনীতিত ৰাজনৈতিক দল তথা আদৰ্শ এক লংঘনীয় প্ৰতীকত পৰিণত হৈছে। মানুহ একেখিনিয়েই, আজি কংগ্ৰেছত কাইলৈ বিজেপিত। বৃহৎ ব্যৱসায়ীসকলো একেটা শ্ৰেণীৰেই— কংগ্ৰেছ শাসনত থাকিলে কংগ্ৰেছক আৰু আন কোনোবা দল শাসনত থাকিলে তেনে দলক অধিক দান-বৰঙণি আদায় দিয়ে। ক'বলৈ গ'লে বৰ্তমানৰ ভাৰতীয় গণতন্ত্ৰ এমুঠি চতুৰ ৰাজনৈতিক নেতা আৰু বৃহৎ ব্যৱসায়ীৰ কুচক্ৰই পাল পাতি পাতি পৰিচালনা কৰিবলৈ লৈছে।

সি যি কি নহওক, দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি হ'লেই যে ভাৰতবৰ্ষৰ প্ৰায় ১০ শতাংশ আদিবাসী লোকৰ আৰ্থ-সামাজিক উন্নয়ন হ'ব, তেনে নহয়। যেনেদৰে তিনিগৰাকীকৈ মুছলমান সম্প্ৰদায়ৰ লোক ৰাষ্ট্ৰপতি হোৱাৰ পাছতো আমাৰ দেশৰ মুছলমানসকলৰ ৯০ শতাংশ এতিয়াও আৰ্থ-সামাজিকভাৱে পিছপৰি আছে। দেশ পৰিচালনা তথা প্ৰশাসন ব্যৱস্থাত সকলো শ্ৰেণীৰেই প্ৰতিনিধিত্বৰ প্ৰয়োজন নোহোৱা নহয়; কিন্তু নিৰ্দিষ্ট আদৰ্শ আৰু কাৰ্যসূচী নাথাকিলে কোনো শ্ৰেণীৰ প্ৰতিনিধিত্বই সেই শ্ৰেণীটোৰ বিকাশ সাধন কৰিব নোৱাৰে। আনহাতে, প্ৰশাসন তথা চৰকাৰ পৰিচালনাত শ্ৰেণীৰ প্ৰতিনিধিত্বৰ সমান্তৰালভাৱে দক্ষতাও থাকিব লাগিব।

বৰ্তমান আমাৰ দেশত যি সাম্প্ৰদায়িক আৰু বিভাজনৰ শাসকীয় ৰাজনীতি চলি আছে সেই বিভাজনমুখী আদৰ্শৰ পৰিৱৰ্তন অবিহনে দেশৰ কোনো জাতি-সম্প্ৰদায় অথবা শ্ৰেণীৰ সাৰ্বিক উন্নয়ন সম্ভৱ নহয়। বিকাশ সবকা সাথৰ ধ্বনি এক অবাস্তৱ ধ্বনি। বৰ্তমানৰ শাসকবৰ্গই হিন্দুত্ববাদীসকলক আগ ঠাই দিছে— বাকীসকল পিছপৰি গৈছে। যিসকলে চৰকাৰক প্ৰশ্ন কৰে, সেই মুক্ত কণ্ঠৰ লোকসকলক এৰি থৈ গৈছে। যিসকল যুক্তিবাদী তেওঁলোকক এৰি থৈ গৈছে। মহিলাৰ উন্নয়ন, বেটী পঢ়াও বেটি বাচাও ধ্বনি দিছে— অথচ দেশৰ সৰ্বত্ৰ নাৰী নিৰ্যাতন, ধৰ্ষণ চলি আছে, বিশেষকৈ দলিত আৰু মুছলমান মহিলাসকল এনে অসামাজিকতাৰ চিকাৰ হৈ আছে। দেশৰ সাধাৰণ ৰাইজক মূল্যবৃদ্ধিৰ মাজত এৰি দি আদানি-আম্বানি তথা কৰ্প'ৰেট গোষ্ঠীক চৰকাৰে কৰ-কাটল ৰেহাই অনুদান আদি দি আহিছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত দ্ৰৌপদী মুৰ্মুৰ ৰাষ্ট্ৰপতি ভৱন প্ৰৱেশে ভাৰতবৰ্ষৰ ৰাজনীতিত সকলো তাৰতম্যৰ সৃষ্টি নকৰে। সংবাদ মাধ্যমত খলকনিৰ সৃষ্টি হয়তো কৰিব পাৰে বা কৰিছে— তাতোকৈ আন একো নহয়।

**দেশ পৰিচালনা তথা প্ৰশাসন ব্যৱস্থাত সকলো শ্ৰেণীৰেই প্ৰতিনিধিত্বৰ প্ৰয়োজন নোহোৱা নহয়; কিন্তু নিৰ্দিষ্ট আদৰ্শ আৰু কাৰ্যসূচী নাথাকিলে কোনো শ্ৰেণীৰ প্ৰতিনিধিত্বই সেই শ্ৰেণীটোৰ বিকাশ সাধন কৰিব নোৱাৰে। আনহাতে, প্ৰশাসন তথা চৰকাৰ পৰিচালনাত শ্ৰেণীৰ প্ৰতিনিধিত্বৰ সমান্তৰালভাৱে দক্ষতাও থাকিব লাগিব**

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# এয়া অসম চৰকাৰৰ বাবে অগ্নিপৰীক্ষা

**প্ৰকৃতিৰ** স্বাভাৱিক ধৰ্ম হৈছে সৃষ্টি আৰু ধ্বংস কৰা? ধ্বংসৰ পৰা নৱ-নিৰ্মাণ হয়। পৰিৱৰ্তন সকলো ক্ষেত্ৰত আছেই; প্ৰকৃতিৰ স্বাভাৱিক গতিক বাধা দিলে ধ্বংস তীব্ৰ আৰু ভয়াৱহ হয়। আজিৰ পৃথিৱীত বিজ্ঞানে প্ৰকৃতিৰ কাৰ্যক বাধা দিবলৈ যিমানেই চেষ্টা কৰিছে, ধ্বংসৰ পৰিমাণ সিমানেই বৃদ্ধি হৈছে। প্ৰকৃতিৰ উত্থান-পতন ৰোধ কৰাৰ ক্ষমতা মানুহৰ নাই।

অসমত বানপানী হৈছিল, হৈ আছে আৰু হৈয়েই থাকিব। আগতে হোৱা বানপানী ইমান ক্ষতিকাৰক নাছিল, বৰঞ্চ উপকাৰীহে আছিল। আগতে কামৰূপত বানপানীক 'ধল' বুলি কোৱা হৈছিল। ধলে পথাৰত পলস পেলাই সাৰুৱা কৰিছিল; কাৰণ আগৰ দিনত বানপানী হঠাতে নাহিছিল, লাহে-ধীৰে আহিছিল। নেপালীয়া জনজাতিসকলে চাংঘৰ সাজি বাস কৰা প্ৰথা এতিয়াও আছে। অসমত বানপানী হৈয়েই থাকিব। কোনো বিজ্ঞানীয়ে ইয়াক ৰোধ কৰিব নোৱাৰে।

বৰ্তমান গুৱাহাটীৰ যি দুৰ্গতি হৈছে এইবোৰ মানুহে নিজে সৃষ্টি কৰা দুৰ্গতি। ৫০শৰ দশকৰ পৰা আমি দেখিছো গুৱাহাটীৰ মানুহৰ ইমান দুৰ্দশা নহৈছিল। বৰষুণ হ'লে স্বাভাৱিকভাৱে পানী ওলাই গৈ লুইতত পৰিছিল। গুৱাহাটীৰ পাহাৰবোৰ গছ-গছনি, বন-জংঘলেৰে আৱৰা আছিল, ভূমিস্খলন নহৈছিল, জনসংখ্যা, ঘৰ-দুৱাৰ কম আছিল। ৭০-৮০ৰ দশকৰ পৰা সমগ্ৰ অসমৰ পৰা মানুহ আহি জধে-মধে, য'তে-ত'তে ঘৰ বান্ধিবলৈ আৰম্ভ কৰিলে। গুৱাহাটী মহানগৰ পৰিকল্পিত নহয়, সেয়ে গুৱাহাটীক কোনেও দুৰ্যোগমুক্ত কৰিব নোৱাৰে। স্মাৰ্টচিটিৰ নামত কোটি কোটি টকা খৰচ হ'ব; কিন্তু প্ৰকৃতাৰ্থত গুৱাহাটী স্মাৰ্টচিটি হোৱাৰ সম্ভাৱনা



কম।

এই বছৰৰ বৰষুণ আৰু বান অভূতপূৰ্ব। একেৰাহে দুমাহত দুটা ভয়ংকৰ জলপ্লাৱন। প্ৰথমটোত ডিমা হাছাওকে ধৰি কেইখনমান জিলাতহে হৈছিল; কিন্তু দ্বিতীয়টো সমগ্ৰ অসমকে জলমগ্ন কৰি পেলালে। অসমৰ আন্তঃগাঁথনি তচনচ কৰি দিলে। পথাৰৰ পকাধান সমূলি নষ্ট হ'ল, শাক-পাচলি, ফলমূলৰ খেতি পথাৰতে পচি গ'ল। শতাধিক লোকৰ মৃত্যু হ'ল। পথাৰত মানুহে কঠীয়া সিঁচিছিল, সকলো গ'ল। হেজাৰ হেজাৰ কোটি টকাৰ সম্পদ ধ্বংস হৈ গ'ল। মথাউৰি, ৰাস্তা-ঘাট, দলং, কালভাৰ্ট বানে উটুৱাই লৈ গ'ল। এইবোৰ পূৰ্বৰ অৱস্থালৈ অনাটো অসম চৰকাৰৰ বাবে অগ্নিপৰীক্ষাৰ দৰে নহ'বনে?

অসমৰ মানুহৰ এক স্বাভাৱিক আত্মসন্তুষ্টি আছে— 'সকলো আছিল, সকলো আছে নুবুজো নলওঁ গম।' কি আছে, কি নাই এইবোৰৰ হিচাপ আমাৰ হাতত নাই; কিন্তু আমি দেখি আহিছো যে সকলো প্ৰকাৰৰ অত্যাৱশ্যকীয় সামগ্ৰী অসমৰ বাহিৰৰ পৰা আনিবলগীয়া হয়। অসমৰ প্ৰধান খাদ্য ভাত-দাইল, মাছ-পুঠি, আলু-পিঁয়াজ, ফলমূল সকলো দেখো বাহিৰৰ পৰাই আহে। কথাত আমি আত্মনিৰ্ভৰশীল; কিন্তু বাস্তৱত নহয়। অসমীয়া মানুহ, বিশেষকৈ নতুন প্ৰজন্ম একেবাৰে পৰিশ্ৰম বিমুখ হৈছে। পূৰ্ববংগীয় মূলৰ পৰিশ্ৰমী লোকসকল নহ'লে অসমৰ মানুহে শাক-পাচলি নাপাব, ঘৰ-বাৰী নিৰ্মাণ কৰা অসম্ভৱ হ'ব। কাঠমিস্ত্ৰি, পকা মিস্ত্ৰি আদি কাম পূৰ্ববংগমূলীয় লোকৰ হাততেই আছে।

বানপানী শুকাই যোৱাৰ পাছত ধ্বংস হোৱা আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ হেজাৰ হেজাৰ বনুৱাৰ প্ৰয়োজন হ'ব? কিমান থলুৱা অসমীয়া যুৱক-যুৱতীয়ে এইবোৰ কাম কৰিব? সেই সকলোবোৰ ধন পূৰ্ববংগমূলীয় অসমীয়াৰ হাতলৈ নাযাবনে?

বৰ্তমানৰ চৰকাৰ আগৰ চৰকাৰবোৰতকৈ বহুত তৎপৰ বুলি ক'বই লাগিব। মন্ত্ৰী-বিধায়কসকলৰ তৎপৰতা দেখি প্ৰশাসনৰ মূল চালিকা শক্তি আমোলাসকলো তৎপৰ হ'বলৈ বাধ্য হৈছে; সময় মতে যদি ধন পৰ্যাপ্ত হয়, তেতিয়া কাম কিছু তৎপৰতাৰে আগবাঢ়িব, অন্যথা আধাতে থমকি ৰ'ব। যিসকলে কাম কৰে সেইসকলেও ৰাইজৰ স্বাৰ্থতকৈ নিজৰ স্বাৰ্থ সিদ্ধি কৰাত অধিক গুৰুত্ব দিব, সেইসকলক সহায় কৰি নিজৰ জেপ গৰম কৰা এচাম তলখুচৰীয়া কৰ্মচাৰীতো আছেই। গতিকে কামবোৰ কিমান মান সম্পন্ন হ'ব, সেইটোও গুৰুত্বপূৰ্ণ কথা হ'ব।

অসমত দুৰ্নীতি বহুত কম হোৱা দেখা পাইছো; আনহাতে, এনে কথা শুনি থাকো যে প্ৰশাসনৰ মূল কেন্দ্ৰতে আগৰ দৰে দুৰ্নীতি চলি আছে। প্ৰাকৃতিক দুৰ্যোগত ধ্বংস হোৱা অসমৰ নৱ-নিৰ্মাণ মানসম্পন্ন কৰাটো চৰকাৰৰ বাবে অগ্নিপৰীক্ষাৰ দৰে হ'ব। এই ক্ষেত্ৰত চৰকাৰ কিমানদূৰ সফল হয়, সেইটো লক্ষ্যণীয় হ'ব।

**ড° দেৱেনচন্দ্ৰ দাস সুদামা**
ফোন ঃ ৯৪৩৫৪০৩৩৩৬

# ধপাত উৎপাদন বন্ধ হ'লেই বিক্ৰী বন্ধ হ'ব

**সমগ্ৰ** জীৱকুলৰ ভিতৰত মানুহ জীৱশ্ৰেষ্ঠ। তথাকথিত আধুনিক জীৱন যাপন কৰিব বিচৰা কিছুমান ব্যক্তি বদ অভ্যাসত লিপ্ত হৈছে। ধপাত ব্যৱহাৰ কৰি প্ৰস্তুত কৰা বিড়ি, চিগাৰেট, গুট্‌খা, খৈনী, পানমচলা আদি আমাৰ শৰীৰৰ বাবে ক্ষতিকাৰক বুলি আমি অৱগত। ধুমপানৰ সময়ত বিষাক্ত ধোঁৱা নিৰ্গমনে বায়ু দূষিত কৰে। ধুমপানৰ ধোঁৱাৰ লগত বিষাক্ত দ্ৰব্য আমাৰ শ্বাসতন্ত্ৰৰে হাওঁফাওঁতো প্ৰৱেশ কৰে। পাছত তেজত মিহলি হৈ শৰীৰৰ সকলো অংগ-প্ৰত্যংগ ঢুকি পায় আৰু গুপ্ত ঘাতকস্বৰূপ হৈ পৰে। ঘৰৰ মুৰব্বীগৰাকীয়ে যেতিয়া সন্তানৰ সন্মুখত ধুমপান কৰে তেতিয়া তাৰ কু-প্ৰভাৱ সন্তানৰ লগতে পৰিয়ালৰ ওপৰতো পৰে। পিতৃক দেখি সন্তানেও ধপাতৰ প্ৰতি আকৰ্ষিত হৈ পৰে। বহুতে এই কথা জানিও ধুমপান কৰি নিজক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ লগতে পৰিয়ালতো অশান্তিৰ সৃষ্টি কৰে। ১৯৮৮ৰ সাত এপ্ৰিলত বিশ্ব স্বাস্থ্য সংস্থাই ধপাত সেৱনৰ ফলত হ'ব পৰা স্বাস্থ্যজনিত সমস্যাবোৰৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা আৰু এখন ধপাতমুক্ত সমাজ গঢ়াৰ বাবে বিশ্বৰ প্ৰতিখন দেশকে প্ৰতি বছৰে ৩১ মে' দিনটো 'বিশ্ব ধপাত বিহীন' দিৱস হিচাপে পালন কৰিবলৈ অনুৰোধ কৰিছিল।

ধোঁৱাযুক্ত সামগ্ৰী শৰীৰৰ বাবে যিমান ক্ষতিকাৰক, ধোঁৱাবিহীন ধপাতযুক্ত সামগ্ৰী যেনে চাধা, গুটখা আদিও সমানেই ক্ষতি-কাৰক। ধপাতবিৰোধী অভিযানৰ ফলত বিশ্বৰ বিভিন্ন দেশত ৰাজহুৱা স্থানত ধুমপান নিষিদ্ধ কৰিছে। তথাপি ধপাত সামগ্ৰী উৎপাদন কৰা কোম্পানীসমূহে নতুন নতুন ধপাত মিহলি সামগ্ৰী প্ৰস্তুত কৰি মানুহক আকৃষ্ট কৰাত ব্ৰতী হ'ল। ৰজনীগন্ধা, গুটখা, শিখৰ, চিগনেচাৰ, বিমল, কমলাপচন আদি নামেৰে বজাৰ ভৰি পৰিল। চিকিৎসা বিজ্ঞানে প্ৰমাণ কৰিছে যে এই বিলাক সামগ্ৰী ব্যৱহাৰ কৰা ব্যক্তি কেঞ্চাৰৰ দ্বাৰা সহজে আক্ৰান্ত হয়। ধপাত জাতীয় সামগ্ৰী ব্যৱহাৰ কৰা লোকৰ ক্ষেত্ৰত ভাৰতৰ স্থান হৈছে পৃথিৱীৰ ভিতৰতে দ্বিতীয়। ধপাত জাতীয় দ্ৰব্য ব্যৱহাৰ কৰাৰ ফলত মুখগহ্বৰ, জিভা, ওঁঠৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ বিশ্বৰ যিমান সংখ্যক লোকৰ মৃত্যু হয়, তাৰ অধিকাংশই হৈছে বোলে ভাৰতৰ।

আমি এটা কথা বুজি নাপাওঁ--ধপাত জাতীয় সামগ্ৰী মানুহৰ বাবে হানিকাৰক বুলি জানিও এনে সামগ্ৰী উৎপাদনৰ বাবে চৰকাৰে অনুজ্ঞা পত্ৰ প্ৰদান কৰে কিয়? ধোঁৱাবিহীন ধপাতযুক্ত সামগ্ৰীৰ বিজ্ঞাপন প্ৰচাৰ কিয় কৰা হয়? উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত ধপাতজাতীয় সামগ্ৰীৰ ব্যৱহাৰ কৰা লোকৰ সংখ্যা মিজোৰামত সৰ্বাধিক যদিও অসমো পিছপৰি থকা নাই।

ধপাত জাতীয় সামগ্ৰী উৎপাদন, প্ৰস্তুত তথা বিক্ৰী বন্ধ কৰি নৱ প্ৰজন্মৰ জীৱন সুৰক্ষিত কৰিব নোৱাৰিনে? উৎপাদন বন্ধ হ'লেই বিক্ৰী বন্ধ হ'ব। যদিহে ভাৰতবৰ্ষ এখন ধপাতমুক্ত সমাজ গঢ়ি আমাৰ ভৱিষ্যৎ বংশধৰসকলক ৰক্ষা কৰিব বিচাৰো, তেন্তে চৰকাৰে কঠোৰ ধপাত বিৰোধী আইন প্ৰণয়ন কৰি ধপাত উৎপাদন, প্ৰচলন আৰু ব্যৱসায় বন্ধ কৰিব লাগিব। ধপাত সেৱনৰ বাবে অকল সেই ধপাতসেৱনকাৰীৰে যে ক্ষতি হয় তেনে নহয়, ই এটা পৰিয়াল ধ্বংস কৰাৰ উপৰিও সমাজখনৰ ওপৰত কুপ্ৰভাৱ পেলায়। চিকিৎসাজনিত খৰচ বৃদ্ধি কৰি পৰিয়াল তথা ৰাষ্ট্ৰৰ অৰ্থনৈতিক ক্ষতি সাধন কৰে।

**ৰমিছা বেগম** ফোন ঃ ৮৬৩৮১৪৬৫৪৬

## অভিমত

# বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ ক'ত?

**যোৱা** ১৩ জুন সোমবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'বিদ্যালয়ত শৈক্ষিক পৰিৱেশ ক'ত?' শীৰ্ষক নিবন্ধটো'ৰ নিবন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ ওপৰত আলোকপাত কৰি সুন্দৰ আৰু মাৰ্জিত ভাষাৰে যুক্তি সহকাৰে এখন বাস্তৱ চিত্ৰ নিবন্ধটোত উপস্থাপন কৰিছে। এই নিবন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাব প্ৰকাশ কৰিলো।

সুস্থ মনৰ অধিকাৰী নহ'লে সুস্থ পৰিৱেশ আশা কৰা অলীক কল্পনা। বিদ্যালয়ত সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ হ'লে বিদ্যালয়ৰ লগত প্ৰত্যক্ষভাৱে জড়িত ব্যক্তিসকল সুস্থ মনৰ আৰু সেৱাৰ মনোবৃত্তি থকা লোক হ'ব লাগিব। বাস্তৱিকতে বিদ্যালয়ৰ লগত প্ৰত্যক্ষভাৱে জড়িত ব্যক্তিসকলৰ কাম কৰা মানসিকতা নাই। মান, সন্মান বা পদৰ লালসাত সঠিকভাৱে কাম নকৰে। তেওঁলোকে বেয়া হ'লে শিক্ষকৰ ওপৰত দোষ জাপি দিয়ে, ভাল হ'লে নিজে বাঃ বাঃ লয়। শিক্ষকসকলে নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন নকৰে, চৰকাৰৰ ওপৰত দোষ জাপি, নিজে নিকা হ'ব বিচাৰে। চৰকাৰ নীৰৱ, নিৰ্বিকাৰ। সাংবাদিকসকলে বাতৰি কাকত, বৈদ্যুতিন মাধ্যমত বাতৰি পৰিৱেশন কৰিলে, হঠাৎ প্ৰেত্ৰিয়ত হৈ দুই এটা নিৰ্দেশ জাৰি কৰিয়ে দায়িত্ব আৰু কৰ্তব্যৰ পৰা পলায়ন কৰে। পৰিচালনা সমিতি, অভিভাৱক, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰৰ মাজত সমন্বয়হীনতাৰ অভাৱ। আত্মসমালোচনা কৰিব নিবিচাৰে।

কিছুমান চৰকাৰী বিদ্যালয়ৰ আন্তগাঁথনি পুতৌজনক। ছাত্ৰ-ছাত্ৰীও আছে, কিন্তু বিষয় শিক্ষক নাই। কিছুমান বিদ্যালয়ত বিষয় শিক্ষক আছে, কিন্তু সেই বিষয়ত ছাত্ৰ-ছাত্ৰী নাই। এইবোৰ কাৰণতে চৰকাৰী বিদ্যালয়ৰ ফলাফল ভাল নহয়।

কৰ'না অতিমাৰিৰ সময়ত অনলাইন শিক্ষা প্ৰচলন কৰিলে। সেই সময়ত যিসকলৰ স্মাৰ্ট ফোন নাছিল, সেই সকলক ঘৰৰ সম্পদ বিক্ৰী কৰি স্মাৰ্ট ফোনৰ যোগাৰ কৰি দিলে। কিন্তু পাঠ্যপুথিৰ প্ৰতি অৱহেলা আৰু অন্যমনস্ক হৈ পৰিল। এনেকুৱা পৰিস্থিতিৰ বাবে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ কিছু পৰিমাণে লাঘৱ হয়। সেয়ে বহুতে মত পোষণ কৰে 'ভাল বোলোতে ই কাল হ'ল। অভিভাৱকসকলে স্মাৰ্টফোন ব্যৱহাৰৰ সংক্ৰান্তত ল'ৰা-ছোৱালীক নজৰ দিব লাগিব।

ব্যক্তিগতখণ্ডৰ বিদ্যালয়ৰ লগত ফেৰ মাৰিবলৈ হ'লে চৰকাৰী বিদ্যালয়সমূহ আধুনিকীকৰণ কৰি ল'ৰা-ছোৱালী আৰু অভিভাৱকক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিব লাগিব। বিদ্যালয়সমূহত ৰাজহুৱা সভা-সমিতি পাতি অভিভাৱকসকলক সজাগ আৰু সচেতন কৰি গঢ়ি তুলিব লাগিব।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শেহতীয়া ফলাফলে মানুহৰ মনত বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শিক্ষকসকলক দোষাৰোপ কৰি বিৰূপ মন্তব্য আগবঢ়াইছে। কিছুমানে চৰকাৰক জগৰীয়া কৰি মন্তব্য আগবঢ়াইছে। আচলতে মানুহৰ মনত শিক্ষাৰ প্ৰতিয়ে বিতৃষ্ণাৰ ভাব জাগ্ৰত হৈছে। লাখ লাখ শিক্ষিত যুৱক-যুৱতী নিবনুৱা হৈ পৰিয়ালৰ বোজা হৈ পৰিছে। উচ্চ-নীচ, ধনী-দুখীয়া ভেদাভেদে দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মনত হীনমন্যতা ভাবৰ বীজ সিঁচি দিছে। সময় থাকোতে উচিত ব্যৱস্থা গ্ৰহণ নকৰিলে সমাজ ব্যৱস্থাত ঘূণে ধৰিব।

চৰকাৰে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰিবলৈ হ'লে প্ৰথমে গ্ৰামাঞ্চলৰ প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়সমূহত নিম্নতম সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মানুহৰ মনত চৰকাৰী বিদ্যালয়ৰ প্ৰতি যি সন্দেহৰ ভাব উদয় হৈছে, সেই সন্দেহৰ ভাব আঁতৰাবলৈ আদৰ্শ বিদ্যালয় গঢ়ি তুলিব লাগিব। চৰকাৰ, পৰিচালনা সমিতি, শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সুদৃঢ় সম্পৰ্ক গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব। শিক্ষকসকলে সেৱাৰ মনোবৃত্তিৰে একান্ত চিত্তে নিজৰ কৰ্তব্য কৰিব লাগিব। অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। প্ৰয়োজন সাপেক্ষে শিক্ষকৰ স'তে আলোচনা কৰিব লাগিব। চৰকাৰে কাৰিকৰী শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। জ্ঞান আহৰণ কৰিবলৈ শিক্ষাৰ প্ৰয়োজন। জ্ঞান (প্ৰাপ্ত) কৰ্মত ব্যৱহৃত হয়। কৰ্মৰ মাজেদি লক্ষ্যত উপনীত হ'ব পাৰি।

**জ্যোতিষ চন্দ্ৰ দত্ত**
লখিমী নগৰ, হাতীগাঁও
ফোন ঃ ৯৮৫৪০৪১৮১৫

# দ্বিতীয় বিশ্বযুদ্ধ আৰু অসমৰ এখন হাস্পতাল

**১৯৩৯**-১৯৪৫ৰ সময়ছোৱা আছিল মানৱ জাতিৰ ইতিহাসৰ অন্যতম কলংকিত অধ্যায়। এই সময়ছোৱাতে সমগ্ৰ পৃথিৱী দ্বিতীয় বিশ্বযুদ্ধৰ সাক্ষী হৈছিল; মানুহে সন্মুখীন হৈছিল যুদ্ধৰ এনে এক অৱস্থা য'ত প্ৰধান ংশগ্ৰহণকাৰীসকলে সভ্যতা আৰু সামৰিক সম্পদৰ মাজৰ সকলো পাৰ্থক্য ধূলিস্যাৎ কৰি নিজৰ সমগ্ৰ অৰ্থনৈতিক, ঔদ্যোগিক আৰু বৈজ্ঞানিক ক্ষমতাৰবাজি ধৰিছিল। এই যুদ্ধই সেই সময়ৰ প্ৰধান আৰু মহাশক্তিমান দেশ সমূহক ছাইত পৰিণত কৰে। হিৰোছিমা আৰু নাগাচাকিৰ প্ৰবল পাৰমাণৱিক বিস্ফোৰণৰ ফলত জাপান কঁপি উঠিছিল; দ্বিতীয় বিশ্ব যুদ্ধৰ পাছতহে বিশ্বই আমেৰিকানসকলৰ শক্তিৰ উমান পায়।

দ্বিতীয় বিশ্বযুদ্ধৰ স'তে অসমৰ নামো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। এই যুদ্ধৰ সময়তে ভাৰতবৰ্ষৰ সুদূৰ উত্তৰ-পূৰ দিশে থকা দিহিং-পাটকাইৰ গভীৰ অৰণ্যত আমেৰিকান সৈন্যই পৃথিৱীৰ অন্যতম প্ৰত্যাহ্বানমূলক ষ্টিলৱেল (লিডু) পথ নিৰ্মাণ কৰিবলৈ লয়। যুদ্ধৰ সময়ত অসমৰ লিডু-মাৰ্ঘেৰিটা অঞ্চলৰ আহত আৰু বেমাৰী আমেৰিকান সৈন্যসকলৰ চিকিৎসাৰ্থে দিহিং নদীৰ পাৰৰ মাৰ্ঘেৰিটা টাউনত এখন হাস্পতাল নিৰ্মাণ কৰা হৈছিল। এই হাস্পতালখন বিংশতম সাধাৰণ হাস্পতাল বা 20th General Hospital বুলি জনা যায়। মাৰ্কিন সেনাৰ মেজৰ জেনেৰেল ভিনেগাৰ জ' ষ্টিলৱেলৰ সুদক্ষ নেতৃত্বত ১৯৪২ত ষ্টিলৱেল পথ নিৰ্মাণ কৰা হয়। ইম্পেৰিয়েল জাপানৰ সৈন্যবাহিনীয়ে বাৰ্মা ৰোডেৰে সকলো যোগাযোগ বিচ্ছিন্ন কৰাৰ পিছত চীনদেশৰ স'তে সংযোগ স্থাপন কৰিবলৈ এই ষ্টিলৱেল পথ নিৰ্মাণ কৰা হৈছিল। যুদ্ধৰ সময়তসশস্ত্ৰ সৈন্য, সামৰিক সামগ্ৰী আৰু খাদ্য যোগানৰ বাবে মাৰ্কিন সেনাৰ অভিযন্তাসকলে পাটকাই পৰ্বতৰ সিপাৰে এই লিডো পথ নামৰ নতুন পথটো ক্ষিপ্ৰতাৰে নিৰ্মাণ কৰি উলিয়াব লগা হয়। জাপানী প্ৰতিৰোধৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে পাটকাই পৰ্বতমালাৰ ঘন জংঘলবোৰত সিহঁতৰ আগ্ৰাসন ৰোধ কৰাও সমানে আৱশ্যক হৈ পৰিছিল। এনে ধৰণৰ যুঁজ-বাগৰবোৰত আঘাতপ্ৰাপ্ত আৰু হতাহতি হোৱা ঘটনা আছিল সাধাৰণ কথা আৰু আহতসকলক মাৰ্ঘেৰিটালৈ আনি ২০ নম্বৰ সাধাৰণ চিকিৎসালয়ত চিকিৎসা কৰা হৈছিল। পথ নিৰ্মাণত সহায় কৰা চীনা সৈনিকসকলৰো চিকিৎসালয়খনে যত্ন লৈছিল।

১৯৪০ত আমেৰিকাৰ ছাৰ্জন জেনেৰেলে পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ চিকিৎসা বিদ্যালয়ৰ ডীনক ব্ৰহ্মদেশ-ভাৰত সীমান্তত মিত্ৰশক্তিৰ আহতসকলৰ যত্নৰ বাবে আৰ্মী হাস্পতাল ইউনিটৰ আয়োজন কৰিবলৈ কয় আৰু তদৰ্থে ২০ নম্বৰ জেনেৰেল হাস্পতাল গঠন কৰে। কিন্তু ইউনিটটোৱে ১৯৪২ৰ ১৫ মে'লৈকে লুইজিয়ানাৰ ক্লেয়াৰবন শিবিৰৰ পৰাযাত্ৰা কৰিবলৈ কোনো নিৰ্দেশ পোৱা নাছিল। ১৯৪৩ৰ মাৰ্চতহে যোগ্য চিকিৎসক আৰু নাৰ্ছৰ দল এটা মাৰ্ঘেৰিটাত গৈ উপস্থিত হয়। বিংশতম জেনেৰেল হাস্পতালৰ কৰ্মচাৰীসকল যেতিয়া প্ৰথমবাৰৰ বাবে মাৰ্ঘেৰিটাত উপস্থিত হয় সেই সময়ত কংক্ৰিটৰ মজিয়া, টিনৰ চাল আৰু সন্মুখত অলপ মুকলি ঠাইৰ স'তে মাত্ৰ তিনিটা সৰু ঘৰ আছিল। কেঁচা ভেটিৰ মজিয়া আৰু খেৰৰ চালিৰে পোহৰ সৰকা বাঁহৰ জুপুৰি কিছুমানো আছিল। কে'বামাহৰ পাছত অৱশেষত যেতিয়া চিকিৎসালয়খন সম্পূৰ্ণৰূপে নিৰ্মাণ কৰা হয় ই ডেৰ বৰ্গমাইল সামৰি ১৪৮টা ঘৰৰ স'তে প্ৰথম শ্ৰেণীৰ ২৫৫ খন বিছনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰিত হৈছিল। হাস্পতালখন চীন-ভাৰত-ব্ৰহ্মদেশ সীমান্ত অঞ্চলৰ আটাইতকৈ ডাঙৰ চিকিৎসালয়ত পৰিণত হয়। ইয়াৰ উপৰি বাৰ্ষিক সাধাৰণ পৰিদৰ্শনত চিকিৎসালয়খনে 'উচ্চতম স্থান' প্ৰাপ্তিৰ সন্মান লাভ কৰে। প্ৰায় ১১০ গৰাকী নাৰ্ছ আৰু ৬০০ গৰাকী তালিকাভুক্ত লোকে পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ এই চিকিৎসালয় গোটটো গঠন কৰিছিল। নিয়মীয়া সেনা বিষয়া তথা ফিলাডেলফিয়াৰ জেফাৰচন মেডিকেল কলেজৰ স্নাতক কৰ্ণেল ইলিয়াছ কুলে চিকিৎসা দলৰ নেতৃত্বত আছিল। পেন বিশ্ববিদ্যালয়ৰ অস্ত্ৰোপচাৰৰ অধ্যাপক তথা তেজৰ প্লাজমা আৰু ছালফা ঔষধ ব্যৱহাৰৰ প্ৰামাণ্য ব্যক্তি লেফটেনেণ্ট কৰ্ণেল ইচিডৰ ৰাভডিন আছিল অস্ত্ৰোপচাৰ সেৱাৰ মুৰব্বী। একেখন বিশ্ববিদ্যালয়ৰ মেডিচিনৰ ক্লিনিকেল অধ্যাপক লেফটেনেণ্ট কৰ্ণেল থমাছ ফিথ-হিউ জুনিয়ৰে মেডিকেল ছাৰ্ভিচৰ নেতৃত্ব দিছিল। মেডিকেল কৰ্মচাৰীসকলৰ অধিকাংশই পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ সদস্যমণ্ডলীৰ পৰা লোৱা হৈছিল আৰু ইয়াৰে বহুতো নাৰ্ছ ফিলাডেলফিয়া জেনেৰেল, পেন, প্ৰেছবিটেৰিয়ান, এপিস্কোপল আৰু ব্ৰাইন মাউৰ দৰে নামী হাস্পতালৰ

**পংকজ কুমাৰ নেওগ**



পৰা আহিছিল।

বছৰি ১২০ ইঞ্চি বৰষুণ, আৰ্দ্ৰতাৰে ভৰা গ্ৰীষ্মকাল আৰু ঠেঁটুৰৈ ধৰা জাৰকালিবোৰৰ স'তে অভ্যস্ত হৈ এখন অজান্তি মুলুকত ভাল কাম প্ৰদৰ্শন কৰা আমেৰিকানসকলৰ বাবে সহজ নাছিল। তথাপি সামান্য সামগ্ৰীৰ সহায়ত আৰু দৈনন্দিন জীৱনত অভ্যস্ত ব্যক্তিগত সুখ-সুবিধাবোৰ আওকাণ কৰি তেওঁলোকে এটা সম্পূৰ্ণ চিকিৎসালয় ইউনিট স্থাপন কৰিবলৈ সক্ষম হয়। কেৱল মিত্ৰশক্তিৰ সৈন্যৰ স্বাস্থ্যৰ বাবেই নহয় চিকিৎসা বিজ্ঞানৰ উন্নতিৰ ক্ষেত্ৰতো এই ইউনিটটোৱে অৰিহণা যোগাইছিল। মাত্ৰ কেইটামান জুপুৰিৰে আৰম্ভ হোৱা হাস্পতাল এখনক তেওঁলোকে পৰীক্ষাগাৰ, এক্স-ৰে' আৰু তেজ সংৰক্ষণৰ সুবিধা থকা আৰু চিকিৎসা আৰু





অস্ত্ৰোপচাৰৰ আন সকলো প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱস্থা থকা এখন সম্পূৰ্ণ সুসজ্জিত আধুনিক চিকিৎসালয়লৈ পৰিৱৰ্তিত কৰিবলৈ সক্ষম হয়। চিকিৎসালয়ত ১০০০ খন বিছনা আছিল যদিও আৰম্ভণিৰে পৰা তাতোকৈ বেছি সংখ্যক ৰোগীক ভৰ্তি কৰিবলগীয়া হৈছিল। উল্লেখযোগ্য যে এটা সময়ত প্ৰকৃততে ২৫৬০ জন ৰোগীক আশ্ৰয় দিয়া হৈছিল। চিকিৎসালয়খনে সেৱা আগবঢ়োৱা কালচোৱাত সৰ্বমুঠ ৭৩,০০০ ৰোগীক চিকিৎসা প্ৰদান কৰা হৈছিল; বিভিন্ন কাৰণত প্ৰায় ৩০০ জন ৰোগীৰ মৃত্যু হৈছিল বুলি জনা যায়।

১৯৪৩ৰ গ্ৰীষ্মকালৰ সময়ছোৱাত চিকিৎসা গ্ৰহণ কৰা প্ৰায় সকলোবোৰ ৰোগীয়ে মেলেৰিয়া বা ডিচেণ্ট্ৰি ৰোগত ভুগিছিল। ইউনিটটোৱে এটাৰ পাছত এটাকৈ নতুন ৱাৰ্ড খুলিবলৈ বাধ্য হয়। ১৯৪৩ত জুনৰ পৰা অক্টোবৰলৈকে কেৱল মেলেৰিয়া ৰোগত ভোগা ৭২৩৬ জন আৰু বেচিলাৰী বা এমিবিক ডিচেণ্ট্ৰিৰ বাবে ৭০৫ জনৰোগী ভৰ্তি হৈছিল। কৰ্ণেল থমাছ ফিটজ-হিউৱে চীনা ৰোগীৰ মৃত্যুৰ হাৰ ৩৩ শতাংশৰ বিপৰীতে আমেৰিকান ৰোগীৰ মৃত্যুৰ হাৰ পাঁচ শতাংশ বুলি ৰিপ'ৰ্ট কৰিছিল। ১৯৪৩ৰ নৱেম্বৰত প্ৰথমবাৰৰ বাবে স্ক্ৰাব টাইফাছ ৰোগে দেখা দিয়ে। ই এবিধ আগতে অধ্যয়ন নকৰা নতুন ৰোগ আছিল। ডাঃ (মেজৰ) ডিকিনছন পিপাৰে এই ৰোগ পুংখানুপুংখে বিশ্লেষণ কৰি ই এবিধ বেক্টেৰিয়াৰ পৰা জন্ম হোৱা ৰোগ বুলি ঠাৱৰ কৰে। এই ৰোগে ৰোগীসকলৰ মাজত তীব্ৰ জ্বৰৰ সৃষ্টি কৰিছিল। ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ অস্ত্ৰোপচাৰ সেৱাৰ মুৰব্বী ডাঃ ৰাভদিনে দিল্লীৰ পৰা শীত-তাপ নিয়ন্ত্ৰণ কৰা যন্ত্ৰ উৰুৱাই আনিছিল। দক্ষিণ-পূব এছিয়াৰ মিত্ৰশক্তিৰ সৰ্বোচ্চ অধিনায়ক লৰ্ড লুই মাউণ্টবেটেনে মাৰ্ঘেৰিটালৈ উৰা মাৰি আহি সমগ্ৰ ভাৰতৰ ভিতৰতে প্ৰথমটো শীত-তাপ নিয়ন্ত্ৰিত চিকিৎসালয়ৰ ৱাৰ্ড উছৰ্গা কৰে। ইয়াৰ পাছত চিকিৎসকসকলে ৰোগীক শীতল কোঠাত ৰাখি মৃত্যুৰ হাৰ পাঁচ-২০ শতাংশৰ পৰা এক শতাংশলৈ হ্ৰাস কৰিবলৈ সক্ষম হয়। আজিৰ চিকিৎসা জগতত এটা সহজলভ্য আৰু অতি গুৰুত্বপূৰ্ণ সেৱা — ইন্টেনচিভ কেয়াৰ ইউনিটৰ ধাৰণাটো ১৯৪০ৰ আৰম্ভণিতে ২০ নম্বৰ সাধাৰণ চিকিৎসালয়ত উৎপত্তি হৈছিল। প্ৰথম কেইমাহমান ব্ৰিটিছ ছাউনীৰ পৰা লভ্য টিনৰ মাছ, মাংস আৰু চাহৰ ওপৰত নিৰ্ভৰ কৰাৰ পিছত ডাঃ ৰাভদিনে এখন শাক-পাচলিৰ বাগিচা আৰম্ভ কৰে। পাছলৈ এই বাৰীখন ৩৬ একৰলৈ সম্প্ৰসাৰিত হয়। এই বিশাল শাক-পাচলিৰ বাৰীখনে গোটেই ইউনিটটোক বছৰ জুৰি সতেজ শাক-পাচলি যোগান ধৰিছিল। হাস্পতালখনে মাংসৰ বাবে গাহৰি আৰু এজাক হাঁহ পালনো আৰম্ভ কৰে। ১৯৪৪ৰ বৰদিনৰ ৰাতিৰ আহাৰত 'ৰোষ্ট' হাঁহৰ ব্যৱস্থা কৰা হৈছিল।

যিহেতু চিকিৎসালয়খনৰ ডাক্তৰ আৰু কৰ্মচাৰীসকলৰ শৈক্ষিক পটভূমি শক্তিশালী আছিল, এই অনুষ্ঠানখন সাপ্তাহিক পেছাদাৰী সন্মিলনৰ কেন্দ্ৰ হৈ পৰিছিল আৰু এই সন্মিলনবোৰত অন্যান্য চিকিৎসা সংস্থাৰ আমেৰিকান, ব্ৰিটিছ আৰু ভাৰতীয় বিষয়া আৰু ডাক্তৰসকলে অংশগ্ৰহণ কৰিছিল। ২০ নম্বৰ সাধাৰণ চিকিৎসালয়ে স্ক্ৰাব টাইফাছ আৰু চকু বিজ্ঞানৰ ওপৰত লিখা প্ৰায় ১০০ খন গুৰুত্বপূৰ্ণ চিকিৎসা গৱেষণা পত্ৰ আৰু বৈজ্ঞানিক প্ৰতিবেদন প্ৰস্তুত কৰিছিল। প্ৰশংসনীয় চিকিৎসা সেৱাৰ বাবে বিংশতম হাস্পতালৰ কথা বহুতে উল্লেখ কৰিছে। এইসকল প্ৰখ্যাত ব্যক্তিৰ ভিতৰত লৰ্ড লুই মাউন্টবেটেন, জেনেৰেল ভিনেগাৰ জ' ষ্টিলৱেল, ৰম আৰু ষষ্ঠ চীনা সৈন্যবাহিনীৰ কমাণ্ডিং জেনেৰেলদ্বয় এইসকল অন্যতম।চিকিৎসালয়খনে লৰ্ড মাউন্টবেটেনৰ পৰা প্ৰশংসা আৰু ব্যক্তিগত কৃতজ্ঞতা লাভ কৰিছিল। উত্তৰ বাৰ্মা ফ্ৰন্টৰ জংঘলৰ মাজেৰে এবাৰ জীপ চলাই যাওঁতে মাউন্টবেটেনৰ চকুত ওলমি থকা মৰা বাঁহৰ অংশ এটাই খোঁচ মৰাৰ ফলত ৰক্তক্ষৰণৰ সৃষ্টি হয়। এই দুৰ্ঘটনা আছিল যন্ত্ৰণাদায়ক আৰু গুৰুতৰভাৱে তেওঁ আঘাতপ্ৰাপ্ত হৈছিল। উৰাজাহাজেৰে মাউন্টবেটেনক বিংশতম সাধাৰণ চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু ডাঃ (মেজৰ) হেৰল্ড শ্বেইয়ে তেওঁৰ দৃষ্টিশক্তি ৰক্ষা কৰিবলৈ সূক্ষ্ম চিকিৎসা সম্পন্ন কৰে। চকু দুটা বেণ্ডেজ কৰি পাঁচ দিন মাউন্টবেটেন বিছনাত পৰি থাকিবলগীয়া হৈছিল। ইয়াৰ পাছত ডাঃ শ্বেই কমাণ্ডাৰৰ লগত দিল্লীলৈ যায় আৰু আৰোগ্যৰ সময়ছোৱাত তেওঁৰ আহত চকুটোৰ যত্ন লয়। মাউন্টবেটেন আৰু ডাঃ শ্বেইৰ মাজত (মৃত্যুঃ পাঁচ মাৰ্চ, ১৯৯০) আজীৱন বন্ধুত্ব গঢ়ি উঠিছিল। ১৯৭২ৰ আগষ্টত মাউন্টবেটেনে ফিলাডেলফিয়াৰ 'শ্বেই আই ইনষ্টিটিউট'টো উছৰ্গা কৰে।

সেনাৰ পশু চিকিৎসা বাহিনীৰ জেনেৰেল ৰেমণ্ড কেলছাৰে আমেৰিকাৰ ছাৰ্জন জেনেৰেল নৰ্মেন কাৰ্কক ৰিপ'ৰ্ট দিয়ে যে '২০ নম্বৰ জেনেৰেল হাস্পতালখন বিশ্বৰ যিকোনো ঠাইৰ ভিতৰতে অসামান্য আৰু ই নিঃসন্দেহে ইউনিভাৰ্চিটি হাস্পতালবোৰৰ সমতুল্য'। অসম-বাৰ্মা অঞ্চলৰ পৰা যুদ্ধৰ তীব্ৰতা কমাৰ লগে লগে সেনাই অন্য ফ্ৰণ্টত নিয়োগ কৰিবলৈ প্ৰয়োজনীয় বিষয়া আৰু লোকসকলক প্ৰত্যাহাৰ কৰিবলৈ আৰম্ভ কৰে। ১৯৪৫ৰ ডিচেম্বৰৰ আৰম্ভণিতে চিকিৎসা সেৱা বন্ধ কৰি অৱশেষত ২৭ ডিচেম্বৰত চিকিৎসালয়খন চিৰদিনলৈ বন্ধ কৰি দিয়া হয়।

মাস্কাট, চুলতানেট অব ওমান
*ফোন ঃ১৯৬৮-৯৯৬৭-২৭৮১*

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ

## সুধালতা দুৱৰা

### জীৱনকাল ৩২ বছৰ মাত্ৰ

### (১৮৯৬-১৯২৮)

**অপাৰ** সম্ভাৱনাক বাস্তৱায়িত কৰিবলৈ নিদি মহাকালে যিসকলক অকালতে পৃথিৱীৰ পৰা কাঢ়ি লৈ গ'ল তেওঁলোকৰ মাজৰেই এগৰাকী হ'ল অসম দুহিতা সুধালতা দুৱৰা। সুধালতাৰ জন্ম হৈছিল ১৮৯৬ৰ ২৫ অক্টোবৰত, কলিকতাৰ ৫০, হেৰিচন ৰোডত। তেওঁৰ ককাদেউতাক পৰশুৰাম আছিল উজনি অসমৰ চাৰিঙৰ বিখ্যাত বৰকাকতি পৰিয়ালৰ সন্তান। পৰশুৰাম আছিল অসমৰ কালেক্টৰৰ ৰাজবিষয়ক সহকাৰী। সুধালতাৰ দেউতাক ৰমাকান্ত আছিল পৰিয়ালৰ বৰ আদৰৰ। তেওঁৰ ককাক মাণিক বৰকাকতীয়ে ৰমাকান্তৰ উপযুক্ত শিক্ষাৰ প্ৰতি যৎপৰোনাস্তি চেষ্টা কৰিছিল।

ইয়াৰ ফলস্বৰূপে একেবাৰে নিম্নশ্ৰেণীৰ পৰা স্নাতক হোৱালৈকে ৰমাকান্তই সংগতিপূৰ্ণভাৱে সাফল্য লাভ কৰিছিল। উল্লেখ্য যে তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দেশবৰেণ্য শিক্ষাবিদ ছাৰ আশুতোষ মুখাৰ্জীৰ স'তে একে বছৰতে বি এ আৰু বি এল পৰীক্ষা পাছ কৰে। আইন কলেজত পঢ়ি থকা সময়ত শিক্ষকৰূপে তেওঁ পাইছিল লৰ্ড সিংহ, ছাৰ গুৰুদাস বেনাৰ্জী, ৰেভাৰেণ্ড কে চি বেনাৰ্জী আৰু ড° যোগেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্যৰ দৰে বিশিষ্ট আইনজীৱীসকলক। তেওঁৰ শৈক্ষিক জীৱনৰ উজ্জ্বলতাৰ কাৰণেই কলিকতাৰ উচ্চ ন্যায়ালয়ৰ অনুবাদকৰ দুৰ্লভ চাকৰিটো তেওঁ লাভ কৰিবলৈ সক্ষম হয়।

সুধালতাৰ সুউজ্জ্বল শৈক্ষিক জীৱন আৰু অতি চুটি জীৱনত লাভ কৰা লেখত ল'বলগীয়া সাফল্যৰ নেপথ্যত যথেষ্ট পৰিমাণে আছিল তেওঁৰ দেউতাকৰ উৎসাহমূলক যত্ন আৰু বৌদ্ধিক নিৰ্দেশনা। তেওঁৰ মাতৃৰ চৰিত্ৰত থকা কিছু মহৎ গুণ আৰু চেহেৰাৰ আকৰ্ষণীয় কমনীয়তা সুধালতাই জন্মসূত্ৰে পাইছিল। তদুপৰি সুধালতাৰ গুৰুভাগ্যও আছিল ভাল। সৌভাগ্যক্ৰমে সুধালতাই গুৰু হিচাপে লাভ কৰিছিল কলিকতাৰ বিখ্যাত আৰু উদাৰ পণ্ডিত অধ্যাপক দীনেশ চন্দ্ৰ সেনক।

সুধালতা আছিল পিতৃ-মাতৃৰ তৃতীয় সন্তান। তেওঁৰ বায়েক-ভনীয়েকহঁত আছিল যথাক্ৰমে— গুঞ্জলতা (মাত্ৰ ৩০ বছৰ বয়সত কলেৰাত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে), হেমলতা (সুধাৰ স'তে একেলগে বেথুন কলেজত পঢ়িছিল), সুধালতা, সুখলতা (বেথুন কলেজৰ পৰা বি.এ, Diocesan কলেজৰ পৰা বিটি আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীত এম এ, পাছত লাহোৰৰ এখন কলেজৰ অধ্যক্ষা), শান্তালতা (বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা বি এ, এলাহাবাদ ইউনিভাৰ্চিটিৰ পৰা ইতিহাস আৰু অৰ্থনীতিত এম এ, পাছলৈ Benaras Theosophical College-ৰ অধ্যাপিকা), কনিষ্ঠা প্ৰীতিলতা (বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী)।

সুধালতাৰ পাঁচগৰাকী ভ্ৰাতৃৰ প্ৰথমজনৰ মৃত্যু হয় ১৩ মাহতে ৩২ আৰ্মহাৰ্ষ্ট ষ্ট্ৰীটত। দ্বিতীয় গোবিন্দ স্নাতক। তৃতীয় গোপালৰ মৃত্যু হয় মাত্ৰ ১২ বছৰ বয়সত অসমৰ Thurgalbari Tea Estate-ত। তেওঁৰ সহপাঠীয়ে এবাৰ কামুৰি দিয়াত তাত ঘা হৈ পকি যোৱাৰ বাবে মৃত্যু হয়। চতুৰ্থ মণিলাল দুৱৰা। তেওঁ এজন কৃতী ছাত্ৰ আছিল; যিয়ে আইএ পঢ়াৰ পাছত এলাহাবাদৰ ওচৰত অৱস্থিত Noini Agricultural Institution-ৰ পৰা চূড়ান্ত পৰীক্ষা পাছ কৰিছিল। ১৯২৮ৰ ছয় মে'ৰ দিনা সুধাৰ লগত একেলগে টমেইন বিহৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। পঞ্চম আৰু কনিষ্ঠ ভ্ৰাতৃৰ নাম আনন্দ।

**ড° নীলমোহন ৰায়**

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*

সুধালতাৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল ৩২ আৰ্মহাৰ্ষ্ট ষ্ট্ৰীটৰ চি এম চাৰ্চৰ চৌহদত অৱস্থিত জেনানা মিছন স্কুলত। তেওঁ স্কুলীয়া আৰু কলেজীয়া শিক্ষা লাভ কৰে কলিকতাৰ বেথুন কলেজত। ইয়াৰ পৰাই তেওঁ সংস্কৃতত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰে ১৯১৮ত। তেওঁ ১৯১৪ত মেট্ৰিক আৰু ১৯১৬ত আই এ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। কলিকতাৰ Diocesan কলেজৰ পৰা সুধালতাই বি.টি ডিগ্ৰী লাভ কৰে। ১৯২৩ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি সেই বছৰৰ স্বৰ্ণপদক লাভ কৰে। তেওঁ লাভ কৰা অন্যান্য পুৰস্কাৰ আৰু পদকসমূহ আছিল এনেধৰণৰ—

১। দুশ টকা মূল্যৰ পুথি (১৯২১)
২। দুৰ্গামণি দেৱী পদক (১৯২১)
৩। অন্নপূৰ্ণা দেৱী পদক (১৯২১)
৪। নাসিপুৰৰ মহাৰাজৰ পদক (১৯২১)
৫। ব্ৰহ্মময়ী পদক (১৯২১)
৬। উমেশ চন্দ্ৰ মুখাৰ্জী পদক (১৯২১)
৭। বংগদেশৰ মুখ্য ন্যায়াধীশ ছাৰ আশুতোষ মুখাৰ্জীৰ সন্মানাৰ্থে দিয়া পদক (১৯২১)

এইবোৰৰ উপৰি সুধালতাই আৰু বহুতো জলপানি আৰু পদক পাইছিল। ১৯১১ত ভাল আচৰণৰ বাবে বেথুন কলেজে সোণৰ পদক প্ৰদান কৰে। ১৯১৪ত মেট্ৰিক পৰীক্ষাত সকলো মহিলা পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি তেওঁ দুবছৰৰ কাৰণে চৰকাৰী জলপানি পায়। আই এ আৰু বি এ পৰীক্ষাতো তেওঁ মহিলা পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পাই জলপানি লাভ কৰিছিল।

এনেদৰে শৈক্ষিক জীৱনত সুধালতাই সদায় উচ্চতম সাফল্য লাভ কৰিছিল। মেট্ৰিকৰ পৰা স্নাতকোত্তৰলৈকে— বিশ্ববিদ্যালয়ৰ প্ৰায় সকলো পৰীক্ষাতে উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ তালিকাৰ শীৰ্ষত আছিল তেওঁৰ নাম। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ভাৰতীয় ভাষা বিষয়ত এম এ পাছ কৰা সুধালতাই আঠখন কাকতৰ সাতখনতেই সৰ্বোচ্চ নম্বৰ পাই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছিল। তেওঁৰ মধুৰ স্বভাৱ, শিক্ষকসকলৰ প্ৰতি থকা শ্ৰদ্ধা-আনুগত্য আৰু সহপাঠীসকলৰ প্ৰতি থকা ভালপোৱাই তেওঁক সকলোৰে দৃষ্টিত অতিশয় প্ৰিয় কৰি তুলিছিল। তেওঁ আৰু তেওঁৰ ভনীয়েক সুখলতা আছিল অসমৰ প্ৰথম মহিলা স্নাতক। তেওঁলোক দুয়ো সংস্কৃতত উচ্চ সন্মান লৈ বি এ পাছ কৰে।

তেওঁলোকৰ সাফল্যত বাতৰি কাকতবিলাকে তেওঁলোকৰ ভূয়সী প্ৰশংসা কৰে আৰু অসমৰ বৌদ্ধিক সমাজে তেওঁলোকলৈ অভিনন্দন বাৰ্তা পঠিয়ায়। মি. জি চি পি ভূঞাই ডিব্ৰুগড়ৰ পৰা লিখিছিল—'তোমালোকেই আমাৰ দেশৰ প্ৰথম পুষ্প আৰু গৌৰৱ।' মি. কানিংহাম আৰু মিছ গ্যেৰেটে শিক্ষা বিভাগত দায়িত্বপূৰ্ণ চৰকাৰী বাব তেওঁলোকক যাচিছিল। কলিকতাৰ The Statesman কাকতে ততালিকে দুয়োগৰাকী বায়েক-ভনীয়েকৰ ছবি ছপাইছিল। ইয়াৰ ফলত স্ত্ৰী শিক্ষাৰ প্ৰতি আগ্ৰহ থকা বিশিষ্ট লোকৰ অভিনন্দন পত্ৰ কাকতখনত ছপা হৈছিল, এনেকি ইংলণ্ডৰ পৰাও কেইখনমান চিঠি আহিছিল। লখিমপুৰৰ ব্ৰাহ্মণ সমাজৰ পৰা দুৰ্গেশ্বৰ শৰ্মাই অভিনন্দন জনাই তেওঁলোকৰ সাফল্যক এটা 'গুৰুত্বপূৰ্ণ জাতীয় ঘটনা' বুলি অভিহিত কৰিছিল।

অসমৰ স্কুলবিলাকৰ পৰিদৰ্শক মিছ গ্যেৰেটে সুধালতা আৰু সুখলতাৰ দেউতাকলৈ লিখা এখন চিঠিত উচ্চ প্ৰশংসা কৰি এইবুলি আশ্বাস দিছিল যে যদি তেওঁলোক অসমলৈ আহিব বিচাৰে তেনেহ'লে 'জীয়েক দুগৰাকীক নিজৰ তত্ত্বাৱধানত ৰাখিব।' এই সন্দৰ্ভত 'The Times of Assam -এও প্ৰশংসাসূচক মন্তব্য আগবঢ়ায়। তেওঁলোকৰ পিতৃলৈ দিয়া এখন চিঠিত ছাৰ বীটছন বেলে তেওঁলোকক 'অসমৰ প্ৰতিভাসম্পন্ন জীয়ৰী' বুলি আখ্যা দিছিল।

১৯১৮ৰ ২২ জুলাইৰ দিনা ফুলেশ্বৰী ইনষ্টিটিউচনৰ পৃষ্ঠপোষকতাত সম্ভ্ৰান্ত পুৰুষ-মহিলাসকলৰ এখন সভাত মিছেছ ডি. মেনচনে এই আগবঢ়োৱা এই প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গৃহীত হয়— 'কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত উজ্জ্বল সাফল্য লাভ কৰা অসমৰ প্ৰথম মহিলা স্নাতক, মিছ সুধালতা দুৱৰা বিএ আৰু মিছ সুখলতা দুৱৰা বি এ ক এই সভাই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।'

শিক্ষয়িত্ৰী হিচাপে সুধালতাৰ জীৱন আৰম্ভ হয় কলিকতাৰ বেথুন কলেজিয়েট স্কুলত। তেওঁ অলপ দিনৰ পাছতেই সেই চাকৰি এৰি সংস্কৃত, অৰ্থবিজ্ঞান আৰু ইংৰাজী শিক্ষয়িত্ৰীৰূপে এলাহাবাদ ক্ৰছৱেইট কলেজত যোগ দিয়ে। ১৯২৫ত তেওঁ সেই কলেজৰ অধ্যক্ষা হয়। এই কলেজে সেই সময়ত বি এলৈকে শিক্ষাদান কৰাৰ অনুমোদন লাভ কৰিছিল এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা।

ক্ৰছৱেইট কলেজৰ অধ্যক্ষাৰূপে কুমাৰী সুধালতা দুৱৰাই দেখুওৱা দক্ষতা, ছাত্ৰীসকলৰ প্ৰতি স্নেহ আৰু অক্লান্ত পৰিশ্ৰম ক্ষমতা আছিল বিস্ময়কৰ। অনুষ্ঠানটোৰ কাম-কাজৰ বাবে নিজকে তেওঁ সম্পূৰ্ণৰূপে বিলাই দিছিল। নিৰক্ষৰতা, অন্ধবিশ্বাস আৰু অন্যান্য দুৰ্বলতাৰ পৰা নাৰী সমাজক উদ্ধাৰ কৰাটোৱেই আছিল তেওঁৰ জীৱনৰ উদ্দেশ্য। ইয়াৰ বাবে তেওঁ ব্যক্তিগত আকাংক্ষা আৰু পাৰিবাৰিক সুখৰ চিন্তাও ত্যাগ কৰিছিল। এনেকি বৈবাহিক জীৱনৰ চিন্তাও তেওঁ একে কাৰণতে পৰিহাৰ কৰিছিল।

ভাৰতৰ পুৰণি কীৰ্তিচিহ্নবোৰ দেখুৱাই তেওঁ ছাত্ৰীসকলৰ মনত ভাৰতীয় ইতিহাসৰ প্ৰতি আগ্ৰহ জন্মাবলৈ চেষ্টা কৰিছিল, এই উদ্দেশ্যে দূৰৈৰ ইতিহাসপ্ৰসিদ্ধ ঠাইবিলাকলৈ শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰিছিল। নিৰ্জু, সৌজন্যপূৰ্ণ আৰু হিন্দু মহিলাৰ সকলো পৰম্পৰাগত মাধুৰ্য থকা সত্বেও সুধালতা আছিল নাৰী স্বাধীনতাৰ প্ৰবক্তা। মহিলাসকলে পুৰুষসকলৰ সমানে সমানে থিয় হৈ স্বামীৰ প্ৰকৃত সাহায্যকাৰিণী হোৱাটো তেওঁ বিচাৰিছিল।

এসময়ত সুধালতাই ডক্টৰেটৰ বাবে থিছিছও প্ৰস্তুত কৰিছিল। তেওঁৰ দৰে এগৰাকী বিশিষ্টা বিদুষীৰ বাবে এই সন্মান লাভ কৰাটো কঠিন নাছিল, কিন্তু অলপ দিনৰ পাছতেই তেওঁৰ মন সলনি হ'ল আৰু ডক্টৰেট তথা বিশ্ববিদ্যালয়ৰ আন আন সন্মানসমূহৰ প্ৰতি তেওঁৰ মোহ দূৰ কৰি পেলালে। পবিত্ৰ কামৰ মাজত সম্পূৰ্ণ নিমজ্জিত হৈ পৰাটো ইয়াৰ কাৰণ আছিল আৰু এটা পুণ্যাত্মাৰ কাৰণে এনে সেৱাধৰ্মী কামতকৈ অন্য কোনো বস্তু আকৰ্ষণীয় হ'ব নোৱাৰে। নৰিয়াত পৰি থকা ছোৱালীবিলাকৰ কাষত সুধালতা আছিল মাতৃৰ দৰে। কেতিয়াবা তেওঁ নৰিয়াত পৰা ছাত্ৰীৰ বিছনাৰ কাষত গোটেই ৰাতিটো কটাই দিছিল।

অতি কম দিনৰ ভিতৰত ক্ৰছৱেইট কলেজৰ অধ্যক্ষা হিচাপে তেওঁৰ কাম-কাজ উত্তৰ ভাৰতত সাৰ্বজনীন স্বীকৃতি পাইছিল। এই শিক্ষানুষ্ঠানৰ গোটেই দেশতে বহুলভাৱে প্ৰতিনিধিত্ব লাভ কৰিছিল। এই কলেজখনৰ সভ্য আছিল বহুতো বিশিষ্ট লোক—আগ্ৰা আৰু অৱধৰ গৱৰ্ণৰ, এলাহাবাদ উচ্চ ন্যায়ালয়ৰ প্ৰধান বিচাৰক, এলাহাবাদ ডিভিজনৰ কমিছনাৰ, আগ্ৰা আৰু অৱধৰ চিভিল হাস্পতালৰ ইন্সপেক্টৰ জেনেৰেল, এলাহাবাদৰ কালেক্টৰ, কাপুৰতলা আৰু বেনাৰসৰ মহাৰাজ, ৰায়পুৰৰ নবাব, চাহিনপুৰৰ ৰজা, ৰাজা ছাৰ ৰামপাল সিং, ছাৰ পি চি বেনাৰ্জী, পণ্ডিত মতিলাল নেহৰু, ছাৰ তেজবাহাদুৰ চাপ্ৰু, বেটিয়াৰ মহাৰাণী আৰু বহু বিশিষ্ট গুণী ব্যক্তি।

সুধালতাই এই সকলো প্ৰসিদ্ধ লোকৰ পৰা প্ৰশংসা লাভ কৰিছিল আৰু এলাহাবাদ বিশ্ববিদ্যালয়ৰ কোৰ্ট একাডেমিক কাউঞ্চিল আৰু টেক্সট বুক কমিটীৰ সভ্য হৈছিল তথা এলাহাবাদ আৰু বেনাৰস বিশ্ববিদ্যালয়ৰ শিক্ষয়িত্ৰীৰূপে স্বীকৃতি পাইছিল। কলিকতা বিশ্ববিদ্যালয়ৰ Intermediate Bengali Compositionৰ এগৰাকী পৰীক্ষক হিচাপে থকাৰ উপৰি উক্ত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰশ্নকাকত যুগুত কৰিছিল। বেনাৰস বিশ্ববিদ্যালয়তো তেওঁ আছিল এগৰাকী পৰীক্ষক। এইবোৰৰ উপৰি ক্ৰছৱেইট কলেজৰ লগত সংযুক্ত প্ৰশিক্ষণ বিভাগৰ দায়িত্ব আছিল তেওঁৰ ওপৰত আৰু লেডী সুন্দৰলাল হোষ্টেলৰো দায়িত্বশীল ৱাৰ্ডেন আছিল। তেওঁ য'লৈকে গৈছিল তাতেই তেওঁৰ মৰ্যাদাপূৰ্ণ ব্যক্তিত্বয়ো শ্ৰদ্ধাৰ উদ্ৰেক কৰিছিল। এলাহাবাদৰ মেজিষ্ট্ৰেট মি. ক্ৰছৱেইটৰ তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধা আছিল। তেওঁ কেতিয়াও তেওঁৰ আগত চুৰট নাখাইছিল।

১৯২৮ৰ এপ্ৰিলত সুধালতাই এলাহাবাদৰ পৰা কলিকতা হৈ যোৰহাটলৈ গ'ল। কলিকতাত তেওঁ তেওঁৰ পৰম আত্মীয়স্বৰূপ গুৰু দীনেশ চন্দ্ৰ সেনৰ ঘৰত তিনিদিন থাকি গুৰুৰ ভৰি চুই সেৱা কৰি ঘৰমুৱা হ'ল। যোৰহাট পোৱাৰ পাছত তৃতীয় দিনা সুধালতা, সুখলতা ভায়েক মণিলাল আৰু তেওঁলোকৰ ভাগিন লিলি টমেইন বিষৰ দ্বাৰা আক্ৰান্ত হ'ল। বিহৰ প্ৰতিক্ৰিয়া ইমানেই দ্ৰুত আছিল যে কেইঘণ্টামানৰ ভিতৰতে গুৰুতৰ লক্ষণসমূহ প্ৰকট হৈ উঠিল। স্থানীয় চিকিৎসকসকলে সাধ্যানুসৰি যত্ন ল'লে কিন্তু তেওঁলোকে প্ৰকৃত বেমাৰ ধৰিব নোৱাৰিলে। বিষক্ৰিয়াৰ প্ৰতিক্ৰিয়াসমূহ দেখা দিয়াৰ পাছত সুধালতা ২৪ ঘণ্টা জীয়াই আছিল আৰু ১৯২৮ৰ পাঁচ মে'ৰ দিনা বিয়লি প্ৰায় তিনি বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ চেনেহৰ ভায়েকৰ পাছদিনা দিনৰ ১২ বজাত মৃত্যু হয় আৰু সুখলতা আৰু লি-য়ে অশেষ কষ্টৰ পাছত উদ্ধাৰ পায়।

১৯২২ত সুধালতা এমএ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯২৮ত ঢুকায়। ইমান কম সময়ৰ ভিতৰত তেওঁৰ পূৰ্ণ বিকশিত ক্ষমতা পৰিস্ফুট হোৱাৰ সুযোগ নিয়তিয়ে নিদিলে। কিন্তু যিখিনি তেওঁ অৰ্জন কৰিলে সেইখিনি বহুতো মানুহে দীৰ্ঘজীৱনতো লাভ কৰিব নোৱাৰে। তেওঁ এনেকুৱা এগৰাকী জীয়াৰী আছিল, যাক লৈ পিতৃ-মাতৃয়ে গৌৰৱ অনুভৱ কৰিব পাৰে; এনেকুৱা এগৰাকী ছাত্ৰী আছিল যাক লৈ এজন কঠোৰ শিক্ষক পৰম নিশ্চিন্ত হ'ব পাৰে; এনেকুৱা এগৰাকী বান্ধৱী আছিল, যাৰ নিষ্ঠা সেইসকলৰ বাবে সোণতকৈ মূল্যবান আছিল যিসকলে তেওঁৰ আস্থাভাজন হোৱাৰ সৌভাগ্য লাভ কৰিছিল; তেওঁ এনেকুৱা এগৰাকী পৰিচাৰিকা আছিল যাৰ আৱিৰ্ভাৱৰ লগে লগে ব'ৰ্ডিং হাস্পতালৰ সকলো ৰোগিণীৰ চকু আনন্দৰে ভৰি পৰিছিল, এনে এগৰাকী শিক্ষয়িত্ৰী আছিল যি শাস্তিৰ ভাবুকিৰ পৰিৱৰ্তে মৰমেৰে ছাত্ৰীসকলক বশ কৰিছিল; খেলপথাৰতো তেওঁ নেতৃত্ব দিছিল আৰু তেওঁৰ বিচাৰে আইনৰ মৰ্যাদা পাইছিল।

এইসকলো বিৰল প্ৰতিভাৰ গৰাকী সুধালতাৰ আয়ুসকাল আছিল মাথোঁ ৩১ বছৰ সাত মাহ।

** লেখকৰ 'অকাল প্ৰয়াত মানুহৰ স্মৰণীয় কথা' পুথিৰ পৰা লোৱা হৈছে। পুথিখনিৰ প্ৰকাশক এন এল পাব্লিকেছনছ, পাণবজাৰ, গুৱাহাটী*

# শৰণাৰ্থীসকল বিশ্বৰ সকলোতকৈ দুৰ্ভগীয়া মানুহ। আতংকিত হৈ নিজৰ ঘৰ, সম্পত্তি, দেশ এৰি পলায়ন কৰাৰ মনোবেদনা সকলোৱে অনুভৱ কৰিব নোৱাৰে

## শৰণাৰ্থী

**'Noone** Puts their children in a boat unless the water is safer than the land.' শৰণাৰ্থীৰ বিষয়ে জানিবৰ চেষ্টা কৰোতে এই কথাষাৰ পঢ়িলো। লগে লগে চকুৰ সমুখত ২০১৫ত তিনি বছৰীয়া শিশু আইলাল কুৰ্দীৰ সাগৰৰ পাৰত পৰি থকা মৃতদেহৰ দৃশ্য ভাহি উঠিল। মাক আৰু ভায়েকৰ লগত ছিৰিয়াৰ পৰা শৰণাৰ্থীৰূপে নিৰাপদ ঠাইত যোৱাৰ চেষ্টাত তাৰ মৃত্যু হৈছিল। শৰণাৰ্থীসকল সন্ত্ৰাসবাদী নহয়, সন্ত্ৰাসবাদৰ চিকাৰহে হয়।

বিশ্বত প্ৰতিটো মিনিটত ২০জন মানুহ যুদ্ধ আৰু সন্ত্ৰাসবাদৰ বাবে গৃহহাৰা হয়। ৰাষ্ট্ৰসংঘৰ মতে ৭৯.৫ নিযুত মানুহ ২০১৯ৰ শেষলৈকে ঘৰ-দুৱাৰ এৰি নিৰ্বাসিত হৈ আছিল। ২০২০ত ১৬০খন

**ছানিয়াৰা খান**

দেশে ক'ভিড সংক্ৰমণৰ আশংকাত সীমান্ত বন্ধ কৰি ৰাখিছিল। আৰু এই বছৰৰ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰসংঘৰ মতে ৮,৭৮,০০০ ৰোহিংগা শৰণাৰ্থী আৰু ৫৭ লাখ পেলেষ্টাইনৰ শৰণাৰ্থীৰ অৱস্থা অত্যন্ত শোচনীয় আছিল। যিবোৰ দেশে মানৱীয়তাৰ খাতিৰত বিভিন্ন শৰণাৰ্থীক আশ্ৰয় দিছে, তেওঁলোকৰ মাজত তুৰ্কীৰ নাম আটাইতকৈ ওপৰত আছিল। শৰণাৰ্থীৰ সমস্যাক লৈ সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই ২০০১ৰ পৰা প্ৰতি বছৰ ২০ জুনৰ দিনটোক 'বিশ্ব শৰণাৰ্থী দিৱস'ৰূপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে এই দিনটোক ইয়াৰ আগতেও কিছুমান দেশত আফ্ৰিকাৰ শৰণাৰ্থী দিৱস বুলি উদ্‌যাপন কৰি থকা হৈছিল। এই ঘোষণাৰ মূল উদ্দেশ্য এয়ে আছিল যে বিভিন্ন অপঘাতৰ সন্মুখীন হৈ স্বদেশ এৰি শৰণাৰ্থী হৈ জীৱন কটোৱাটো



যে কিমান কঠিন, এই কথাষাৰ অন্যান্য মানুহবোৰেও যাতে বুজিবৰ চেষ্টা কৰে। বিশ্বৰ ইতিহাসত শৰণ বিচাৰিলে শৰণ দিয়াৰ পৰম্পৰাক মানৱীয়তাৰ লগত জড়িত কৰি দেখা যোৱাৰ প্ৰমাণ আছে। এই সন্দৰ্ভত আমি নিম্নলিখিত কথাবোৰো জানিব লাগে।

১। ৬৫.৩০ নিযুত মানুহক সমগ্ৰ বিশ্বৰ বিভিন্ন ঠাইৰ পৰা বলপূৰ্বক ঘৰ এৰিবলৈ বাধ্য কৰা হৈছে।

২। প্ৰতিদিন ৪২,৫০০ মানুহে নিৰাপত্তাৰ অভাৱত ভয়াতুৰ হৈ আন দেশলৈ পলায়ন কৰে।

৩। ছিৰিয়াৰ গৃহযুদ্ধৰ দ্বাৰা বিশ্বৰ আটাইতকৈ জটিল মানৱীয় সমস্যাৰ আৰম্ভ হৈ গৈছে।

৪। ভাৰত, বাংলাদেশ আদি বিকাশশীল দেশবোৰেও নিজৰ সমস্যাবিলাকৰ লগত যুঁজি থকা অৱস্থাতো অনেক শৰণাৰ্থীক সহায় কৰিবৰ চেষ্টা কৰি আছে।

৫। কেনিয়াত বিশ্বৰ আটাইতকৈ ডাঙৰ শৰণাৰ্থী শিবিৰত এতিয়াও প্ৰায় ৩,২৯,০০০ শৰণাৰ্থী আছে।

৬। এতিয়াৰ সময়ত বিশ্বত শৰণাৰ্থীৰ সংখ্যা প্ৰায় ২০ নিযুত বুলি জনা যায়। এই শৰণাৰ্থীসকলৰ ৫১ শতাংশই ১৮ বছৰ বা তাতকৈ কম বয়সৰ।


দৰাচলতে শৰণাৰ্থীসকল বিশ্বৰ সকলোতকৈ দুৰ্ভগীয়া মানুহ। আতংকিত হৈ নিজৰ ঘৰ, সম্পত্তি, দেশ এৰি পলায়ন কৰাৰ মনোবেদনা সকলোৱে অনুভৱ কৰিব নোৱাৰে।

২০২১ত বিশ্ব শৰণাৰ্থী দিৱসৰ মূল মন্ত্ৰ আছিল 'together we heal, learn and shine'. চলিত বৰ্ষত এই দিৱসৰ মূল মন্ত্ৰ হৈছে— 'Whoever, wherever, whenever, Everyone has the right to seek safety'. সকলো ধৰণৰ শৰণাৰ্থীৰ লগত সন্মানপূৰ্বক ব্যৱহাৰ হ'ব লাগে। যুদ্ধ, হিংসা অথবা যিকোনো ধৰণৰ উৎপীড়ন আহিবলগীয়া ভৱিষ্যতত আমাৰ লগতো ঘটিব পাৰে। এই কথাষাৰ মনত ৰাখি শৰণাৰ্থীৰ লগতো মানৱীয়তা দেখুৱাব লাগে। জাতি, ধৰ্ম আৰু লিংগৰ বৈষম্য ৰাখি এই দুৰ্ভগীয়া মানুহবোৰৰ লগত বেলেগ বেলেগ ধৰণে ব্যৱহাৰ কৰাটোক কেতিয়াও উচিত বুলি সমৰ্থন কৰিব নালাগে।

আফগানিস্তানৰ পৰা আমেৰিকাত বসতি কৰা প্ৰসিদ্ধ লেখক খালিদ হুছেইনীয়েও শৰণাৰ্থীৰ জীৱনৰ বৰ ওচৰৰ পৰা দেখিছে। বোধহয় সেইবাবেই তেওঁ কয়, শৰণাৰ্থীবোৰো আমাৰ দৰেই পিতৃ-মাতৃ, ভাই-ভনী আৰু সন্তান। আমাৰ দৰেই তেওঁলোকৰ জীৱনতো অনেক আশা আৰু লক্ষ্য থাকে; কিন্তু ভাগ্যৰ নিষ্ঠুৰতাই তেওঁলোকক বিশ্বৰ বিভিন্ন দেশত শৰণাৰ্থী হৈ ঘূৰি ফুৰিবলৈ বাধ্য কৰিছে। অন্ততঃ এয়ে কম যে সকলো ধৰণৰ শৰণাৰ্থীৰ বাবে এটা সামূহিক বৈশ্বিক দায়বদ্ধতা হ'ব লাগে।

*ফোন ঃ ৯৯২৬১৪৮৩৮৫*

## যুদ্ধৰ মাজতে প্ৰথমবাৰলৈ বিদেশ ভ্ৰমণ ৰাষ্ট্ৰপতি পুটিনৰ



**নিউজ ব্যুৰ', মস্কো, ২৮ জুন ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে ৰুছ সেনা বাহিনীয়ে যুদ্ধ অব্যাহত থকাৰ সময়তে প্ৰথমবাৰলৈ বিদেশ ভ্ৰমণ কাৰ্যসূচী গ্ৰহণ কৰিলে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। আজি ৰুছ ৰাষ্ট্ৰপতিয়ে তাজিকিস্তানলৈ যাত্ৰা কৰে। তাজিকিস্তানৰ পৰা পুটিনে তুৰ্কমেনিস্তানলৈ যাব। ৰুছ ৰাষ্ট্ৰপতিৰ মুখপাত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ভ্ৰমণকালত পুটিনে কাস্পিয়ান সাগৰৰ দেশসমূহৰ স'তে এখন সন্মিলনত অংশ ল'ব। তাজিকিস্তানৰ ৰাষ্ট্ৰপতি ইম'মালি ৰহমানৰ স'তেও ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে বৈঠকত মিলিত হ'ব। যোৱা ফেব্ৰুৱাৰীত পুটিনে অন্তিমবাৰ বিদেশ ভ্ৰমণ কৰিছিল।

## ৰাছিয়াৰ পৰা ভাৰতে তেল ক্ৰয় নকৰে বন্ধ ঃ স্পষ্ট বাৰ্তা মোদীৰ




**নিউজ ব্যুৰ', মিউনিখ, ২৮ জুন ঃ** জাৰ্মানীত অনুষ্ঠিত জি-৭ৰ শীৰ্ষ সন্মিলনৰ মঞ্চত ৰাছিয়াৰ পৰা তেল ক্ৰয়ৰ প্ৰসংগত ভাৰতৰ স্থিতি স্পষ্ট কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভাৰতৰ প্ৰধানমন্ত্ৰীজনে কয় যে ইন্ধনৰ ব্যৱহাৰ ধনী ব্যক্তি বা দেশৰ একচেটিয়া অধিকাৰ নহয়। দৰিদ্ৰৰো ইন্ধন ব্যৱহাৰৰ সুবিধা লাভ কৰাৰ সমানে অধিকাৰ আছে। বৰ্তমানে আন্তৰ্জাতিক পৰিস্থিতিত ইন্ধনৰ মূল্য অধিক বৃদ্ধি হৈছে আৰু সেয়েহে নিজৰ দেশত ইন্ধনৰ প্ৰয়োজনীয় যোগানৰ ব্যৱস্থা কৰাটো জৰুৰী হৈছে। মোদীয়ে এই সন্মিলনতে স্পষ্টভাৱে কয় যে কম মূল্যত ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় অব্যাহত ৰাখিব। কিয়নো ইয়াৰ ফলত দেশৰ দৰিদ্ৰ নাগৰিকে সহজে ইন্ধনৰ যোগান লাভ কৰিব পাৰিব। জি-৭ সন্মিলনত এইবাৰ আয়োজক দেশ জাৰ্মানীয়ে ভাৰতক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনাইছিল। সোমবাৰে সন্মিলনত ভাষণ দি মোদীয়ে কয়, 'ইন্ধনৰ ব্যৱহাৰৰ সুবিধা লাভৰ অধিকাৰ সকলোৰে আছে। এই ক্ষেত্ৰত ধনী-দৰিদ্ৰৰ বিভেদ কৰা অনুচিত। আশা কৰো আপোনালোক সকলোৰে মোৰ এই কথাৰ স'তে একমত হ'ব। নাম উল্লেখ নকৰাকৈ ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাছিয়া বিৰোধী দেশসমূহে যিমানে হেঁচা নিদিয়ক কিয়, ৰাষ্ট্ৰৰ স্বাৰ্থত কম মূল্যত ৰাছিয়াৰ পৰা ভাৰতে তেল ক্ৰয় অব্যাহত ৰাখিব।

## ক্ল'ৰিন গেছৰ টেংক ফাটি জৰ্ডানত মৃত্যু কমেও ১৩ জনৰ



**নিউজ ব্যুৰ' আকাবা, ২৮ জুন ঃ** জাহাজৰ পৰা নমোৱাৰ সময়তে ক্ল'ৰিন গেছৰ টেংকৰ বিস্ফোৰণ ঘটাত বিষাক্ত গেছৰ প্ৰভাৱত ঘটনাস্থলীতে মৃত্যু হ'ল কমেও ১৩ জনৰ। এই ঘটনাত দুই শতাধিক লোক অসুস্থ হৈ চিকিৎসাধীন হৈছে। জৰ্ডানৰ আকাবা চহৰৰ পৰা ১৬ কিলোমিটাৰ উত্তৰত অৱস্থিত লোহিত সাগৰ বন্দৰত এই ঘটনা সংঘটিত হ'ল। ক্ৰেনৰে জাহাজৰ পৰা ক্ল'ৰিনৰ টেংক নমোৱাৰ সময়তে হঠাতে ক্ৰেনখন বিকল হোৱা ওপৰৰ পৰা টেংক বাগৰি তলত পৰাত এই বিস্ফোৰণ সংঘটিত হৈছিল।

## আমেৰিকাত ট্ৰাকৰ ভিতৰত উদ্ধাৰ ৪৫ মৃতদেহ





**নিউজ ব্যুৰ', টেক্সাছ, ২৮ জুন ঃ** আমেৰিকাত এখন ট্ৰাকৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিলে কমেও ৪৫ টা মৃতদেহ। ট্ৰাকখনৰ পৰা সংকটজনক অৱস্থাত ১৬ জন লোকক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি টেক্সাছ চহৰৰ পৰা কিছু দূৰত্বত থকা ৰেল লাইনৰ কাষত ট্ৰাকখন পাৰ্ক কৰি ৰখা হৈছিল। অনুমান কৰা অনুসৰি, শৰণাৰ্থীক লৈ উক্ত ট্ৰাকখনে অবৈধভাৱে টেক্সাছত প্ৰৱেশ কৰিছিল। কেনেকৈ ট্ৰাকখনত থকা কমেও ৪৫ লোকৰ মৃত্যু হ'ল সেই সন্দৰ্ভত আৰক্ষীয়ে এতিয়াও তথ্য প্ৰকাশ কৰা নাই যদিও মেক্সিকোৰ প্ৰশাসনে জনোৱা অনুসৰি অত্যধিক গৰম আৰু অক্সিজেনৰ সৰবৰাহৰ অভাৱতে ট্ৰাকৰ ভিতৰত গোপনে টেক্সাছলৈ অহা এইসকল অবৈধ প্ৰব্ৰজনকাৰীৰ মৃত্যু হ'ল। সম্প্ৰতি চাৰি শিশুসহ ১৬ জন লোক চিকিৎসাধীন হৈ আছে। এই ভয়াৱহ ঘটনাৰ সন্দৰ্ভত টেক্সাছ আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে।

## ভাৰতৰ প্ৰবীণ উদ্যোগপতি পাল'নজি মিস্ত্ৰীৰ মৃত্যু




**নিউজ ব্যুৰ', মুম্বাই, ২৮ জুন ঃ** দেশৰ আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠান শ্বাপুৰজি পাল'নজি গ্ৰুপৰ অধ্যক্ষ পাল'নজি মিস্ত্ৰীৰ ৯৩ বছৰ বয়সত মৃত্যু হ'ল। যোৱা নিশা মুম্বাইস্থিত বাসভৱনত দেশৰ প্ৰবীণ উদ্যোগপতিয়ে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে পাল'নজিৰ পিতৃয়ে ১৮৬৫ত শ্বাপুৰজি পাল'নজি গ্ৰুপ নামৰ নিৰ্মাণ প্ৰতিষ্ঠানটো মুম্বাইত প্ৰতিষ্ঠা কৰিছিল। ২০১৬ বৰ্ষত পাল'নজিয়ে পদ্মভূষণ সন্মান লাভ কৰিছিল।

**২০২১ৰ জানুৱাৰীৰ পৰা ডিচেম্বৰত কেন্দ্ৰৰ চৰকাৰৰ পৰা টুইটাৰ একাউণ্ট বন্ধ কৰাৰ বাবে সৰ্বাধিক সংখ্যক অনুৰোধ**


# বহু একাউণ্ট ব্লক কৰিব বিচাৰিছিল কেন্দ্ৰই, টুইটাৰৰ চাঞ্চল্যকৰ তথ্য

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৮ জুন ঃ** টুইটাৰ কৰ্তৃপক্ষক ভাৰতৰ বহু ৰাজনীতিবিদ, সাংবাদিক আৰু প্ৰভাৱশালী ব্যক্তিৰ টুইটাৰ একাউণ্ট ব্লক কৰি দিবলৈ অনুৰোধ জনাইছিল কেন্দ্ৰৰ চৰকাৰে। সম্প্ৰতি প্ৰকাশ পোৱা এক প্ৰতিবেদনত এইদৰে দাবী কৰা হৈছে। আনকি কৃষক আন্দোলনৰ সমৰ্থনকাৰীৰ অনেক ব্যক্তিৰ একাউণ্ট ব্লক কৰি দিয়াৰ বাবেও কেন্দ্ৰৰ চৰকাৰে টুইটাৰ কৰ্তৃপক্ষক অনুৰোধ জনাইছিল বুলি উক্ত প্ৰতিবেদনত উল্লেখ কৰা হৈছে। যোৱা ২৬ জুনত এই প্ৰতিবেদন প্ৰকাশ কৰিলে টুইটাৰ কৰ্তৃপক্ষই। ২০২১ বৰ্ষৰ পাঁচ জানুৱাৰীৰ পৰা ২৯ ডিচেম্বৰৰ সময়ছোৱাত কেন্দ্ৰৰ চৰকাৰৰ পৰা টুইটাৰ একাউণ্ট বন্ধ কৰাৰ বাবে



সৰ্বাধিক সংখ্যক অনুৰোধ লাভ কৰা বুলিও উক্ত প্ৰতিবেদনত প্ৰকাশ পাইছে। গুগল, ফে'চবুক আৰু টুইটাৰ কৰ্তৃপক্ষই প্ৰতি বছৰে লুমেন ডেটাবেছ নামৰ সংস্থাৰ সহযোগত এই প্ৰতিবেদন প্ৰকাশ কৰি আহিছে। এই প্ৰতিবেদনত বিভিন্ন দেশৰ প্ৰশাসন বা চৰকাৰে যিবোৰ একাউণ্ট ব্লক কৰিবলৈ অনুৰোধ জনায়, সেই বিষয়ৰ তথ্য উল্লেখ কৰা হয়। অৱশ্যে কেন্দ্ৰৰ চৰকাৰে টুইটাৰ প্ৰতিষ্ঠানক কিমান সংখ্যক একাউণ্ট ব্লক কৰিবলৈ অনুৰোধ জনাইছিল সেই তথ্য প্ৰতিবেদনত উল্লেখ কৰা নাই। কেন্দ্ৰৰ চৰকাৰে টুইটাৰত ব্লক কৰাৰ বাবে অনুৰোধ জনোৱা একাউণ্টৰ মাজত কংগ্ৰেছ আৰু আম আদমী পাৰ্টি (আপ)ৰ কে'বাজনো নেতাও আছে। সংযুক্ত কিষাণ মৰ্চা আৰু কিষাণ একতা মৰ্চাৰ টুইটাৰ হেণ্ডলো ব্লক কৰিবলৈ কেন্দ্ৰৰ চৰকাৰে মাইক্ৰ' ব্লগিং ছাইটটোক অনুৰোধ জনাইছিল। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-৭ সন্মিলনত অংশ লৈ বাক্ স্বাধীনতা আৰু ব্যক্তি স্বাধীনতাৰ সন্দৰ্ভত সৰৱ হোৱাৰ সময়তে টুইটাৰ প্ৰতিষ্ঠানে প্ৰকাশ কৰা এই প্ৰতিবেদনে নতুন বিতৰ্কৰ সৃষ্টি কৰিছে।

## পাকিস্তানত সন্ত্ৰাসবাদী-নিৰাপত্তা বাহিনীৰ গুলীয়াগুলিত সাত সন্ত্ৰাসবাদী দুজন সৈনিকৰ হ'ল মৃত্যু



**নিউজ ব্যুৰ' ইছলামাবাদ, ২৮ জুন ঃ** পাকিস্তানৰ উত্তৰ-পশ্চিমৰ অশান্ত ৱজিৰিস্তানৰ গোলাম খান কল্লে অঞ্চলত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা এক সংঘৰ্ষৰ ঘটনাত দুজন সৈনিক আৰু সাতজন সন্ত্ৰাসবাদীৰ মৃত্যু হ'ল। পাকিস্তানৰ সেনা বাহিনীয়ে আজি এই কথা জনোৱা অনুসৰি সোমবাৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিৰাপত্তা বাহিনীয়ে অভিযান চলোৱাৰ সময়তে এই সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘসময় ধৰি উভয় পক্ষৰ মাজত হোৱা গুলীয়াগুলিত দুজন সৈনিক ছহিদ হয়। পাছত অঞ্চলটোৰ পৰা সাতজন সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

## আমেৰিকাৰ দুখন চহৰৰ আদালতে গৰ্ভপাত নিষিদ্ধকৰণত আৰোপ কৰিলে অস্থায়ী স্থগিতাদেশ



**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ২৮ জুন ঃ** আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে অলপতে দেশখনত মহিলাৰ গৰ্ভপাতৰ অধিকাৰ বাতিল কৰি দিয়া ঐতিহাসিক ৰায়ৰ বিৰুদ্ধে দেশখনৰ দুখন চহৰৰ আদালতে অস্থায়ী স্থগিতাদেশ জাৰি কৰিলে। কালি লুইছিয়ানা আৰু যুটা প্ৰদেশৰ আদালতে গৰ্ভপাত নিষিদ্ধকৰণৰ উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে অস্থায়ী স্থগিতাদেশ জাৰি কৰে। যোৱা শুকুৰবাৰে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰি কৈছিল যে মাৰ্কিন মহিলাৰ বাবে এতিয়াৰে পৰা গৰ্ভপাতৰ অধিকাৰ সাংবিধানিক অধিকাৰ হিচাপে গণ্য কৰা নহ'ব। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ৰ পাছৰে পৰা আমেৰিকাৰ বিভিন্ন প্ৰদেশত হেজাৰ হেজাৰ মহিলাই ব্যাপক প্ৰতিবাদ অব্যাহত ৰাখিছে। এই ৰায়ৰ জৰিয়তে মাৰ্কিন মহিলাৰ মৌলিক অধিকাৰ সৰ্বোচ্চ ন্যায়ালয়ে খৰ্ব কৰিলে বুলিও বিভিন্নজনে অভিযোগ কৰিছে। স্বয়ং আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনেও উচ্চতম ন্যায়ালয়ৰ এই ৰায়ক 'মৰ্মান্তিক ভুল' অভিহিত কৰিলে।

## ইউক্ৰেইনৰ শ্ব'পিং ম'লত ৰাছিয়াৰ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত হতাহত কমেও ৫০ জন

**নিউজ ব্যুৰ', কীভ, ২৮ জুন ঃ** প্ৰায় চাৰি মাহ ধৰি ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ অব্যাহত থকাৰ ফলত হেজাৰ হেজাৰ নিৰীহ নাগৰিকৰ মৃত্যু হৈছে। এনে পৰিস্থিতিত সোমবাৰে নিশা ইউক্ৰেইনৰ এটা শ্ব'পিং ম'লত ৰুছ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত ৫০ জন লোক হতাহত হ'ল। বি বি চিৰ বাতৰি অনুসৰি প'লতাভা অঞ্চলৰ ক্ৰেমেনচুকৰ এটা শ্ব'পিং ম'লত ৰাছিয়াই নিক্ষেপ কৰা এটা ক্ষেপণাস্ত্ৰই আঘাত হানিছিল। এই ঘটনাত কমেও ১৬ জন লোকৰ প্ৰাণহানি ঘটাৰ লগতে আন ৩৪ জন লোক গুৰুতৰভাৱে আহত হয়। আহতৰ কে'বাজনৰো আঘাত গুৰুতৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে। আক্ৰান্ত শ্ব'পিং ম'লটো ৰাছিয়াৰ সেনা বাহিনী নিয়ন্ত্ৰিত অঞ্চলৰ পৰা ৮১ মাইল দূৰত্বত অৱস্থিত। ৰাছিয়াৰ এই ক্ষেপণাস্ত্ৰৰ আক্ৰমণৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাষ্ট্ৰসংঘৰ মুখপাত্ৰ



ষ্টেফান ডুজাৰিছে নিৰীহ লোকক এইদৰে আক্ৰমণ কৰাক তীব্ৰ গৰিহণা দিয়ে। প'লতাভা অঞ্চলৰ প্ৰশাসনৰ মুৰব্বী ডিমিত্ৰ' লুনিনে এই আক্ৰমণক 'যুদ্ধপৰাধ' অভিহিত কৰিলে।

## পাকিস্তানত অধিক গভীৰ হ'ল শক্তি সংকট, পুনৰ বিজুলীৰ মাচুল বৃদ্ধিৰ সম্ভাৱনা

**নিউজ ব্যুৰ' ইছলামাবাদ, ২৮ জুন ঃ** ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ প্ৰভাৱত পাকিস্তানত শক্তিসংকট অধিক গভীৰ হ'ল। আন্তৰ্জাতিক বজাৰত বিদ্যুৎ আৰু ইন্ধনৰ মূল্যবৃদ্ধিৰ প্ৰভাৱত পাকিস্তানে বিজুলীৰ মাচুল বৃদ্ধি কৰিবলৈ বাধ্য হৈছে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি শক্তিসংকটৰ পৰিপ্ৰেক্ষিতত আগন্তুক কেইসপ্তাহমানত পাকিস্তানত বিদ্যুতৰ সমস্যাটোৱে অধিক জটিল ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা আছে। শক্তিসংকটৰ লগে লগে বিশ্বজুৰি চি এন জিৰ চাহিদা বৃদ্ধি পাইছে। ফলত চি এন জিৰ মূল্য সম্প্ৰতি ৪০ মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। আঢ়ৈ বছৰ পূৰ্বে চি এন জিৰ মূল্য চাৰি মাৰ্কিন




ডলাৰ আছিল। পাকিস্তানে শক্তিসংকট দূৰ কৰিবলৈ চি এন জি ক্ৰয়ত গুৰুত্ব দিছিল যদিও ইয়াৰ মূল্যবৃদ্ধিয়ে দেশখনক সমস্যাৰ সন্মুখীন কৰাইছে। বিদ্যুতৰ উৎপাদন বৃদ্ধি সম্ভৱ নহ'লে অচিৰে পাকিস্তান চৰকাৰে পুনৰ বিজুলীৰ মাচুল বৃদ্ধি কৰিবলৈ বাধ্য হ'ব বুলি ঘোষণা কৰিছে।

## ২৪ ঘণ্টাত ক'ভিডৰ সংক্ৰমণ ১১,৭৯৩ জনলৈ হ্ৰাস, মৃত্যু ২৭ জনৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ জুন ঃ** সপ্তাহৰ দ্বিতীয়টো দিনত দেশৰ ক'ভিড সংক্ৰমণৰ পৰিসংখ্যাই কিছু সকাহ দিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ ১১,৭৯৩ জনলৈ হ্ৰাস পালে। আনহাতে, বিগত এদিনত এই ভাইৰাছৰ সংক্ৰমণত ২৭ জন লোকে প্ৰাণ হেৰুৱালে। সম্প্ৰতি দেশত ৯৬,৭০০ জন সক্ৰিয় ক'ভিড ৰোগী আছে। বৰ্তমানলৈকে ভাৰতত ৫,২৫,০৪৭ জন লোকৰ ক'ভিডত মৃত্যু হ'ল।

## ফ্ল'ৰিডাত আঠ বছৰীয়া শিশুৰ গুলিবৰ্ষণত এবছৰীয়া শিশুৰ মৃত্যু



**নিউজ ব্যুৰ' ফ্ল'ৰিডা, ২৮ জুন ঃ** আমেৰিকাৰ ফ্ল'ৰিডাত এটি আঠবছৰীয়া শিশুৱে ভুলবশতঃ বন্দুকৰে গুলিবৰ্ষণ কৰাৰ ঘটনাত এটি এবছৰীয়া কন্যা শিশুৰ মৃত্যু হ'ল। একেটা ঘটনা দুবছৰীয়া আন এটি শিশু গুলিবিদ্ধ হ'ল। শিশুটিৰ পিতৃয়ে আলমাৰীত তেওঁৰ বন্দুকটো লুকুৱাই ৰাখিছিল যদিও পিতৃৰ অনুপস্থিতিত শিশুটিৱে আলমাৰীৰ পৰা বন্দুকটো উলিয়াই হঠাতে গুলিবৰ্ষণ কৰিছিল।

## মুম্বাইত চাৰি মহলীয়া অট্টালিকা বাগৰি কমেও ১০ জনৰ মৃত্যু



**নিউজ ব্যুৰ', মুম্বাই, ২৮ জুন ঃ** মুম্বাইৰ কুৰ্লা পূবৰ নাইক নগৰত যোৱা নিশা এটা চাৰিমহলীয়া অট্টালিকা হঠাতে খহি পৰাত কমেও ১০ জন লোকৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি চাৰি মহলীয়া অট্টালিকাটো বাগৰি পৰাত ঘটনাস্থলীতে এজনৰ মৃত্যু হয় আৰু আন নজনে চিকিৎসালয়ত শেষনিশ্বাস ত্যাগ কৰে। ধ্বংসপ্ৰাপ্ত অট্টালিকাটো ধ্বংসস্তুপৰ মাজত কমেও সাত-আঠজন লোক আবদ্ধ থকা বুলি উদ্ধাৰকাৰীয়ে শংকা কৰিছে। অট্টালিকাটো জৰাজীৰ্ণ হোৱাৰ ফলতে এই ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ'ল। পূৰ্বে প্ৰশাসনে ২০১৩ বৰ্ষতে অট্টালিকাটোৰ মেৰামতিৰ বাবে জাননী দিছিল আৰু পাছত অট্টালিকাটো ভাঙি দিয়াৰ বাবে জাননী জাৰি কৰিছিল। চি-১ শ্ৰেণীবদ্ধ এই অট্টালিকাটো বসবাসৰ উপযোগী নাছিল।

## জি-৭ সন্মিলনত বিশেষ গুৰুত্ব লাভ কৰিলে ভাৰতে, মোদীক দেখা মাত্ৰকে কৰমৰ্দনৰ বাবে আগবাঢ়ি আহিল বাইডেন

**নিউজ ব্যুৰ', মিউনিখ, ২৮ জুন ঃ** জাৰ্মানীত অনুষ্ঠিত হোৱা জি-৭ৰ সন্মিলনত অংশ লৈ বিশেষ গুৰুত্ব লাভ কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই সন্মিলনতে আকৌ এবাৰ প্ৰত্যক্ষ হ'ল ভাৰতৰ সফল বৈদেশিক নীতি আৰু প্ৰধানমন্ত্ৰীৰ জনপ্ৰিয়তা। সন্মিলনত এটা হলত বহুকেইখন দেশৰ শীৰ্ষনেতাই সমবেত হৈ পৰস্পৰৰ স'তে বাৰ্তালাপত ব্যস্ত আছিল। ৰাষ্ট্ৰনেতাৰ এই ভিৰৰ মাজতে এক বিৰল দৃশ্য প্ৰত্যক্ষ হ'ল। ভিৰৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে নিজে আগবাঢ়ি আহি ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীৰ কাষত থিয় দিলে আৰু মোদীৰ কান্ধত হাত ৰাখি আৰু কৰমৰ্দন কৰিলে। বিশ্বৰ সবাতোকৈ শক্তিশালী দেশ হিচাপে পৰিচিত আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে এইদৰে নিজে আগবাঢ়ি আহি ভাৰতৰ ৰাষ্ট্ৰনেতাক সন্মানিত কৰা ঘটনাই আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। সংবাদ প্ৰতিষ্ঠান ৰয়টাৰে এই ঘটনাৰ ভিডিঅ' শ্বেয়াৰ কৰিছে। এই ভিডিঅ'ত আবদ্ধ হৈ থকা দৃশ্য অনুসৰি প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰিবলৈ মাৰ্কিন ৰাষ্ট্ৰপতিয়ে অপেক্ষা কৰাৰ পৰিৱৰ্তে নিজেই আগবাঢ়ি আহি মোদীক কৰমৰ্দন কৰিলে। কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুৰ স'তে মোদীয়ে বাৰ্তালাপ কৰি থকাৰ সময়তে ভাৰতৰ প্ৰধানমন্ত্ৰীক প্ৰত্যক্ষ কৰি আগবাঢ়ি আহে বাইডেনে। এই ঘটনাই আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। উল্লেখ্য যে জি-৭ৰ এইবাৰৰ সন্মিলনত ভাৰতে আয়োজক দেশ জাৰ্মানীৰ আমন্ত্ৰণত অংশ লৈছিল। কালি জাৰ্মানীৰ চাঞ্চেল্যৰ অ'লাফ ছ'লজে জি-৭ শীৰ্ষ সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰীক স্বাগতম জনাইছিল। জি-৭ৰ সদস্য নোহোৱা সত্ত্বেও এই সন্মিলনত অতিথি দেশ হিচাপে অংশ লৈ ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে বিশেষ গুৰুত্ব লাভ কৰিলে।



## জয়ৰ পাছত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগীক সাক্ষাৎ সাংসদ নিৰহুৱাৰ

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৮ জুন ঃ** উত্তৰ প্ৰদেশৰ আজমগড়ত অনুষ্ঠিত হোৱা লোকসভাৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দীনেশ লাল যাদৱ নিৰহুৱাই চমকপ্ৰদ জয়লাভ কৰিলে। উপ-নিৰ্বাচনত জয়ৰ পাছত সাংসদ নিৰহুৱাই আজি লক্ষ্ণৌত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক সাক্ষাৎ কৰে। আজমগড় লোকসভা সমষ্টিৰ নৱনিৰ্বাচিত বিজেপিৰ সাংসদজনে মুখ্যমন্ত্ৰী যোগীক অংগবস্ত্ৰ পৰিধান কৰাই সন্মানিত কৰাৰ লগতে ভগৱান শ্ৰীৰামৰ মূৰ্তিও উপহাৰ দিয়ে। উল্লেখ্য যে বিধায়ক নিৰ্বাচিত হোৱাৰ পাছত সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে আজমগড়ৰ সাংসদপদ ত্যাগ কৰাত সমষ্টিটোত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু এই নিৰ্বাচনত নিৰহুৱাই সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী ধৰ্মেন্দ্ৰ যাদৱক পৰাজিত কৰে।



## ৰাউটক দ্বিতীয়বাৰলৈ চমন ই ডিৰ, পহিলা জুলাইত হাজিৰ হ'বলৈ নিৰ্দেশ



**নিউজ ব্যুৰ', মুম্বাই, ২৮ জুন ঃ** শিৱসেনাৰ নেতা সঞ্জয় ৰাউটে আজি ভূমি কেলেংকাৰিৰ গোচৰত সোধা-পোছাৰ বাবে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পৰা বিৰত থাকিল। ৰাউটে তদন্তকাৰী সংস্থাটোৰ সোধা-পোছাত অংশ লোৱাৰ বাবে অহা সাত জুলাইত সময় বিচাৰি আবেদন জনাইছিল। কিন্তু ই ডিয়ে আজি দ্বিতীয়বাৰলৈ চমন জাৰি কৰি শিৱসেনাৰ মুখপাত্ৰজনক অহা পহিলা জুলাইত তদন্তকাৰী সংস্থাৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে ই ডিয়ে পূৰ্বে শিৱসেনাৰ ৰাজ্যসভাৰ সাংসদ ৰাউটক মঙলবাৰে এক ভূমি কেলেংকাৰিৰ গোচৰত সোধা-পোছাৰ বাবে তদন্তকাৰী সংস্থাটোৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ চমন জাৰি কৰিছিল। কিন্তু আলিবাগত পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী থকা হেতুকে ই ডিৰ ওচৰত আজি হাজিৰ হ'ব নোৱাৰিলে ৰাউটে।

## পঞ্জাৱত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে হ'ব ব্যাপক আন্দোলন, বিধানসভাত উত্থাপন কৰিব প্ৰস্তাৱ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২৮ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় সেনাত নিয়োগৰ বাবে গ্ৰহণ কৰা অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে পঞ্জাৱত। পঞ্জাৱ চৰকাৰে কেন্দ্ৰীয় চৰকাৰে সেই আঁচনিৰ বিৰুদ্ধে বিধানসভাত সৰ্বদলীয় প্ৰস্তাৱ গ্ৰহণ কৰাৰ সিদ্ধান্ত ল'লে। পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে আজি বিধানসভাত এই কথা ঘোষণা কৰি কয় যে অচিৰে বিধানসভাত অগ্নিপথ আঁচনিৰ বিৰোধিতাৰে প্ৰস্তাৱ গৃহীত কৰা হ'ব। উল্লেখ্য যে কংগ্ৰেছৰ বিধায়ক প্ৰতাপ বাজৱাই বিধানসভাত অগ্নিপথ আঁচনিৰ বিৰোধিতাৰে সৰ্বদলীয় প্ৰস্তাৱ গ্ৰহণৰ প্ৰসংগ উত্থাপন কৰিছিল। আম আদমী পাৰ্টি (আপ)ৰ চৰকাৰ আৰু কংগ্ৰেছৰ এই প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰে বিজেপিৰ বিধায়ক অশ্বিনী শৰ্মাই। বিজেপিৰ বিধায়কজনে কয় যে অগ্নিপথ আঁচনিৰ সন্দৰ্ভত শাসক আৰু বিৰোধীয়ে সদনক বিপথে পৰিচালিত কৰিব বিচাৰছে। ইফালে, আম আদমী পাৰ্টিয়ে প্ৰকাশ কৰা অনুসৰি কৃষকৰ আন্দোলনৰ দৰে কেন্দ্ৰৰ অগ্নিপথ আঁচনিৰ বিৰুদ্ধেও অচিৰে ব্যাপক আন্দোলন আৰম্ভ কৰা হ'ব।

# গোৱালপাৰাত ভূমিস্খলনত ২০ পৰিয়ালৰ হাহাকাৰ

## ■ চন্দৰীয়া পাথাৰ হাইস্কুলত অৱৰ্ণনীয় পৰিৱেশত লৈছে আশ্ৰয়


বানৰ কবলত আজিও বাহাৰঘাট অঞ্চল, মঙলবাৰে।

অগ্রদূত বার্তা

**মাটিয়া, ২৮ জুন ঃ** ভূমিস্খলনৰ ফলত গোৱালপাৰা চহৰৰ চন্দৰীয়া পাথাৰ হাইস্কুলত আশ্ৰয় লোৱা ২০টা পৰিয়ালৰ মাজত খাদ্যৰ অভাৱত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, চহৰৰ ওচৰতে থকা বৰপাহাৰত ভূমিস্খলন হোৱাত ১০দিন পূৰ্বে ২০ টা পৰিয়ালে চন্দৰীয়া পাথাৰ হাইস্কুলত আশ্ৰয় লৈছিল। বিগত ১০ দিনৰ ভিতৰত মাত্ৰ এদিন সাত কিলোগ্ৰাম চাউল, এক কিলোগ্ৰাম দাইল, আধা কিলোগ্ৰাম নিমখ আৰু আধালিটাৰ মিঠাতেল দিছিল প্ৰশাসনে। ইয়াৰ পাছত কোনো ধৰণৰ সাহায্য যোগান ধৰা নাই। উল্লেখ্য যে পূৱ গোৱালপাৰা বিধানসভা সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমৰ গৃহৰ পৰা মাত্ৰ এশ মিটাৰ আঁতৰত থকা শিবিৰটোত বৃদ্ধ-বৃদ্ধা, কেঁচুৱাসহ ২০ টাতকৈ অধিক পৰিয়ালৰ ডেৰ শতাধিক লোক থকা বিদ্যালয়খনত নাই খাদ্য, নাই শৌচাগাৰ, নাই প্ৰস্ৰাৱাগাৰ, নাই কোনো ধৰণৰ শিশু খাদ্য। এইদৰে খাদ্য সংকটে দেখা দিয়াত ভুক্তভোগী পৰিয়ালসমূহে সাহায্য বিচাৰি বিধায়কৰ ঘৰত তিনিবাৰকৈ যোৱাৰ পিছতো কোনো ধৰণৰ সঁহাৰি নিদিয়াত বিধায়কজনৰ বিৰুদ্ধে ক্ষোভ উজাৰে শিবিৰৰ মহিলাসকলে। ইপিনে, জিলা প্ৰশাসনৰ বিৰুদ্ধে পক্ষপাতিত্বৰ অভিযোগ কৰে শিবিৰৰ মহিলাসকলে। কিয়নো হুলুকান্দা পাহাৰৰ ভূমিস্খলন হোৱা পৰিয়ালসমুহ চহৰৰ চেণ্ট্ৰেল গাৰ্লছ হাইস্কুলত আশ্ৰয় লোৱাৰ পাছত পৰ্যাপ্ত পৰিমাণে সাহায্য পোৱাৰ বিপৰীতে চন্দৰীয়া পাথাৰ হাইস্কুলত আশ্ৰয় লোৱা লোকসকলে মাত্ৰ এদিন সাহায্য প্ৰদান কৰিছে। এনেদৰে পক্ষপাতিত্বমূলক ব্যৱস্থা পৰিহাৰ কৰি শিবিৰটোত খাদ্য সামগ্ৰী যোগান ধৰাৰ লগতে বিদ্যালয়খনত পোহৰৰ ব্যৱস্থা কৰাৰ লগতে শৌচাগাৰ, প্ৰস্ৰাৱাগাৰৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# মেৰাপানীৰ নৱজিত নাৰ্জাৰীৰ শিৰত ডান্স ইণ্ডিয়া ডান্স লিটল মাষ্টাৰ্ছৰ মুকুট



অগ্রদুত বাৰ্তা

**মেৰাপানী, ২৮ জুন ঃ** অৱশেষত আশা কৰা ধৰণেই জি টিভিৰ ডান্স ইণ্ডিয়া ডান্স লিটল মাষ্টৰ চিজন ফাইভৰ চূড়ান্ত খিতাপ জয় কৰিবলৈ সক্ষম হ'ল গোলাঘাটৰ সন্তান নৱজীত নাৰ্জাৰীয়ে। অনন্য নৃত্যশৈলীৰে লাখ লাখ অনুৰাগীৰ মন জয় কৰি চেম্পিয়নৰ খিতাপ জয় কৰা ন বছৰীয়া নৱজীতৰ সাফল্যত এতিয়া উৎফুল্লিত হৈ পৰিছে গোলাঘাট জিলাৰ মেৰাপানীৰ চাংখাতি গাঁওবাসী। অতি ভিতৰুৱা গাঁৱৰ পৰা গৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত উল্লেখনীয় সফলতা লাভ কৰাৰ ক্ষেত্ৰত ৰাজ্য তথা দেশবাসীৰ মৰম আৰু সহযোগিতাক কৃতজ্ঞতা জ্ঞাপন কৰিছে নৱজীতৰ পৰিয়ালে। যোৱা নিশা ফলাফল ঘোষণা কৰাৰ লগে লগেই নৱজীতৰ চাংখাতিস্থিত বাসগৃহলৈ হিলদ'ল ভাঙি ওলাই আহিল স্থানীয় গাঁওবাসী। উৎফুল্লিত জনতাই নৱজীতৰ সাফল্যত আনন্দত আত্মহাৰা হৈ আতচবাজী আৰু নৃত্যগীতেৰে মুখৰিত কৰি তোলে নৱজীতৰ চাংখাতি বজাৰস্থিত বাসগৃহৰ চৌহদ। উল্লেখ্য যে চেম্পিয়ন নৱজীত নাৰ্জাৰীৰ জয়ৰ হকে ৰাজ্যবাসীৰ লগতে নিখিল বড়ো ছাত্ৰ ১৩ পৃষ্ঠাত চাওক

## আইটি বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ সীমাৰ

# তেজপুৰৰ একাংশ শিক্ষানুষ্ঠানৰ আশাব্যঞ্জক ফলাফল

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৮ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল অনুসৰি, তেজপুৰ তথা শোণিতপুৰৰ কোনো শিক্ষানুষ্ঠানৰেই ছাত্ৰ-ছাত্ৰীয়ে তিনিওটা শাখাৰ শীৰ্ষ ১০টা স্থানৰ ভিতৰত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম নহ'ল যদিও চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিকৰ এগৰাকী ছাত্ৰী সীমা দেৱীয়ে আই টি বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰিছে। ইপিনে, তেজপুৰৰ গৰিমামণ্ডিত দৰং মহাবিদ্যালয়ৰ লগতে তেজপুৰ চায়েন্স একাডেমীৰ উপৰি আন একাংশ শিক্ষানুষ্ঠানৰ ফলাফল সন্তোষজনক। সুন্দৰ ফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে দৰং মহাবিদ্যালয়ৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত সৰ্বমুঠ ৯০ শতাংশ উত্তীৰ্ণ হয়। উল্লেখ্য যে দৰং মহাবিদ্যালয়ৰ পৰা এইবাৰ কলা শাখাত ২৫৬ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৫৩ গৰাকীয়ে ষ্টাৰ নম্বৰসহ ১৩১ গৰাকীয়ে প্ৰথম বিভাগ, ৭৭ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ২২ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮৯.৮৪ শতাংশ। সেইদৰে বিজ্ঞান শাখাত ১৩৮ গৰাকীয়ে অৱতীৰ্ণ হোৱাৰ পাছত ২৯ গৰাকীয়ে ষ্টাৰ নম্বৰসহ ৯৮ গৰাকীয়ে প্ৰথম বিভাগ ২৮ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ১২ গৰাকীয়ে তৃতীয় বিভাগসহ ৯০.৫৮ শতাংশ ফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাৰ লগতে বাণিজ্য বিভাগত অৱতীৰ্ণ হোৱা ১৭৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২২ গৰাকীয়ে ষ্টাৰ নম্বৰ, ৬০ গৰাকীয়ে প্ৰথম বিভাগ আৰু ৫৮ গৰাকীয়ে দ্বিতীয় বিভাগসহ ৮৯.৩৯ শতাংশ উত্তীৰ্ণ হয়। সেইদৰে তেজপুৰৰ বহুকেইগৰাকী শিক্ষানুৰাগী বিশিষ্ট ব্যক্তিৰ প্ৰচেষ্টাত ২০০২ত গঢ় লৈ উঠা তেজপুৰ চায়েন্স একাডেমীয়ে এইবাৰো এশ শতাংশ উত্তীৰ্ণৰ ফলাফলৰে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। তেজপুৰৰ মাজগাঁও স্থিত চায়েন্স একাডেমীৰ পৰা এইবাৰ বিজ্ঞান শাখাত ১৩ পৃষ্ঠাত চাওক

# গৌৰীসাগৰ-চাৰিঙৰ চাৰিখন শিক্ষানুষ্ঠানৰ উত্তীৰ্ণৰ হাৰ এশ শতাংশ

অগ্রদূত বার্তা

**গৌৰীসাগৰ, ২৮ জুন ঃ** কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত গৌৰীসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলখনে পুৰ্বৰ ১৫ বছৰীয়া ধাৰা অক্ষুণ্ণ ৰাখি এশ শতাংশ উত্তীৰ্ণৰ হাৰেৰে জিলিকি উঠিবলৈ সক্ষম হয়। ঘোষিত ফলাফল অনুসৰি, বিদ্যালয়খনৰ পৰা কলা শাখাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ৪৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ৩৮ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে ইয়াৰে ১১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ পৰা চাৰিগৰাকীয়ে দ্বিতীয় আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিদ্যালয়খনৰ এই সাফল্যত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। স্মৰ্তব্য যে বিদ্যালয়খনে এই বছৰৰ পৰা বিজ্ঞান শাখাৰো পাঠদান মুকলি কৰা বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে। অন্যহাতে, ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত চাৰিং অঞ্চলৰ দুই শিক্ষানুষ্ঠানে সন্তোষজনক ফল প্ৰদৰ্শন কৰে। ফলাফল অনুসৰি, চাৰিং দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ে পূৰ্বৰ ১০০ শতাংশৰ ধাৰা অক্ষুণ্ণ ৰাখি সদ্যঘোষিত পৰীক্ষাৰ ফলাফলতো উত্তীৰ্ণৰ হাৰ ১০০ শতাংশৰে জিলিকি উঠিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত মুঠ ১০৮ গৰাকী ছাত্ৰ- ছাত্ৰী অৱতীৰ্ণ হৈছিল। ইয়াৰে ন গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৫৫ গৰাকীয়ে প্ৰথম বিভাগ, ৪৮ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৫ পাঁচগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উল্লেখ্য যে ইয়াৰে ৭৩ গৰাকী পৰীক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত লেটাৰ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ উপৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। ইফালে, দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱতীৰ্ণ ১৩ পৃষ্ঠাত চাওক

# নলবাৰীৰ বানত ৭২৮২ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন

## ■ কৃষি বিভাগৰ কৃষকলৈ বীজ বিতৰণ আৰম্ভ

অগ্রদূত বার্তা

**নলবাৰী, ২৮ জুন ঃ** ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে নলবাৰী জিলাতো বানে সৰ্বস্তৰৰ লোকৰ বিস্তৰ ক্ষতি সাধন কৰিছে। ইয়াৰ ভিতৰত বিশেষকৈ কৃষকসকল এই বানত জুৰুলা হৈ পৰিছে। বানত জুৰুলা হোৱা কৃষকসকলক সকাহ দিবলৈ ইতিমধ্যে কৃষি বিভাগে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। উল্লেখ্য যে জিলা কৃষি বিভাগৰ সাতটা ৰাজহ চক্ৰৰ অন্তৰ্গত ১০ টা কৃষি উন্নয়ন চক্ৰৰ ৫১৭৯৩ জন লোকৰ প্ৰায় ৭২৮২ হেক্টৰ ভূমি এইবাৰৰ বানত ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত কৃষকসকলক সহায়ৰ বাবে তৎপৰ জিলা কৃষি বিভাগ। ইতিমধ্যে প্ৰায় ৭০০ হেক্টৰ খেতিৰ মাটি সামৰি ল'ব পৰাকৈ ৩৫০ কুইন্টল শালী



ধানৰ বীজ 'কমিউনিটি নাৰ্ছাৰী শীৰ্ষক' আঁচনি আৰু আন বিভাগীয় আঁচনিৰ অধীনত মুঠ ৭০০ কুইন্টল বীজৰ দ্বাৰা কঠিয়াতলি প্ৰস্তুতিৰ কাম আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা সাত হেজাৰ কৃষক লাভান্বিত হব। বানপীড়িত কৃষকে বিনামূলীয়াকৈ কঠিয়া লাভ কৰিবলৈ কৃষি উন্নয়ন বিষয়াৰ লগত যোগাযোগ কৰিবৰ বাবে আহ্বান জনাইছে জিলা কৃষি

# ৯১ শতাংশ নম্বৰেৰে দৰিদ্ৰ পৰিয়ালৰ কুলচুমাৰ সাফল্য



**খুমটাই, ২৮ জুন ঃ** প্ৰজ্ঞাৰ সাধনাৰ বাট জটিল আৰু কঠিন। শ্ৰম আৰু সাধনাৰ বাহিৰে সফলতা লাভৰ কোনো গত্যন্তৰ নাই। এই কথাকে প্ৰমাণ কৰি দেখুৱালে গোলাঘাট জিলাৰ খুমটাই সমীপৰ মেলামৰাৰ এগৰাকী দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰীয়ে। কালি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মেলামৰা জুনিয়ৰ কলেজৰ ছাত্ৰ কুলচুমা বেগমে ৯১ শতাংশ নম্বৰ লাভৰ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শাৰীৰিকভাৱে সক্ষম কুলচুমাৰ পিতৃ চফিয়তদ্দিন আহমেদ। কেৱল বিছনাখন আৰু হুইল চকীখন একমাত্ৰ সাৰথি। কুলচুমাৰ পিতৃয়ে সদৰী কৰা অনুসৰি, মাতৃ চামচুন নাহাৰে কন্যাক বিদ্যায়তনিক দিশত আগবঢ়াই নিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। লগতে ১৩ পৃষ্ঠাত চাওক

# অসমৰ বিভিন্ন প্ৰান্তৰলৈ সম্প্ৰসাৰিত হ'ব অসম ভাওনা সমাৰোহৰ কাৰ্যসূচী

## ■ প্ৰতিবছৰে ২২ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব লগা অনুষ্ঠান পৰ্যটন বিভাগৰ কেলেণ্ডাৰত ঠাই পাব

অগ্রদূত বার্তা

**কমলাবাৰী, ২৮ জুন ঃ** ২০০৬ৰ পৰা প্ৰতি দুবছৰৰ মুৰে মুৰে আউনীআটী সত্ৰৰ পৃষ্ঠপোষকতাত মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম ভাওনা সমাৰোহ অহা বছৰৰ পৰা বছৰি জানুৱাৰীৰ ২২ তাৰিখৰ অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হ'ব। অসমৰ বিভিন্ন ঠাইৰ ভাওনাপ্ৰেমী ৰাইজৰ বহুদিনীয়া অনুৰোধ ৰক্ষা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰিছে অসম ভাওনা সমাৰোহ উদ্‌যাপন সমিতিয়ে। ড° পীতাম্বৰ দেৱগোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন সভাত এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে দুবছৰৰ অন্তত সমাৰোহ ভাগি আউনীআটী মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত হ'ব যদিও বছেৰেকীয়া অনুস্থান ভাগি ৰাইজৰ অনুৰোধক সন্মান জনাই অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত ল'লেও অসম ভাওনা সমাৰোহৰ সংবিধানৰ আধাৰত নিয়ন্ত্ৰিত হ'ব। অসমৰ বিভিন্ন প্ৰান্তৰ ইছুক ৰাইজৰ আমন্ত্ৰণ ক্ৰমে অহা বছৰ ক'ত অনুষ্ঠিত কৰা হ'ব অসম ভাওনা সমাৰোহৰ উদ্‌যাপন সমিতিয়ে সিদ্ধান্ত ল'ব। আগ্ৰহী অনুষ্ঠানে এখন নিয়মাৱলীৰ আধাৰত ভাওনা সমাৰোহ অনুষ্ঠিত কৰিব পাৰিব। সভাত এইবিষয়ে বিভিন্ন দিশৰ ১৩ পৃষ্ঠাত চাওক

# আমিনগাঁও টেম্পল ঘাটত গা ধুবলৈ গৈ ছাত্ৰৰ সলিল সমাধি

অগ্রদূত বার্তা

**উত্তৰ গুৱাহাটী, ২৮ জুন ঃ** আমিনগাঁও টেম্পল ঘাটত কালি বিয়লি সংঘটিত হৈছে এক কৰুণ ঘটনা। ভৰা ব্ৰহ্মপুত্ৰত গা ধুবলৈগৈ স্কুলীয়া ছাত্ৰৰ সলিল সমাধি ঘটিল। লুইতত নিখোঁজ হৈ মৃত্যুক সাবটি লোৱা ছাত্ৰজনৰ নাম বিবেক বাহাদুৰ সোনাৰ। অষ্টম শ্ৰেণীৰ ছাত্ৰজনে বিদ্যালয়ৰ পৰা আহি সমনীয়াৰ স'তে গা ধুবলৈ নামিছিল আমিনগাঁও ফেৰীঘাটত। সমনীয়াৰ স'তে হাতে হাত ধৰি গা ধুই থাকোতে ছাত্ৰজন পানীৰ সোঁতত নিখোঁজ হয়। লগত থকা তিনি সমনীয়াই হুলস্থুল কৰাত লোকাৰণ্য হৈ পৰে নৈৰ ঘাট। ভৰা ব্ৰহ্মপুত্ৰত নিখোঁজ ছাত্ৰজনক উদ্ধাৰৰ বাবে কোনেও সাহস গোটাব নোৱাৰিলে। পাছত গুৱাহাটীৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ ততকালে ছাত্ৰজনৰ মৃতদেহ উদ্ধাৰ কৰে। মৃত বিবেক আমিনগাঁও আনন্দ হিন্দী হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছত্ৰ। মাতৃহীনা বিবেকৰ মৃতদেহ উদ্ধাৰৰ পাছতে শোকাকুল পৰিৱেশ বিৰাজ কৰে নৈৰ ঘাটত।

# ছয়গাঁও মহাবিদ্যালয়ত ড্ৰাগছৰ নিৰ্মূলকৰণৰ সজাগতা সভা সম্পন্ন



**ছয়গাঁও, ২৮ জুন ঃ** কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু ছয়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষৰ সহযোগত আজি ছয়গাঁও মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত এখন সজাগতা সভা অনুষ্ঠিত হয়। 'ড্ৰাগছৰ অপব্যৱহাৰৰ ভুক্তভোগীলৈ আইনী সাহায্য আৰু ড্ৰাগছৰ ভয়াবহতা নিৰ্মূলকৰণ' শীৰ্ষক এই সজাগতা সভাত সভাপতিত্ব কৰে ছয়গাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° নগেন কলিতাই। কামৰূপ জিলা সত্ৰ ন্যায়াধীশ তথা কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধ্যক্ষ ডাৰাক উল্লাৰ নিৰ্দেশমৰ্মে আৰু সচিব প্ৰণামী গোস্বামীৰ নেতৃত্বত অনুষ্ঠিত এই সজাগতা সভাত আদৰণি ভাষণ ৰাখে ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ কলিতাই। সমল ব্যক্তি হিচাপে উপস্থিত থাকে ক্ৰমে অধিবক্তা জেহেৰুল ইছলাম, হাফিজুৰ ৰহমান, মহিলা কোষৰ বিশেষ বিষয়া হিনা বৰ্মন আৰু ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভগৱান ডেকা। সহকাৰী অধ্যাপক উপেন ডেকাই আঁতধৰা আৰু জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্যালয়ৰ বনজিত কলিতাই উদ্দেশ্য ১৩ পৃষ্ঠাত চাওক

# এশ শতাংশ উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়ালে গোসাঁইগাঁও ছাইন্স একাডেমীয়ে

অগ্রদূত বার্তা

**শ্ৰীৰামপুৰ, ২৮ জুন ঃ** গোসাঁইগাঁও সদৰ চহৰৰ হোপনাপাৰাস্থিত গোসাঁইগাঁও মহকুমাৰ আগশাৰীৰ ব্যাক্তিগত খণ্ডৰ বিদ্যালয় গোসাঁইগাঁও ছাইন্স একাডেমীয়ে কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ১০০ শতাংশৰে উত্তীৰ্ণ হৈ সমগ্ৰ মহকুমালৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে গোসাঁইগাঁও অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ লক্ষ্য লৈ উক্ত অঞ্চলৰ কেইজমান শিক্ষিত তথা শিক্ষাপ্ৰেমী যুৱকে এক মহান উদ্দেশ্য লৈ ২০১৮ত গোসাঁইগাঁও ছাইন্স একাডেমী নামৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰে। বিদ্যালয়ৰ পৰিচালক মণ্ডলী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ নিৰলস প্ৰচেষ্টাত চাৰি বছৰৰ ভিতৰত ১৩ পৃষ্ঠাত চাওক


# আমগুৰিত প্ৰতিবাদত কৃষকে নিজেই গঢ়া তিনিখন বজাৰৰ নিবিদা স্থগিত

অগ্রদূত বার্তা

**আমগুৰি, ২৮ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ লালিম চাপৰি পঞ্চায়তৰ অন্তৰ্গত নতুনকৈ গঢ়ি উঠা দৈনিক বজাৰ, সাপ্তাহিক বজাৰ আৰু বৰাহীবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত উৰীয়াবস্তি সাপ্তাহিক বজাৰ স্থানীয় কৃষকসকলে নিজে গঢ়িছে। কিন্তু উক্ত বজাৰ তিনিখন সম্পূৰ্ণ সবল নোহোৱাকৈয়ে আমগুৰি উন্নয়ন খণ্ডৰ অধীনত নিবিদা জাৰি কৰিছিল। কিন্তু যোৱা তিনিদিনৰ আগতে নিবিদা গ্ৰহণ কৰি থকাৰ দিনাই কৃষক মুক্তি সংগ্ৰাম সমিতি, ক্ষুদ্ৰ ব্যৱসায়ীসকলে উক্ত তিনিখন বজাৰৰ নিবিদা বাতিলৰ দাবীত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। কালি চামগুৰি বজাৰস্থিত তিনিআলিত কৃষক মুক্তি সংগ্ৰাম সমিতি, চামগুৰি যুৱ সমাজ, ক্ষুদ্ৰ ব্যৱসায় আৰু ৰাইজৰ মাজত এখন ৰাজহুৱা সভা আহ্বান কৰে। বুদ্ধেশ্বৰ শেনচোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ঋতুমণি হাজৰিকা, দুলু হাজৰিকা, ছাত্ৰ মুক্তিৰ সীমান্ত গগৈ, চামগুৰি যুৱ সমাজৰ তাজউদ্দিন হাজৰিকা, সমাজসেৱক নিত্যা গোহাঁই, মুইড আলী, দেবেন গোহাঁই, ১৩ পৃষ্ঠাত চাওক

# একাগ্ৰতা থাকিলে দৈন্য যে হেঙাৰ নহয় তাৰে নিদৰ্শন মামণি সৰকাৰ

## অসমৰ ভিতৰত সৰ্বোচ্চ ৰাজনীতি বিজ্ঞানত ৯৯ নম্বৰ লাভ



অগ্রদূত বার্তা

**শ্ৰীৰামপুৰ, ২৮ জুন ঃ** ইচ্ছা শক্তি আৰু পঢ়া-শুনাৰ প্ৰতি একাগ্ৰতা থাকিলে আৰ্থিক দৈন্য যে কেতিয়াও কৃতকাৰ্যতাৰ হেঙাৰ হ'ব নোৱাৰে সেয়া প্ৰমাণ কৰি দেখুৱালে গোসাঁইগাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ এগৰাকী ছাত্ৰীয়ে। সফলতা পাবলৈ হ'লে লাগে মাথোঁ নেৰানেপেৰা প্ৰচেষ্টা, একাগ্ৰতা আৰু আত্মবিশ্বাস। তাৰেই যেন সুন্দৰ নিদৰ্শন গোসাঁইগাঁও সদৰ চহৰৰ পালপাৰাৰ নিৱাসী তথা চৰম আৰ্থিক অনাটনৰ মাজত দিন কটোৱা অমৰ সৰকাৰ আৰু স্কুলত ৰান্ধনীৰ কাম কৰা লক্ষী সৰকাৰৰ কন্যা মামণি সৰকাৰ। সীমাহীন সমস্যাৰ স'তে যুঁজি যুঁজিও নিজৰ কক্ষপথৰ পৰা কদাপি বিচলিত নোহোৱা এইগৰাকী ছাত্ৰীৰ জীৱন পৰিক্ৰমা অতিশয় কণ্টকময় যদিও নেৰানেপেৰা প্ৰচেষ্টা আৰু অধ্যৱসায়ে কালিৰ দিনটোত মামণি সৰকাৰক থিয় কৰোৱাইছে সাফল্যৰ শিখৰত। কালি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাৰ ফলাফলত যিসকল ছাত্ৰ-ছাত্ৰীয়ে কৃতকাৰ্যতাৰে ৰাজ্য তথা নিজ নিজ শিক্ষানুষ্ঠানলৈ গৌৰৱ কঢ়িয়াই আনিলে সেইসকলৰ ভিতৰত গোসাঁইগাঁৱৰ মামণি সৰকাৰকো অন্যতম বুলি আখ্যায়িত কৰিব লাগিব। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও সদৰ চহৰৰ সমীপৰ পালপাৰাৰ মামণি সৰকাৰে কালি ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত ফলাফলত গোসাঁইগাঁও মহাবিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত অসমৰ ভিতৰত সৰ্বোচ্চ ৯৯ লাভ কৰিবলৈ সক্ষম হৈ জিলাখনলৈ সুনাম কঢ়িয়াই আনিছে লগতে অন্য বিষয়সমূহতো লেটাৰ মাৰ্ক সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰি মামণি সৰকাৰে কঠোৰ দুখ- কষ্টৰ মাজেদি একান্তভাৱে অধ্যায়নত মনোযোগ ১৩ পৃষ্ঠাত চাওক

# দৰঙৰ দিব্যাংগ ৰিতুস্মিতা জিলিকিল উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত

## ■ পাঁচটাত পালে লেটাৰ নম্বৰ



অগ্রদূত বার্তা

**মঙলদৈ, ২৮ জুন ঃ** মৰম লগা এগৰাকী অষ্টাদশী। মুখত সকলোৰে অতি পৰিচিত হাঁহিটি সদায়েই জিলিকি থাকে। পিতৃ ছিপাঝাৰৰ বিজে বালিকা উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক পৱিত্ৰ হাজৰিকা। মাতৃ কবিতা এগৰাকী সু-গৃহিণী। দুয়ো মঙলদৈ নগৰৰ সমীপৰ পকাবাঙিপাৰা গাঁৱৰ বাসিন্দা। কালি কিছু বছৰ আগলৈকে পিতৃ-মাতৃৰ লগতে খুড়াক ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা প্ৰাপক শশাংক হাজৰিকা আৰু পৰিয়ালবৰ্গৰ একমাত্ৰ জীয়ৰীৰ ভৱিষ্যতক লৈ চিন্তিত আৰু সন্দিহান হৈ আছিল। হেৰাই গৈছিল তেওঁলোকৰ মুখৰ হাঁহি। কাৰণ একমাত্ৰ জীয়ৰীগৰাকীয়ে জন্মৰে পৰা শ্ৰৱণ আৰু বাকশক্তি হেৰুৱাই পেলাইছিল। উন্নত চিকিৎসাৰ বাবে দেশৰ শ্ৰেষ্ঠ চিকিৎসালয়বোৰলৈ নিয়মীয়াকৈ গৈছিল যদিও বিমৰ্ষ হৈ উভতিবলগীয়া হৈছিল। তথাপি আশা হেৰুওৱা নাছিল। অসীম ধৈৰ্য আৰু সাহসেৰে জীয়ৰীক প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ চেষ্টাৰ কোনো ক্ৰটি কৰা নাছিল। গুৱাহাটীৰ সৰস্বতী বাগধ্বনি নামৰ বিশেষ শিক্ষানুষ্ঠানত নামভৰ্তি কৰাই দিলে। মাতৃয়ে মহানগৰীতেই ভাড়াঘৰ এটিত থাকি আগবঢ়াই নিলে জীয়ৰীৰ বিশেষ শিক্ষা। সমান্তৰালভাৱে নামভৰ্তি কৰোৱালে এখন গতানুগতিক বিদ্যালয়ত। পিতৃ-মাতৃৰ এই নিৰলস প্ৰচেষ্টা অথলে নগ'ল। ২০২০ৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সাধাৰণ গণিতত ৮৬ নম্বৰসহ মুঠ ৪৩৪ নম্বৰ লাভ কৰি পিতৃ-মাতৃৰ মুখলৈ কিছু আশাৰ ৰেঙণি কঢ়িয়ালে। সুবিধাজনক ব্যতিক্ৰমী বিদ্যালয় নোপোৱাত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কলা শাখাত নামভৰ্তি কৰোৱালে দৰং জিলাৰ ছিপাঝাৰৰ পি ডি একাডেমীত। প্ৰতিগৰাকী শিক্ষকে ল'লে বিশেষ যতন। অৱশেষত এই মৰমলগা অষ্টাদশী ৰিতুস্মিতা হাজৰিকা উজলি উঠিল সোমবাৰে ঘোষণা ১৩ পৃষ্ঠাত চাওক

# ছহিদ অনিল বৰাৰ স্মৃতি দিৱসৰ প্ৰস্তুতি ঃ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ জুন ঃ** ভাষাৰ মাধ্যম আন্দোলনৰ ছহিদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱস সাত অক্টোবৰত উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলিছে। নগাঁৱৰ পলাশনী সাংস্কৃতিক মঞ্চ আৰু ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ভাৰতীয় জনতা যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ সৌজন্যত ছহিদগৰাকীৰ স্মৃতি দিৱস বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। দিৱসৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে। স্মৃতিগ্ৰন্থৰ বাবে ছহিদ অনিল বৰা আৰু অসমীয়া ভাষা সম্পৰ্কীয় লেখা বিচৰা হৈছে। লেখাসমূহ সদানন্দ বৰা সম্পাদক, স্মৃতিগ্ৰন্থ, সাং আৰু ডাক পলাশনী নগাঁও অসম এই ঠিকনাত পঠাবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে। এই সন্দৰ্ভত ৯৪৩৫১৬১১০০ নম্বৰত যোগাযোগ কৰিবলৈ জনোৱা হৈছে।

## গৌৰীসাগৰ-চাৰিঙৰ চাৰিখন শিক্ষানুষ্ঠানৰ

১২ পৃষ্ঠাৰ পৰা হোৱা মুঠ ৪৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত দুই গৰাকীয়ে লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত ১৩ গৰাকী , দ্বিতীয় বিভাগত ২৬ গৰাকী আৰু তৃতীয় বিভাগত ন গৰাকী উত্তীৰ্ণ হয়। আনহাতে, চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ ফলাফলৰ হাৰ ১০০ শতাংশ নহ'লেও উন্নতমানৰ ফল প্ৰদৰ্শন কৰে । মহাবিদ্যালয়খনৰ পৰা উক্ত পৰীক্ষাত ১৩ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। প্ৰথম বিভাগত এজন উত্তীৰ্ণ হোৱাৰ বিপৰীতে নগৰাকীয়ে দ্বিতীয় আৰু দুগৰাকী উত্তীৰ্ণ হয় তৃতীয় বিভাগত ।

## ছয়গাঁও মহাবিদ্যালয়ত ড্ৰাগছৰ

১২ পৃষ্ঠাৰ পৰা ব্যাখ্যা কৰা এই সজাগতা সভাত ছয়গাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ কমল ঠাকুৰীয়া, অধ্যাপক ড° বনমালী নাথ, ড° দীপিকা দাস, অৰূপ কুমাৰ মেধি, ড° লক্ষ্য শৰ্মাকে ধৰি বহু সংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। কে'বাশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা এই সভাত বিধায়ক ৰেকিবুদ্দিন আহমেদ উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি সাৰুৱা ভাষণ ৰাখে।

## নলবাৰীৰ বানত ৭২৮২ হেক্টৰ কৃষিভূমিৰ

১২ পৃষ্ঠাৰ পৰা বিষয়া হাবিবুল হকে। কমিউনিটি নাৰ্চাৰী, আৰ. কে. ভি. ৱাই, বি. জি.আৰ. ই. আই. আঁচনিৰ অধীনত কৃষক সকলে নিজাববীয়াকৈ কঠিয়া তলিৰ প্ৰস্তুতি চলাইছে। ইতিমধ্যে যোৱা ২৪ জুনৰ পৰা বীজ বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তদুপৰি ১৫ শ কুইন্টল বীজ আবণ্টনৰ বাবেও যোগাযোগ কৰা হৈছে। ইয়াৰ পৰাও ১৫ হেজাৰ কৃষক লভান্বিত হব। ইয়াৰ উপৰি আগন্তুক বতৰৰ ৰবিশস্যৰ আঁচনি প্ৰস্তুত কৰি বিভাগত জমা দিয়া হৈছে বুলি জিলা কৃষি বিষয়াই জানিবলৈ দিয়ে।

## অসমৰ বিভিন্ন প্ৰান্তৰলৈ সম্প্ৰসাৰিত

১২ পৃষ্ঠাৰ পৰা আলোচনা কৰি এখন নিয়মাৱলী প্ৰস্তুত কৰিবলৈ অসম ভাওনা সমাৰোহৰ উদ্‌যাপন সমিতিৰ সভাপতি সম্পাদকৰ লগতে প্ৰভাত বুঢ়া ভকত, ৰঞ্জিৎ কুমাৰ ভূঞা, ডিম্বেশ্বৰ দত্ত আদিকে ধৰি কে'বাজনো ভাওনা বিশেষজ্ঞকলৈ এখন নিয়মাৱলী প্ৰস্তুত কৰাৰ দায়িত্ব অৰ্পণ কৰে। আনহাতে, অসম ভাওনা সমাৰোহৰ প্ৰতিবছৰে ২২ জানুৱাৰীৰ দিনটোৰ পৰাই অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰি অসম চৰকাৰৰ পৰ্যটন বিভাগৰ কেলেণ্ডাৰত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিবলৈ সমিতিক দায়িত্ব অৰ্পণ কৰে।

## ৯১ শতাংশ নম্বৰেৰে দৰিদ্ৰ পৰিয়ালৰ

১২ পৃষ্ঠাৰ পৰা কুলচুমাৰ পঢ়াৰ ক্ষেত্ৰত ওচৰ-চুবুৰীয়া আৰু বহুতো শুভাকাংক্ষীৰ সহায়-সহযোগিতাৰে কুলচুমাই পৰীক্ষাত অৱতীৰ্ণ হৈছিল। আজি ভালকৈ উত্তীৰ্ণ হোৱাত সকলোকে ধন্যবাদ জনায়। আনহাতে, দৰিদ্ৰতাই কোঙা কৰা পৰিয়ালটো বৰ্তমানৰ সময়ত আৰ্থিক দৈন্যৰ বাবে কুলচুমাৰ পঢ়াৰ ক্ষেত্ৰত হেঙাৰ হৈ থিয় দিছে। কিয়নো কুলচুমাৰ পিতৃ অসুস্থতাৰ বাবে কেৱল মাতৃৰ লগতে তেওঁ নিজে আৰু কষ্ট কৰি পৰিয়ালটো চলাই আহিছিল। জীৱন-জীৱিকাৰ তাড়নাত কেতিয়াবা দিন হাজিৰা কৰিবলগীয়া হৈছিল। ইফালে, ছাত্ৰগৰাকীয়ে অশেষ কষ্টৰে অধ্যয়ন কৰি অতি পিছপৰা অঞ্চলৰ পৰা ছটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰে। কুলচুমাই অসমীয়াত ৯২, ইংৰাজীত ৮৩, অৰ্থনীতি বিজ্ঞানত ৮৮, ৰাজনীতি বিজ্ঞানত ৮০, বুৰঞ্জীত ৯৫ আৰু শিক্ষাতত্ত্বত ৯৭ নম্বৰ লাভ কৰে। ছাত্ৰীগৰাকীৰ ফলাফলত মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীকে ধৰি মেলামৰাবাসী উৎফুল্লিত হৈ পৰিছে।

## এশ শতাংশ উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়ালে

১২ পৃষ্ঠাৰ পৰা বিদ্যালয়খন এক আগশাৰীৰ শিক্ষানুষ্ঠানৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। এইবেলি উক্ত বিদ্যালয় খনৰ পৰা বিজ্ঞান শাখাত সৰ্বমুঠ ৭৭ গৰাকী ছাত্ৰ-ছাত্ৰী উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল । ইয়াৰে তিনিগৰাকী ডিষ্টিংছন আৰু ১১ গৰাকী ষ্টাৰসহ প্ৰথম বিভাগত ৫৯ আৰু দ্বিতীয় বিভাগত ১৮ গৰাকীসহ এশ শতাংশ উত্তীৰ্ণ হয় । আনহাতে, কলা শাখাত সৰ্বমুঠ ৩৪ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল । ইয়াৰে দুইগৰাকী ডিষ্টিংছন আৰু আঠগৰাকী ষ্টাৰসহ প্ৰথম বিভাগত ২৩ গৰাকী, দ্বিতীয় বিভাগত ন গৰাকী আৰু তৃতীয় বিভাগত দুইগৰাকীসহ এশ শতাংশে উৰ্ত্তীৰ্ণ হয়। উল্লেখ্য যে কলা শাখাত বিদ্যালয়ৰ পৰা এইবেলি প্ৰথমবাৰ ছাত্ৰ-ছাত্ৰীসকল অৱতীৰ্ণ হৈছিল । পৰীক্ষাৰ ফলাফলে বিদ্যালয়ত এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলে মিঠাই খাই ফটকা ফুটাই আনন্দ উল্লাস কৰে। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ সঞ্চালক ছাদ্দাম হুছেইনে এই ফলাফলৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষাৰ্থীসকলক ধন্যবাদ জ্ঞাপন কৰে। গোসাঁইগাঁও ছাইন্স একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান আৰু কলা শাখাত চমৎকাৰী ফলাফল দাঙি ধৰাত শিক্ষক- শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে কালি শোভাযাত্ৰা উলিয়াই উল্লাস প্ৰকাশ কৰে।

## দৰঙৰ দিব্যাংগ ৰিতুস্মিতা জিলিকিল

১২ পৃষ্ঠাৰ পৰা কৰা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত। ইংৰাজীত ৭৫, অসমীয়াত ৮৬, শিক্ষাত ৮৫, ভূগোলত ৮৯, তৰ্কশাস্ত্ৰ আৰু দৰ্শনত ৯২ আৰু ৰাজনীতি বিজ্ঞানত ৮৩ নম্বৰেৰে মুঠ ৪২৭ নম্বৰ লাভ কৰি পুনৰ আশাৰ কিৰণ কঢ়িয়াই আনিলে ৰিতুস্মিতাই । দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চতৰ শিক্ষাৰ বিশেষ শিক্ষানুষ্ঠান ৰাজ্যখনত নথকাত পিতৃ-মাতৃ কিছু চিন্তিত যদিও সাধাৰণ মহাবিদ্যালয়তে নামভৰ্তি কৰাই দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে । প্ৰবাদ প্ৰতীম দিব্যাংগ 'হেলেন আদামচ কেলাৰ'ৰ পদাংক অনুসৰণ কৰি জীয়ৰীক সমাজত প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ পিতৃ-মাতৃ আৰু খুড়াক। 'কোনো সা সুবিধা নথকা তাহানিৰ দিনতেই 'হেলেন কেলাৰে' নিজৰ প্ৰতিবন্ধকতা নেওচি নিজকে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল ।

## একাগ্ৰতা থাকিলে দৈন্য যে হেঙাৰ

১২ পৃষ্ঠাৰ পৰা দি কালি এই সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। মামণিৰ পিতৃয়ে দিন হাজিৰা কৰে, মাতৃয়ে নেতাজী হাইস্কুলত ৰান্ধনীৰ কাম কৰে। অতি কষ্টৰ মাজৰে পৰিয়ালটো দৰিদ্ৰতাৰ স'তে সংগ্ৰাম কৰি চলে। কিন্তু সীমাহীন সমস্যাৰ মাজতো মামনি সৰকাৰে আৰ্থিক দীনতাক প্ৰত্যাহ্বান হিচাপে লৈ নিজৰ ভৱিষ্যতটোক মহীয়ান কৰি তোলাৰ একাগ্ৰতাৰে অধ্যয়ন কৰি কালি সমগ্ৰ গোসাঁইগাঁওবাসীক গৌৰৱান্বিত কৰি ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। আৰ্থিক অৱস্থাত জুৰুলা পৰিয়ালৰ হোৱা হেতুকে মামণিয়ে ভৱিষ্যত উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত যে এক ডাঙৰ সমস্যা আহিব সেই লৈ মামণি চিন্তিত হৈ পৰিছে । পঢ়াৰ বাবে মামণিৰ এখন টেবুলো নাই। তথাপি মামণিয়ে বুকুত সপোন ৰচিছে ভৱিষ্যত ৰেল বিভাগৰ এগৰাকী উচ্চ পদস্থ বিষয়া হোৱাৰ । মামণিয়ে উচ্চ শিক্ষা লাভৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যাতে সহায়ৰ হাত আগবঢ়ায় তাৰ বাবে বিনম্ৰতাৰে অনুৰোধ জনাইছে ।

## আমগুৰিত প্ৰতিবাদত কৃষকে নিজেই গঢ়া

১২ পৃষ্ঠাৰ পৰা নিপুল আহমেদে বক্তব্য প্ৰদান কৰি শেষত সকলো ব্যৱসায় আৰু ৰাইজৰ সন্মতি ক্ৰমে উক্ত তিনিখন বজাৰত কোনো কৰ তুলিবলৈ দিয়া নহ'ব বুলি আৰু প্ৰয়োজনত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। ৰাইজৰ হৈ এখন স্মাৰকপত্ৰ আমগুৰি খণ্ড উন্নয়ন বিষয়াক প্ৰদান কৰে। লগতে কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ৰাইজৰ লগত আমগুৰি উন্নয়ন খণ্ডৰ কাৰ্যালয়ত আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী, আঞ্চলিক সদস্য- সদস্যা আৰু আমগুৰি খণ্ড উন্নয়ন বিষয়াৰ স'তে এক আলোচনাত মিলিত হয়। উক্ত তিনিখন বজাৰৰ নিবিদাত বিসংগতি হোৱাৰ বাবে আকৌ নিবিদা কৰিব লাগে। কিন্তু খণ্ড উন্নয়ন বিষয়া আৰু আঞ্চলিক পঞ্চায়তৰ বিষয়ববীয়াসকলে পুনৰ নিবিদা অনুষ্ঠিত নকৰাৰ প্ৰতিশ্ৰুতি দিয়ে। থলুৱা কৃষক আৰু পেটে-ভাতে খাই জীৱন নিৰ্বাহ কৰি থকা ক্ষুদ্ৰ ব্যৱসায়সকলৰ স্বাৰ্থত উক্ত বজাৰ তিনিখনৰ নিবিদা পুনৰ অনুষ্ঠিত নকৰাৰ সিদ্ধান্তক লৈ আমগুৰি খণ্ড উন্নয়ন বিষয়া, আঞ্চলিক পঞ্চায়তৰ বিষয়ববীয়াসকলক ৰাইজে ধন্যবাদ জনায়।

## মেৰাপানীৰ নৰজিত নাৰ্জাৰীৰ শিৰত

১২ পৃষ্ঠাৰ পৰা সন্থা, আছু আৰু বড়ো সাহিত্য সভাই ব্যাপক প্ৰচাৰ অভিযান চলাইছিল। নৰজীতে ৰিয়েলিটি শ্ব'টোৰ চেম্পিয়ন হোৱা সূত্ৰে ট্ৰফি সহিতে নগদ ১০ লাখ টকাৰ পুৰস্কাৰ লাভ কৰে। অতিকৈ দৰিদ্ৰ পৰিয়ালৰ উপেন নাৰ্জাৰী আৰু অনু নাৰ্জাৰীৰ সন্তান নৰজীতে কঠোৰ অনুশীলন আৰু পৰিশ্ৰমৰ বলত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰিয়েলিটি শ্ব'টোত স্থান লাভ কৰিছিল। ৰিয়েলিটি শ্ব'টোত প্ৰাৰম্ভিক ৰাউণ্ডতে নৰজীতৰ অনন্য নৃত্যশৈলীয়ে বিচাৰক তথা আমন্ত্ৰিত চেলেব্ৰেটিসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। কাৰ্বি আংলঙৰ নৃত্য প্ৰশিক্ষক দীপিকা মাঝিৰ তত্ত্বাৱধানত নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰা নৰজীত নাৰ্জাৰীয়ে ৰিয়েলিটি শ্ব'টোৰ প্ৰথমটো খণ্ডৰ পৰাই ৰাইজৰ সৰ্বাধিক ভোট লাভ কৰি শীৰ্ষস্থানত উপনিত হৈছিল। নৰজীতৰ এই সফলতাত এতিয়া মেৰাপানী সীমান্তবাসীৰ লগতে ৰাজ্যবাসীয়ে গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে ।

## তেজপুৰৰ একাংশ শিক্ষানুষ্ঠানৰ

১২ পৃষ্ঠাৰ পৰা ৬২ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৬০ গৰাকীয়ে প্ৰথম বিভাগ আৰু দুগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। কলা শাখাত ৪০ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে ২৩ গৰাকীয়ে প্ৰথম বিভাগ, ১৫ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু দুগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। একেদৰে তেজপুৰৰ কেতেকীবাৰী স্থিত আছামভেলী একাডেমীৰ ছিনিয়ৰ ছেকেণ্ডৰী বিদ্যালয়তো কলা আৰু বাণিজ্য বিভাগৰ শিক্ষাৰ্থীসকলে সুন্দৰ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। শিক্ষানুষ্ঠানখনৰ পৰা কলা বিভাগত ১২৩ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ১২০ গৰাকী উত্তীৰ্ণ হয়। ৯৮ শতাংশ উত্তীৰ্ণ হোৱা শিক্ষানুষ্ঠানখনৰ কলা শাখাত ছয় গৰাকীয়ে ষ্টাৰ নম্বৰ, ২৯ গৰাকীয়ে প্ৰথম বিভাগ, ৫৪ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে ৪৬ টা লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। একেদৰে বাণিজ্য বিভাগৰ ১৫ গৰাকীৰ ভিতৰত ১৫ গৰাকীয়েই উত্তীৰ্ণ হোৱাৰ বিপৰীতে ১০ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সেইদৰে চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলেও বিহগুৰি অঞ্চললৈ এশ শতাংশ উত্তীৰ্ণৰে সুখ্যাতি কঢ়িয়াই আনিছে। বিদ্যালয়খনৰ পৰা ১০জনে ষ্টাৰ নম্বৰসহ ৫৫ জনে প্ৰথম বিভাগত, ৬৭জনে দ্বিতীয় বিভাগত আৰু তৃতীয় বিভাগত পাঁচজন উত্তীৰ্ণ হয়।

# খেৰণিৰ কপিলীৰ বুকুত অবৈধ খনন বালি মাফিয়াৰ

### নিৰ্বিকাৰ বন বিভাগ-জিলা প্ৰশাসন



অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৮ জুন ঃ** অবৈধ বালি খননে সম্প্ৰতি পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ কপিলী নৈৰ গতি সলনি হোৱাৰ আশংকাই প্ৰকট হৈ পৰিছে। মাহটোৰ ভিতৰত দুবাৰকৈ অহা প্ৰলয়ংকৰী বানে কপিলীপৰীয়াৰ মাটি-ভেটি জাহ যোৱাৰ উপৰি ঘৰ-বাৰী তচনচ কৰি পেলোৱাৰ মাজত পুনৰ বালি মাফিয়াৰ তাণ্ডৱে একপ্ৰকাৰৰ দিক্‌বিদিক হেৰুৱাই পেলাইছে কপিলীপৰীয়াবাসীক। এক্সকেভেটৰ যন্ত্ৰচালিত মেচিন আৰু ডাম্পাৰ ব্যৱহাৰ কৰি নিতৌ ডাম্পাৰে ডাম্পাৰে কঢ়িয়াইছে বালি। কপিলীৰ বুকুত এনেদৰে চলিছে বালি মাফিয়াৰ অবৈধ খনন কাৰ্য। পশ্চিম কাৰ্বি আংলঙৰ খেৰণিৰ পৰা নিতৌ ডাম্পাৰে ডাম্পাৰে বালি কঢ়িয়াই বহিঃজিলালৈ কঢ়িয়াইছে বালি। নামত আছে বালি মহলৰ কাগজ পত্ৰ; কিন্তু কাৰ্যতঃ বালি মাফিয়াই এখন চালানেৰেই একো একোখন ডাম্পাৰত নিতৌ অবৈধভাৱে চাৰি-পাঁচবাৰকৈ কঢ়িয়াইছে বালি। এই বালি নিতৌ লংকা, হোজাই, লামডিঙলৈ অবৈধভাৱে সৰবৰাহ কৰে বালি মাফিয়াৰ একাধিক ডাম্পাৰেৰে। যাৰ পৰিপ্ৰেক্ষিতত ডাম্পাৰৰ দৌৰাত্ম্য আৰু পকী পথ বিনষ্ট হোৱাৰ উপৰি খহনীয়াৰ দৰে ভয়াৱহ কাৰ্যক লৈও সম্প্ৰতি অতিষ্ঠ অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজৰ। আনকি খেৰণি কাছাৰী গাঁৱৰ পথেৰে ডাম্পাৰ চলাচলত গাঁওবাসীয়ে বাধা প্ৰদান কৰিছে যদিও কাণসাৰ নাই জিলা বন বিভাগ কিম্বা জিলা প্ৰশাসনৰ। ইপিনে, বৈধ-অবৈধভাৱে খনন কৰি বালি নিয়াত কুম্ভকৰ্ণ নিদ্ৰাত থকা খেৰণি বন বিভাগ সম্প্ৰতি নেদেখাৰ ভাওঁ ধৰিছে। উল্লেখ্য যে খেৰণি বন বিষয়াৰ দক্ষিণ বন সংমণ্ডলৰ কাৰ্যালয়ৰ পৰা কেৱল মাত্ৰ পাঁচ-ছশ মিটাৰ দূৰত্বতে চলে এই অবৈধ বালি খননৰ বেহা। এইখিনিতেই এটা কথা ক'ব লাগিব কাকো কেৰেপ নকৰা বালি মাফিয়াই কাৰ ছত্ৰছাঁয়াত এই বিশাল বালি খনন আৰু অবৈধ বেহা চলাইছে এয়া অঞ্চলবাসী ৰাইজৰ বাবে সম্প্ৰতি হৈ পৰিছে কোটিটকীয়া প্ৰশ্ন।

## বৰপথাৰত অস্বাস্থ্যকৰ পৰিৱেশত আইচক্ৰীম উদ্যোগ

**বৰপথাৰ, ২৮ জুন ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৰপথাৰত অস্বাস্থ্যকৰ পৰিৱেশত গঢ়ি উঠিছে আইচক্ৰীম প্ৰস্তুত কৰা উদ্যোগ। বৰপথাৰ পৌৰসভাৰ নিচেই কাষতে থকা আইচক্ৰীম প্ৰস্তুত কৰা উদ্যোগৰ বিৰুদ্ধে বিভিন্ন অনিয়মৰ অভিযোগ তুলিছে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বৰপথাৰ শাখাই। উত্থাপিত অভিযোগ অনুসৰি এই আইচক্ৰীম প্ৰস্তুত কৰা উদ্যোগটোত অতি লেতেৰা পৰিৱেশত আইচক্ৰীম প্ৰস্তুত কৰাৰ লগতে পোনপটীয়াকৈ মটৰেৰে পানী উঠাই সেই পানীৰে আইচক্ৰীম প্ৰস্তুত কৰি আহিছে। তদুপৰি উক্ত বৰফ ফেক্টৰীটোত নাই কোনো পানী ফিল্টাৰ কৰাৰ ব্যৱস্থা। মাহজুৰি টেংকীত মজুত কৰি ৰখা অতি লেতেৰা পানীৰেই আইচক্ৰীম প্ৰস্তুত কৰি মানুহক খুৱাই আহিছে। তদুপৰি উক্ত আইচক্ৰীম উদ্যোগত নাই কোনো বিজ্ঞানসন্মত ব্যৱস্থা। আনহাতে, বৰপথাৰ নগৰৰ আশে-পাশে আছে কে'বাখনো চাহ বাগিচা। এই চাহ বাগিচাসমূহৰ মাজত থকা বিদ্যালয়সমূহৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উক্ত উদ্যোগটোত প্ৰস্তুত কৰা আইচক্ৰীম খাই জ্বৰ, কাহ, ডায়েৰীয়া আদি অসুখত ভুগিছে বুলি অভিযোগ তুলিছে আটছাই। ইফালে, সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে লৈ ধনশিৰি মহকুমা প্ৰশাসনক উক্ত আইচক্ৰীম উদ্যোগটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ছাত্ৰ সংগঠনটোৱে।

## ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক গোসাঁইগাঁও জিলা ইউপিপিএলৰ শুভেচ্ছা

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৮ জুন ঃ** : এনডিএ প্ৰক্ষেপিত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক কালি ইউপিপিএলৰ গোসাঁইগাঁও জিলা সমিতিৰ পৰা শুভেচ্ছা জ্ঞাপন কৰা হয়। এই উপলক্ষে সন্ধিয়া ইউপিপিএলৰ গোসাঁইগাঁও জিলা সমিতিৰ কাৰ্যালয় প্ৰাংগণত জিলা সভাপতি অনিন্দ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত ইউপিপিএলৰ কেন্দ্ৰীয় সম্পাদক ৰাজু নাৰ্জাৰীয়ে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক শুভেচ্ছা জনাই কয় যে দেশত প্ৰথমবাৰৰ বাবে অনুসূচিত জনজাতি সম্প্ৰদায়ৰ পৰা ৰাষ্ট্ৰপতি হ'বলৈ গৈ আছে। অহা ১৮ জুলাইৰ নিৰ্বাচনত দ্ৰৌপদী মুৰ্মুৰ জয় নিশ্চিত বুলি দাবী কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ, সবকা বিশ্বাসৰ শ্ল'গান বাস্তৱত পৰিণত হৈছে । দেশৰ জনসংখ্যাৰ ন শতাংশ জনসংখ্যা অনুসূচিত জনজাতিৰ যদিও আজিলৈকে দেশৰ শীৰ্ষ পদবী ৰাষ্ট্ৰপতিৰ পদত এই জনগোষ্ঠীৰ পৰা কোনেও এই পদ পোৱা নাই। গতিকে এনডিএ চৰকাৰে যি সকলৰ বাবে চিন্তা কৰে এই সিদ্ধান্তই সেই কথাকেই প্ৰমাণ কৰিছে। এনে সিদ্ধান্তৰ বাবে প্ৰধানমন্ত্ৰী মোদীক সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীয়ে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োকো ধন্যবাদ জ্ঞাপন কৰে। ইপিনে, সভাত উপস্থিত ইউপিপিএলৰ অ'বিচি মৰ্চাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পদ লাভ কৰা প্ৰাক্তন কাৰ্যবাহী সদস্য খ্ৰীষ্টম টুডু আৰু গোসাঁইগাঁও জিলা যুব ইউপিপিএলৰ সম্পাদক তথা অধিবক্তা মাফিজুৰ ৰহমানক ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ আইনী কোষত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ বাবে আজিৰ সভাতেই সম্বৰ্ধনা জনোৱা হয়।

## এছকাৰ্ড বেংকৰ হোজাই শাখাত তলা আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৮ জুন ঃ** হোজাইৰ নীলবাগানত অৱস্থিত অসম ৰাজ্যিক সমবায় কৃষি আৰু গ্ৰাম্য বিকাশ বেংক লিমিটেড চমুকৈ এছকাৰ্ড বেংকৰ হোজাই শাখা কাৰ্যালয়ত কালি তলা ওলমাই ছীল কৰে হোজাই আৰক্ষীয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে কালি সমগ্ৰ নথিপত্ৰ জব্দ কৰি বেংকৰ কাৰ্যালয়টো ছীল কৰে। উল্লেখ্য যে বেংকৰ এই কাৰ্যালয়টো বিগত ১৫-২০ বছৰৰ পৰা বন্ধ হৈ আছিল। বেংকৰ কৰ্মচাৰীসকলেও ১৫-২০ বছৰৰ পৰা দৰমহা নোপোৱাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। উচ্চ ন্যায়ালয়ৰ ডব্লিউ পি চি নম্বৰ ৪০৪/২০ নম্বৰ নিৰ্দেশ মতে, আজি নীলবাগানস্থিত এছকাৰ্ড বেংকৰ সমস্ত নথিপত্ৰ আৰক্ষীয়ে জব্দ কৰে। বিগত ১৯৯৫ৰে পৰা কৰ্মচাৰীসকলে মাহেকীয়া দৰমহা নোপোৱাত বিগত ২০২০ত গুৱাহাটী উচ্চ ন্যায়ালয়ত কৰ্মচাৰীসকলে এখন লেখ আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত কালি বেংকৰ নথিপত্ৰসমূহ জব্দ কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই নিৰ্দেশযোগে সকলো এছকাৰ্ড বেংক ছীল কৰিবলৈ নিৰ্দেশ দিছিল।

## বিভিএফচিএল চিকিৎসালয় নৱীকৰণৰ আধাৰশিলা স্থাপন

### ৰাইজৰ বাবে মুকলি কৰা হ'ল উন্নতমানৰ মাইক্ৰ'পেথ লেবৰেট'ৰী- আলট্ৰাছাউণ্ড মেচিন

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ২৮ জুন ঃ** নামৰূপ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ অধীনৰ চিকিৎসালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ উদ্দেশ্যে অসম চৰকাৰে প্ৰত্যক্ষভাৱে হস্তক্ষেপ কৰি কালি নৱীকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰে বিধায়ক তৰংগ গগৈয়ে। ২০২১-২২ৰ অসম চৰকাৰৰ অৰ্নিধাৰিত পুঁজিৰ প্ৰায় ৩.৫ কোটি টকা ব্যয় সাপেক্ষে এই চিকিৎসালয়ৰ আন্তঃগাঁথনি সম্পূৰ্ণ সলনি কৰি এখন বিশেষ উন্নত চিকিৎসালয় নিৰ্মাণৰ পৰিকল্পনাৰে উদ্যোগটোৰ চিএমডি ডাঃ শিৱ প্ৰসাদ মহান্তিৰ উপস্থিতিত নাহৰকটীয়া সমষ্টিৰ বিধায়ক গগৈয়ে বিভিএফচিএল চিকিৎসালয় প্ৰাংগণত উক্ত কামৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ পাঁচ জানুৱাৰীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নামৰূপস্থিত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজ কৰ্প'ৰেচন লিমিটেডৰ চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ আন্তঃগাঁথনি পৰিদৰ্শন কৰি ব্যক্ত কৰিছিল যে নামৰূপ সাৰ কাৰখানাৰ



চিকিৎসালয়খন অতি পুৰণি আৰু ইয়াৰ আচবাবসমূহো নষ্ট হৈছে। কিন্তু অসম চৰকাৰে এনএইছএমক লগত লৈ চিকিৎসালয়খন নতুন প্ৰযুক্তিৰে সজাই-পৰাই তুলিবৰ বাবে ইতিমধ্যে ৩.৫০ কোটি ব্যয় কৰাৰ কথা ঘোষণা কৰিছিল। ঘোষণামৰ্মে দুমাহ পূৰ্বেই চিকিৎসালয় পুনৰ নিৰ্মাণৰ বাবদ প্ৰথম কিস্তিত দুই কোটি টকা চৰকাৰে মোকলাই দিলে। আজি আধাৰশিলা অনুষ্ঠানত এই সন্দৰ্ভত বিধায়ক গগৈয়ে কয় যে বিভিএফচিএল আৰু অসম চৰকাৰৰ মাজৰ কিছু নীতিগত কাম-কাজ বাকী থকা বাবে নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাত পলম হৈছে। প্ৰায় তিনি মাহৰ ভিতৰতে এই নৱীকৰণৰ কাম সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি কয় যে এই চিকিৎসালয়খন সম্পূৰ্ণ হৈ উঠিলে কেৱল বিভিএফচিএলৰ কৰ্মচাৰীসকলেই নহয় সমগ্ৰ নামৰূপবাসী উপকৃত হ'ব। ইফালে, আজি বিভিএফচিএলৰ তৰফৰ পৰাও স্বাস্থ্য সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা কৰিব পৰা উন্নত মানৰ এটা মাইক্ৰ'পেথ লেবৰেট'ৰী আৰু আলট্ৰাছাউণ্ড মেচিন ৰাইজৰ সেৱাৰ বাবে আগবঢ়ায় আৰু এই লেবৰেটৰী মুকলি কৰে বিধায়কজনে। এই সন্দৰ্ভত চিএমডি মহান্তিয়ে কয় যে উক্ত লেবৰেট'ৰীত উদ্যোগটোৰ বিষয়া-কৰ্মচাৰীসকলে ৪০ শতাংশ ৰেহাইত আৰু সাধাৰণ ৰাইজে ১৫-২০ শতাংশ ৰেহাইত স্বাস্থ্য সম্পৰ্কীয় পৰীক্ষাসমূহ কৰিব পাৰিব।

## দুলীয়াজনত পথ দুৰ্ঘটনাত যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২৮ জুন ঃ** আজি পুৱা তৈলনগৰী দুলীয়াজানৰ জয়ানগৰৰ সমীপত এখন ট্ৰেইলৰ গাড়ী আৰু এখন মটৰ চাইকেলৰ মাজত সংঘটিত পথ দুৰ্ঘটনাত মটৰ চাইকেল আৰোহীজনৰ ঘটনাস্থলীতেই মৃত্যু ঘটে। মৃত যুৱকজন বকুলনী শাখা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ কৰ্মচাৰী সৌৰভ দত্ত (৩৩)। তথ্য মতে, পুৱা সৌৰভে নিজৰ এএছ-০৬ এবি-৪২৬৭ নম্বৰৰ মটৰ চাইকেলখনেৰে নিজ কৰ্মস্থলীলৈ গৈ থকা অৱস্থাত জয়ানগৰৰ সমীপত এখন ট্ৰেইলৰ গাড়ীয়ে অতিক্ৰম কৰিবলৈ চেষ্টা কৰোঁতেই উক্ত ঘটনা সংঘটিত হয়। ফলত যুৱকজনৰ ঘটনাস্থলীতেই মৃত্যু হয়। ঘটনাৰ সন্দৰ্ভত অৱগত দুলীয়াজান আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

## বিহগুৰিত ২০ জুলাইত আৰম্ভ হ'ব কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু শতবাৰ্ষিকীৰ কাৰ্যসূচী

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৮ জুন ঃ** গভীৰ সামাজিক দায়িত্ববোধ আৰু অতুলনীয় দেশ প্ৰেমেৰে অতি কম সময়ৰ ভিতৰতে অসম তথা ভাৰতৰ জাতীয় জীৱনত এক কিংবদন্তিত পৰিণত হোৱা কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু শতবাৰ্ষিকী বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ প্ৰস্তুত চলিছে চন্দ্ৰনাথ শৰ্মাৰ জন্মভূমি বিহগুৰিত। বিহগুৰিৰ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনত যোৱা ২০ এপ্ৰিলত অনুষ্ঠিত ৰাজহুৱা সভাত ড° জ্যোতিকমল হাজৰিকাক সভাপতি, পুতুল বৰা, দিলীপ বৰাক উপ-সভাপতি, ত্ৰৈলোক্য মোহন নাথক সম্পাদক আৰু মুনীন্দ্ৰ কুমাৰ নাথ, বিষ্ণু ৰাম দাস, বিনিতা সূত কটকীক সহকাৰী সম্পাদকৰূপে লৈ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষ সোঁৱৰণ সমিতি গঠন কৰা হয়। প্ৰাক স্বাধীনতা যুগৰ অসমৰ প্ৰগতিশীল নেতা চন্দ্ৰনাথ শৰ্মাৰ কৰ্মৰাজি তথা দেশপ্ৰেম বৰ্তমানৰ প্ৰজন্মক পৰিচয় কৰোৱাৰ মানসেৰে ১৯৮৯ত বিহগুৰিত কৰ্মবীজনৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰাৰ পাছত সম্প্ৰতি মৃত্যু শতবাৰ্ষিকী অনুষ্ঠিত কৰাৰ প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ কৰিছে বিহগুৰিৰ ৰাইজে। সেই উপলক্ষে ২০ জুলাইত তেওঁৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হ'ব মৃত্যু শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠান। বিহগুৰিৰ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনৰ উদ্যোগ আৰু বিহগুৰিয়া ৰাইজৰ সহযোগত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনত অনুষ্ঠিত হ'বলগীয়া সমূহ কাৰ্যক্ৰমণিকাত ৰাইজৰ সহায়-সহযোগ উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## বাতৰি কাকত বিক্ৰী কৰি নিজেই বাতৰিৰ শিৰোনাম দখল কৰিলে মানস প্ৰতিম বৰদলৈয়ে

### অৰ্থনীতি বিজ্ঞানত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ নম্বৰেৰে উজলিল দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ

**তিতাবৰ, ২৮ জুন ঃ** আৰ্থিক দৈন্যৰ বাবেই ঘৰে ঘৰে বাতৰি কাকত বিক্ৰী কৰি অৱশেষত নিজেই বাতৰিৰ শিৰোনাম দখল কৰিবলৈ সক্ষম হ'ল তিতাবৰৰ আটলান্টিক ছিনিয়ৰ ছেকেণ্ডাৰী শিক্ষানুষ্ঠানৰ মেধাৱী ছাত্ৰ মানস প্ৰতিম বৰদলৈয়ে। সদ্যঘোষিত উচ্চ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ৯৩ শতাংশৰে ৪৬৭ নম্বৰ লাভ কৰাৰ লগতে অৰ্থনীতি বিজ্ঞানত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ ৯৯ নম্বৰ লাভ কৰি উজলি উঠিছে ছাত্ৰজন। ইংৰাজীত ৮৫, অসমীয়াত ৯৫, ৰাজনীতি বিজ্ঞানত ৯৬, ভূগোল বিজ্ঞানত ৯২, শিক্ষাত ৯৯ লাভ কৰা মেধাৱী ছাত্ৰজনে মাত্ৰ ছয় নম্বৰৰ বাবে দশম স্থানত অন্তৰ্ভুক্ত হোৱাৰ পৰা থমকি ৰ'ব লগা হয়। ফলাফল লাভ কৰাৰ লগে লগে আনন্দত উৎফুল্লিত হৈ পৰা মানসে ভৱিষ্যতে এজন দেশৰ সু-নাগৰিক হ'ব বুলি মন্তব্য কৰে। উল্লেখ্য যে মানস নামৰ ছাত্ৰজনে আৰ্থিক দৈন্যৰ বাবেই অধ্যয়নৰ ক্ষেত্ৰত



যথেষ্ট সংগ্ৰাম কৰিব লগা হৈছিল। দুটা বছৰৰ পূৰ্বে পিতৃৰ বিয়োগ ঘটাত মাতৃৰ স'তে পৰিয়ালটো চলাই নিবলৈ বাতৰি কাকত বিক্ৰী কৰিছিল ছাত্ৰজনে। পৰৱৰ্তী সময়ত আটলান্টিক ছিনিয়ৰ ছেকেণ্ডাৰী কৰ্তৃপক্ষই দুটা বছৰৰ বাবে ছাত্ৰজনৰ পঢ়াৰ সম্পূৰ্ণ ব্যয় নিজাববীয়াকৈ কৰি অধ্যয়নৰ সুবিধা প্ৰদান কৰিছিল। অতি কষ্টৰ মাজেৰে অধ্যয়ন কৰিব লগা হোৱা ছাত্ৰজনে অৱশেষত বোকাৰ পদুম হৈ উজলি উঠিল উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত। পুত্ৰৰ এই সফলতাত আবেগিক হৈ পৰে মাতৃ ৰেখা বৰদলৈ। উল্লেখ্য যে তিতাবৰৰ জালুকনিবাৰী আটলান্টিক ছিনিয়ৰ ছেকেণ্ডাৰীৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ২২ শিক্ষাৰ্থীৰ ভিতৰত ২১ গৰাকীয়ে প্ৰথম আৰু এগৰাকীয়ে দ্বিতীয় স্থান লাভ কৰিছে। উত্তীৰ্ণ সকলে ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা জনাইছে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষা শান্তি ফুকন শইকীয়া আৰু সঞ্চালক ভাস্কৰজ্যোতি শইকীয়াই।

## ডিআইডি লিটিল মাষ্টাৰ আপোন পেগুক জামুগুৰিহাটত অভিনন্দন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৮ জুন ঃ** এইবাৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে অসম কন্যা তথা ধেমাজিৰ নিৱাসী আপোন পেগুৱে। ৰাষ্ট্ৰীয় টেলিভিছন চেনেলৰ ৰিয়েলিটি শ্ব' ডিইডি লিটিল মাষ্টাৰ ছিজন-৫ৰ প্ৰথম ৰাণাৰছ আপ অসম জীয়ৰী আপোন পেগু গৃহমুখী যাত্ৰাত আজি জামুগুৰিহাটৰ জীয়াভৰলীপাৰৰ মিচিং সমাজে উষ্ম আদৰণি জনায়। ঢোল, তালৰ ধ্বনিৰে অসম কন্যা আপোনক উষ্ম আদৰণি জনায় টিএমপিকেৰ লগতে জীয়াভৰলী মিচিং সমাজে।



## পৰীক্ষাৰ পাছতে নাম প্ৰত্যাহাৰ কৰিলে মাৰ্টিন-বেৰেটিনিয়ে

# উইম্বলডনতো কৰ'না আতংক




**লণ্ডন, ২৮ জুন ঃ** আন্তৰ্জাতিক ক্ৰিকেট চলি থকাৰ লগতে ইংলণ্ডত আৰম্ভ হৈছে বছৰৰ তৃতীয়খন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন। কিন্তু কৰ'নাৰ ত্ৰাসে সকলোকে চিন্তি কৰি তুলিছে। কৰ'নাত আক্ৰান্ত হৈছে স্বয়ং নীতি-নিয়মৰ মাজত থকা খেলুৱৈ। ভাৰত আৰু ইংলণ্ডৰ ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এইবাৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত অংশ লোৱা দুই খেলুৱৈৰ শৰীৰত ধৰা পৰিছে কৰ'না। মাৰ্টিন কিলিক আৰু বেৰেটিনিয়ে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে কৰ'নাত আক্ৰান্ত হোৱাৰ হোৱাৰ বাবে। উল্লেখ্য যে ইয়াৰপূৰ্বে কৰ'নাত আক্ৰান্ত হৈ এতিয়া হোটেলত বন্দি হৈ আছে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা আৰু ইংলেণ্ডৰ ক্ৰিকেটাৰ বেন ফ'কছ। নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তৃতীয় টেষ্টৰ সময়তে কৰ'নাত আক্ৰান্ত হৈছিল ফ'কছ। সেয়ে দলৰ পৰা বাদ দিয়া হৈছে তেওঁক। ইপিনে ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাও কৰ'নাত আক্ৰান্ত হোৱাৰ কথা বি চি চি আইৰ তৰফৰ পৰা সদৰী কৰা হৈছে। লিচেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত ব'ৰ্ডে ৰোহিত কৰ'নাত আক্ৰান্ত হোৱা বুলি জনাইছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। ইফালে, ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা একমাত্ৰ টেষ্টখনৰ বাবে ভাৰতীয় দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ৰোহিত শৰ্মা কৰ'নাত আক্ৰান্ত হোৱাৰ বাবে দলত তেওঁৰ স্থানত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক।



উইম্বলডনৰ চেন্টাৰ কৰ্টত অভিষেক নৱ চাঞ্চল্য ৰাডুকানুৰ।

## গুৱাহাটীত হ'ব সদৌ অসম শ্যুটিং

**গুৱাহাটী, ২৮ জুন ঃ** গুৱাহাটী কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ন প্ৰকল্পত অৱস্থিত শ্যুটিং ৰেঞ্জত অহা 19-22 জুলাইত অনুষ্ঠিত হ'ব 17 সংখ্যক সদৌ অসম শ্যুটিং চেম্পিয়নশ্বিপ । উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখনত মুঠ ছটা শাখাত খেল অনুষ্ঠিত হ'ব। শাখাবোৰ হ'ল ঃ ছাব-যুৱ, য়ুথ, জুনিয়ৰ, ছিনিয়ৰ, ভেটাৰ্ণ আৰু পেৰা । আনহাত অসম ৰাইফল এণ্ড শ্যুটিং এছচিয়েছনৰ সম্পাদক তথা আই এছ এছ এফ জাজ ভৱ কলিতাই জনোৱা অনুসৰি এই ৰাজ্যিক শ্যুটিং চেম্পিয়নশ্বিপৰ ইভেণ্টসমূহ হ'ল ঃ 10 মিটাৰ এয়াৰ পিষ্টল (পুৰুষ, মহিলা), 10 মিটাৰ পিপ ছাইট এয়াৰ ৰাইফল (পুৰুষ, মহিলা), 25 মিটাৰ স্পৰ্টছ পিষ্টল (মহিলা, জুনিয়ৰ পুৰুষ), 25 মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল (পুৰুষ), 25 মিটাৰ চেণ্টাৰ ফায়াৰ পিষ্টল (পুৰুষ), 50 মিটাৰ পিপ ছাইট ৰাইফল, প্ৰণ পজিছন (পুৰুষ, মহিলা), 50 মিটাৰ পিপ ছাইট ৰাইফল, থ্ৰী পজিছন (পুৰুষ, মহিলা) আৰু 50 মিটাৰ ফ্ৰী পিষ্টল (পুৰুষ)। অংশগ্ৰহণকাৰী খেলুৱৈসকলে অহা 10-19 জুলাইৰ ভিতৰত নাম পঞ্জীয়ন কৰিব লাগিব।



উইম্বলডনৰ দ্বিতীয় ৰাউণ্ডত হালেপ

## ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰক ধন্যবাদ অসম আৰ্চাৰী সন্থাৰ

# অসমতে থাকিব ৰাষ্ট্ৰীয় আৰ্চাৰী কেন্দ্ৰ

**গুৱাহাটী, ২৮ জুন ঃ** সোণাপুৰ এল এন আই পি ইত থকা নেচনেল [illegible] এক্সেলেন্স আৰ্চাৰী কেন্দ্ৰ উঠাই নিয়াৰ [illegible] চৰ্চা চলি আছিল তাত বিৰাম লগালে দেশৰ ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰে। আজি গুৱাহাটীত আয়োজিত এক সংবাদমেলত এই কথা জনাইছে অসম আৰ্চাৰী সন্থাৰ উপ সভাপতি ৰিতুবৰণ শৰ্মাই। উল্লেখ্য যে অসম আৰ্চাৰসকলক কুঠাৰাঘাট কৰি সোণাপুৰৰ পৰা উঠাই নিব বিচৰা হৈছিল নেচনেল চেন্টাৰ অৱ এক্সেলেন্স আৰ্চাৰী কেন্দ্ৰটো । ইয়াৰ পাছতে জাঙুৰ খাই উঠে অসমৰ সচেতন ক্ৰীড়াবিদসকল । উপযুক্ত আন্তঃগাঁঠনিৰ অভাৱৰ দোহাই দি এই সিদ্ধান্ত মানি ল'ব নোৱাৰি সজোৰে প্ৰতিবাদ কৰিছিল অসম আৰ্চাৰী সন্থাই। সংশ্লিষ্ট বিভাগক বিষয়টো অৱগত কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰীৰ লগতে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰীকো প্ৰদান কৰিছিল এই বিষয়ে স্মাৰক পত্ৰ। অসম আৰ্চাৰী সন্থাৰ স্মাৰক পত্ৰ লাভ কৰাৰ পাছতে ইতিবাচক আশ্বাস প্ৰদান কৰি সুখবৰ জনালে ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰে। উল্লেখ্য যে শেহতীয়াকৈ গুজৰাটৰ এক সভাত অসমৰ পূৰ্বৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাৰ আগত সোণাপুৰৰ পৰা আৰ্চাৰী কেন্দ্ৰটো উঠাই নিনিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে ঠাকুৰে। আজিৰ সংবাদমেলত উপস্থিত থাকে অসম আৰ্চাৰী সন্থাৰ উপ সভাপতি পুলিন সাহা সম্পাদক জয়ন্ত বড়োসহ অসম আৰ্চাৰী সন্থাৰ বিভিন্ন বিষয়ববীয়া সকল।



# ইংলণ্ডক বিশ্বকাপৰ চেম্পিয়ন ট্ৰফী দিয়া অধিনায়ক ইয়ন মৰ্গানৰ অৱসৰ ঘোষণা



**লণ্ডন, ২৮ জুন ঃ** ইংলণ্ডক বিশ্ব চেম্পিয়ন কৰোৱা অধিনায়ক ইয়ন মৰ্গানে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা আজি আনুষ্ঠানিকভাবে ঘোষণা কৰিছে। উল্লেখ্য যে 2019 ত ইংলেণ্ডক 50 অভাৰৰ আই চি চি বিশ্বকাপৰ গৌৰৱময় চেম্পিয়ন ট্ৰফী প্ৰথমবাৰৰ বাবে দিছিল মৰ্গানে। আজি সফল অধিনায়কগৰাকীয়ে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। 'নিঃসন্দেহে মোৰ কেৰিয়াৰৰ নিজৰ লগতে অনুৰাগীসকলৰ বাবেও আটাইতকৈ উপভোগ্য আৰু গৌৰৱৰ এক অধ্যায়। কিন্তু অৱসৰ গ্ৰহণ এটা সহজ সিদ্ধান্ত নহয় যদিও এয়া সময় আহ্বান। মই বিশ্বাস কৰোঁ যে এতিয়াই অৱসৰ গ্ৰহণ কৰাৰ সঠিক সময়, মোৰ বাবে আৰু ইংলেণ্ডৰ ক্ৰিকেট দলৰ উত্তৰণৰ বাবে। দলক মই এই পৰ্যায়লৈ লৈ গৈছো। আশা কৰিছো আৰু সফলতা আহিব।' মৰ্গানে কয়। উল্লেখ্য যে মৰ্গানে অভিলেখ গঢ়ি ইংলণ্ডক 126 খন এদিনীয়া আৰু 72 খন টি-20 খেলত নেতৃত্ব দিছিল। দুয়োটা ফৰ্মেটৰ মাজেৰে অধিনায়ক হিচাপে তেওঁ 118 খন মেচত জয় অৰ্জন কৰি আন এক অভিলেখ গঢ়িছে। ইংলেণ্ডৰ হৈ সৰ্বাধিক এদিনীয়া ৰাণ (6,957), সৰ্বাধিক টি-20 ৰাণ (2,458) আৰু দুয়োটা ফৰ্মেটতে ইংলেণ্ডৰ বাবে সৰ্বাধিক ছিক্সাৰ মৰাৰ ৰেকৰ্ডৰ লগতে তেওঁৰ নামত অন্য বহুতো অভিলেখ আছে।

## নিউ ষ্টাৰ-উদয়ন কৃষ্টি সংঘৰ অগ্ৰগতি

**গুৱাহাটী, ২৮ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফায়িং ফুটবল প্ৰতিযোগিতাত আজি হোৱা খেলত জয়লাভ কৰি নিউ ষ্টাৰ ক্লাব আৰু উদয়ন কৃষ্টি সংঘই পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে । উল্লেখ্য যে নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত নিউ ষ্টাৰ ক্লাবে লিগুা এফচিক 3-2 গ'লত আৰু উদয়ন কৃষ্টি সংঘই কাজিৰঙা এফ চিক 2-0 গ'লত পৰাস্ত কৰে। চলিত 'চি' ডিভিজন কোৱালিফায়িং ফুটবল প্ৰতিযোগিতাৰ কাইলৈ নিউ ষ্টাৰে কে এম চি বিৰুদ্ধে আৰু উদয়নে আছাম ৰাৰিয়ৰ্ছৰ বিৰুদ্ধে গুৰুত্বপূৰ্ণ মেচত অৱতীৰ্ণ হ'ব । উল্লেখ্য যে কাইলৈৰ মেচৰ বিজয়ী দল দুটাই গুৱাহাটী ক্ৰীড়া সন্থাৰ চি ডিভিজনলৈ উন্নীত হ'ব।

# বিশ্ব যুৱ চেম্পিয়নশ্বিপলৈ নূপুৰ-বন্তি



**অগ্ৰদূত বাৰ্তা,**
**বেৰেজীয়া,২৮ জুন ঃ** মধ্য প্ৰদেশৰ দেৱাসত সদ্যসমাপ্ত চতুৰ্থ সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় মুৱাই থাই প্ৰতিযোগিতাত চমকপ্ৰদ প্ৰদৰ্শনৰে নিৰ্দিষ্ট বয়স গ্ৰুপত সোণৰ পদক লাভ কৰি মালয়েচিয়াৰ কুৱালালামপুৰত অহা আগষ্টত আয়োজিত হ'বলগা বিশ্ব যুথ চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবৰ বাবে ভাৰতীয় দললৈ নিৰ্বাচিত হৈছে নগাঁৱৰ কলংপাৰ হালোৱাগাঁৱৰ নূপুৰ বৰা আৰু ভেলেউগুৰি দক্ষিণপাটৰ বন্তি দাস। নগাঁৱৰ নাইটছ সমৰ কলা কেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক মিন্টু গোস্বামী আৰু প্ৰশিক্ষক কমল বৰাৰ তত্বাৱধানত সদ্য সমাপ্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত দুয়োগৰাকী খেলুৱৈয়ে অৰ্জন কৰা এই সফলতাৰ বাবে সম্প্ৰতি নগাঁও জিলাৰ সমৰকলাপ্ৰেমীসকল উৎফুল্লিত হৈ পৰিছে। মুৱাই থাইৰ বিশ্ব যুথ চেম্পিয়নশ্বিপত পোন প্ৰথমবাৰৰ বাবে নগাঁও জিলাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰিছে। সদ্যসমাপ্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনতে নগাঁৱৰ মিন্টু গোস্বামীয়ে সু-খ্যাতিৰে ৰাষ্ট্ৰীয় ৰেফাৰী আৰু জুৰীৰ পৰীক্ষাতো সফলতাৰে উত্তীৰ্ণ হৈ স্বীকৃতিও লাভ কৰে। আগন্তুক বিশ্ব যুৱ চেম্পিয়নশ্বিপলৈ নিৰ্বাচিত হোৱাৰ বাবে উদীয়মান খেলুৱৈ দুগৰাকীক অভিনন্দন আৰু শুভেচ্ছা জনোৱাৰ উপলক্ষে কলংপাৰ হালোৱাগাঁৱত নাইটছ সমৰকলা কেন্দ্ৰৰ সভাপতি পৰাণ কৃষ্ণ ভূএগ বৰাৰ সভাপতিত্বত আয়োজিত এক বিশেষ অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক অসীম কুমাৰ ভাৰাল আৰু সমীৰ হাজৰিকা,অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে অমৃত মহন্ত,নিৰুপমা বৰা, সমাজকৰ্মী প্ৰফুল্ল বৰুৱা, নুপূৰআৰু বন্তিৰ পিতৃ-মাতৃ ক্ৰমে বিপুল চন্দ্ৰ বৰা,নৰনিতা বৰা,ৰাজেন দাস আৰু শেৱালী বৰাৰ লগতে সমৰকলাবিদ হীৰক দাস, কুসুম্বৰ বৰা, পল্লৱজ্যোতি ভূএগ, আফচানা বেগমকে প্ৰমুখ্য কৰি কেইবাগৰাকীও লোকে খেলুৱৈ কেইগৰাকীক অভিনন্দন তথা শুভেচ্ছা জ্ঞাপনৰে বক্তব্য ৰাখি আগন্তুক আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অধিক সফলতা লাভ কৰিবলৈ আৰ্শীবাদ দিয়ে। গ্ৰামাঞ্চলটোৰ ভালেসংখ্যক ক্ৰীড়াপ্ৰেমীয়েও অনুষ্ঠানটোত ভাগ লৈ উদীয়মান খেলুৱৈ দুগৰাকীক বিপুলভাৱে সম্বৰ্ধনা জনাই উৎসাহিত কৰে।

# অসম যুৱ অলিম্পিক গেমছলৈ সাজু হৈছে কাৰ্বি আংলং জিলা



**ডিফু, ২৮ জুন ঃ** অহা 23 ৰ পৰা 27 জুলাইলৈ অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়াভাৱে প্ৰথমবাৰৰ বাবে আয়োজন কৰিব অসম যুৱ অলিম্পিক গেমছ। ইতিমধ্যে ইয়াৰ প্ৰস্তুতি আৰম্ভ কৰিছে ৰাজ্যিক ক্ৰীড়া সন্থাৰ লগতে জিলা ক্ৰীড়া সন্থাসমুহে। আজি ডিফুত এই সন্দৰ্ভত হোৱা এক গুৰুত্বপূৰ্ণ আলোচনাত উপস্থিত থাকে কাৰ্বি আংলং স্বায়িত্ব পৰিষদৰ নৱনিৰ্বাচিত মূখ্য কাৰ্যবাহী তথা অসম অলিম্পিক সন্থাৰ উপসভাপতি ড0 তুলিৰাম ৰাংহাং আৰু অসম অলিম্পিক সন্থাৰে উপসভাপতি তথা কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ যুটীয়া সম্পাদক ড0 বিষ্ণুৰাম নুনিছা। উল্লেখ্য যে আসন্ন অসম যুৱ অলিম্পিক গেমছত কাৰ্বি আংলং জিলাৰ পৰা এক শক্তিশালী দল গঠন কৰি ৰাজ্যিক প্ৰতিযোগিতাখনত ভাগ লোৱা হ'ব বুলি ব্যক্ত কৰে তৃতীয়বাৰৰ বাবে কাৰ্বি আংলং স্বায়িত্ব পৰিষদৰ মুখ্য কাৰ্যবাহীৰূপে দায়িত্ব লোৱা ড0 তুলিৰাম ৰাংহাঙে। উল্লেখ্য যে ৰাংহাং কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ সভাপতিৰ দয়িত্বতো আছে। আজি তেওঁৰ কাৰ্যালয়ত হোৱা আলোচনাৰ সময়তে বিষ্ণুৰাম নুনিছাই সম্বৰ্ধনা জনাই তুলিৰাম ৰাংহাঙক। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে হ'বলগা ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত 31 বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। গুৱাহাটীৰ 10 টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক।

## জুনিয়ৰ ৰাষ্ট্ৰীয় ফেন্সিঙৰ বাবে অসম দল ৰাওনা

**গুৱাহাটী, ২৮ জুন ঃ** উড়িশাৰ কটকত অহা 29 জুনৰ পৰা দুই জুলাইলৈ অনুষ্ঠিত হ'ব 30 সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতা । এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে 26 জনীয়া অসম দলটো ৰাওনা হৈছে । অসমৰ প্ৰশিক্ষক হিচাপে আছে ললিত সিংহ আৰু চুমি দত্ত । আনহাতে, অসমৰ পৰা ৰেফাৰী হিচাপে যাব মাণিক বড়ো । পুৰুষৰ 12 জন আৰু মহিলাৰ 12 গৰাকী খেলুৱৈয়ে এপি, ফইল আৰু ছেৱাৰ শাখাত ব্যক্তিগত আৰু দলীয় শাখাত অংশগ্ৰহণ কৰিব । অসম দলৰ খেলুৱৈসকল হ'ল- পুৰুষ ঃ ৰাজীৱ বড়ো, দ্বীপজ্যোতি মাহাতো, দেৱৰাজ ডেকা, ৰাহুল চৌধুৰী, ৰোহিত চাহু, দিব্যজ্যোতি ভট্টাচাৰয্য, শিৰম ৰয়, লয়ংবা সিংহ, ইনেশ সিংহ, লামানগামবা মেইটেই, জ্যোতিৰ্ময় ৰাভা আৰু হৰেশ্বৰ বসুমতাৰী। আনহাতে, মহিলা ঃ পালমনি বৰগোঁহাই, দেৱীকা বৰা, ইস্মিতা দাস, ছানিয়া, কৰিস্মিতা মৰাণ, চয়নিকা গগৈ, ছুইতি দাস, নেহা ৰাভা, সুপ্ৰিয়া বৰা, দিশ কাশ্যাপ, হিমাশ্ৰী মৰাণ আৰু তনময়ুৰী চাংমাই।

## গোলাঘাটত 'এ' ডিভিজন ফুটবল লীগৰ সামৰণি

# আমোলাপট্টি ক্লাব চেম্পিয়ন



**ক্ৰীড়া বাৰ্তা**
**কমাৰবন্ধা, ২৮ জুন ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা এ ডিভিজন ফুটবল লীগৰ আজি সফল সমাপ্তি হয়। উল্লেখ্য যে মুঠ 18 টা দলে অংশগ্ৰহণ কৰা এই বৰ্ষৰ এ ডিভিজন ফুটবল লীগৰ আজি অনুষ্ঠিত হোৱা ফাইনেল খেলখনত অংশ লয় আমোলাপট্টি ক্লাব আৰু গোলাঘাট ছাই দলে। বিয়লি অনুষ্ঠিত হোৱা এই মেচখন নিৰ্ধাৰিত সময়ত ড্ৰৰূপে সমাপ্ত হয়। উল্লেখ্য যে চেষ্টা কৰিয়ো দুয়োপক্ষৰ খেলুৱৈয়ে গ'ল কৰিবলৈ সক্ষম নহোৱাত ফলাফল নিৰূপন কৰিবলৈ টাইব্ৰেকাৰ পদ্ধতি অৱলম্বন কৰা হয়। গোলাঘাট ছাই দলক পৰাস্ত কৰি আমোলাপট্টি ক্লাৱে বিজয় সাব্যস্ত কৰে । প্ৰতিযোগিতাখনত ফেয়াৰ প্লে ট্ৰফী লাভ কৰে মিলিজুলি এফ চি দলে আৰু হেমন্ত সোণোৱালে সৰ্বাধিক গলদাতাৰ সন্মান লাভ কৰে ।

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ এচিএৰ ১১ লাখ

**গুৱাহাটী, ২৮ জুন ঃ** মুখ্যমন্ত্ৰীৰ বান সাহায্য পুঁজিলৈ 11 লাখ টকা প্ৰদান কৰিছে অসম ক্ৰিকেট সন্থাই । অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, কোষাধ্যক্ষ ত্ৰিদিব কোঁৱৰ আৰু সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম মহন্তৰ দ্বাৰা গঠিত এক সজাতি দলে মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মাক দিছপুৰত সাক্ষাৎ কৰি ৰাজ্যখনৰ বান পীড়িত লোকৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ উক্ত পৰিমাণৰ ধনৰ চেক প্ৰদান কৰে । অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই জনোৱা অনুসৰি ৰাজ্যখনৰ বিধংসী বানৰ কবলত পৰা লোকৰ লগত অসম ক্ৰিকেট সন্থাই সম্পূৰ্ণ সহমৰ্মিতা প্ৰকাশ কৰিছে লগতে এই সংকট কালত বান সাহায্য ব্যৱস্থাৱলীৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ সহায়ৰ বাবে এই সামান্য অনুদানে কিছু হ'লেও সকাহ দিব বুলি আশা কৰিছে।




# ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক বিজয়ী খেলুৱৈক ৰাজআতিথ্য ৰাইজৰ



খেলুৱৈক আদৰণিৰ অনন্য নিদৰ্শন

**বিশেষ সংবাদদাতা**
**নগাবাট, ২৮ জুন ঃ** মধ্যপ্ৰদেশত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মুৱাইথাই প্ৰতিযোগিতাত তিতাবৰ মহকুমাৰ নগাবাট-বেকাজান মুৱাইথাই ক্লাৱৰ ছগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি পাঁচগৰাকীয়ে পদক আজুৰি আনিবলৈ সক্ষম হৈছে। খেলুৱৈসকলে এই সফলতাৰে ৰাজ্যৰ লগতে বৃহত্তৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। পদকপ্ৰাপ্ত পাঁচগৰাকী খেলুৱৈৰ ভিতৰত গোলাঘাট জিলাৰ এক নং ওপৰ তৰাণিৰ জাষ্টন' চুতীয়া আৰু বেকাজান নহটীয়া গাৱঁৰ নয়নিকা বড়োয়ে সোণৰ পদক, নগাবাটৰ বিউতী গগৈ আৰু বিবেকজ্যোতি গগৈয়ে ৰূপ আৰু শিৰোমণি সন্দিকৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। সোণৰ পদক লাভ কৰা জাষ্টন' চুতীয়া আৰু নয়নিকা বড়োয়ে ছেপ্টেম্বৰত মালয়েছিয়াত অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা লাভ কৰিছে। নগাবাট-বেকাজান মুৱাইথাই ক্লাৱৰ প্ৰশিক্ষক শান্তনু ৰাজখোৱাৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল খেলুৱৈসকলে। উল্লেখ্য যে দেশৰ 27 খন ৰাজ্যৰ আঠশৰো অধিক প্ৰতিযোগীয়ে মধ্যপ্ৰদেশৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত অংশগ্ৰহন কৰিছিল। নগাবাটৰ দৰে সীমামূৰীয়া এটা অঞ্চলত সীমিত সুবিধাৰে প্ৰশিক্ষণ গ্ৰহণ কৰি সফলতা আজুৰি অনাৰ পৰিপ্ৰেক্ষিতত উৎফুল্লিত হৈ পৰা নগাবাটবাসী ৰাইজে খেলুৱৈসকলকৰ ঘূৰি অহাৰ সময়তে বিপুল আদৰণি জনায়। ৰাইজে খেলুৱৈসকলক নগাবাট চাৰিআলিৰ পৰা পৰম্পৰাগত প্ৰথাৰে আদৰি আনি এখন সভাৰ জড়িয়তে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশ্বজিৎ বৰুৱাৰ সভাপতিত্বত আৰু গোপাল কছাৰীয়ে আঁত ধৰা সম্বৰ্ধনা সভাত স্থানীয় বহু কেইগৰাকী সন্মানীয় ব্যক্তি উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে। উল্লেখ্য যে পৰ্যাপ্ত সা-সুবিধা আৰু উপযুক্ত প্ৰশিক্ষণেৰে এইসকল খেলুৱৈক আৰু অধিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চৰকাৰে সঠিকভাৱে গুৰুত্ব আৰোপ কৰিলে এদিন দেশৰ নাম জিলিকাব পৰা প্ৰতিভাসম্পন্ন খেলুৱৈ ওলাব বুলিও স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।





ক্ৰমাগত ৩৬ সংখ্যক মেচ জয়ৰে উইম্বলডনৰ দ্বিতীয় ৰাউণ্ডত ইগা।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৯ জুন, ২০২২ বুধবাৰ পৃষ্ঠা ১৬



# বানপানীৰ থ্ৰিলিং শ্বট

**বানপানী,** ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগবোৰ যিমান বেছিকৈ হয় সিমানেই ভাল। কথাযাৰ শুনিবলৈ বেয়া। বহুতে হয়তো শাও দিব—এনে বাজে কথা বকিবলৈ তোৰ লাজ লগা নাই। এইবাৰ বানপানীত থকা ঘৰটোও উটি-ভাহি গৈছে। গৰু-ছাগলী উটি-ভাহি গৈছে। হাঁহ-কুকুৰা উটি-ভাহি গৈছে। খেতিপথাৰ উদং হৈ গৈছে। সা-সম্পত্তি মাটিত পোত খাই গৈছে। ৰাস্তা-ঘাট ভাঙি যাতায়াত বন্ধ হৈ গৈছে। বান্ধ-মথাউৰি ভাঙি উছন হৈছে। দলংবোৰ ৰাতিটোৰ ভিতৰতে নাইকিয়া হৈ গৈছে। আকৌ বৰষুণ দিবলৈ আৰম্ভ কৰিছেই। মথাউৰিবোৰ ভাঙিয়ে আছে। পাহাৰৰ ফালে পানী এৰো পানী এৰোঁকৈ আছেই। যদি পানী এৰে, যিখিনি বাকী আছে সেইখিনিও উটি ভাহি যাব। পাহাৰে পানী এৰিলেও আজিকালি কোনো আগতীয়া সতৰ্কবাণী নাহে। পুনৰ বান্ধবিৰোধী সংগ্ৰাম আৰম্ভ হৈ যাব পাৰে বুলি ভয় এটা আছে নহয়। যিদৰে আজিকালি কাৰোৰে মুখত বিদেশীৰ প্ৰসংগটো ফুটি নোলায়। আনকি বিদেশীৰ কথা ওলালেই 'আমি আছু', 'আমি আছু' বুলি চিঞৰা সুবিধাবাদত বিশ্বাসী জাতীয়তাবাদীসকলে আজিকালি এটা শব্দও নকয়। বিদেশী শব্দটো ওলালেই আটায়ে জুপুকা মাৰে। আটাইৰে পেটত হাত-ভৰি লুকায়। এটাই ভয় বিদেশী বুলি কৈ মিছাতে অ'ত-ত'ত বহি আন্দোলন কৰিব, সেই আন্দোলনে যদি কা কা কৰি চৌপাশ জ্বলাই দিয়ে, তেতিয়াতো সৰ্বনাশ হ'ব। সৰ্বনাশ কৰি নিজে বিনাশ হোৱাতকৈ মনে মনে থকাই ভাল। একেই কথা বান্ধক লৈও হৈছে। বান্ধে পানী এৰি দিব বুলি আগতীয়াকৈ কৈ দিয়া হ'ল, লগে লগে পানীৰ ধল আহি সব ধূহি-মাহি লৈ গুচি গ'ল। তাৰ পাছত আৰু পাব্লিকে শুদাই এৰিব? তৎক্ষণাত খেলিমেলি গগৈক মাতি আনি বান্ধবিৰোধী বিদ্ৰোহ আৰম্ভ কৰি দিব। আটায়ে গৈ পুলিচ থকা ঘৰৰ খাটৰ তলত লুকাই থাকিব লাগিব। গতিকে বান্ধে কেতিয়া পানী এৰিব, কিমান পানী এৰিব, তাকে লৈ আটাইৰে মুখত সোপা।

তথাপি বানপানী অহাটো ভাল। কিয় ভাল, খং কৰাৰ আগেয়ে সেয়া জানি লোৱাটো ভাল। এটা ভালৰ কথা অৱশ্যে সকলোৰে জানে। মথাউৰি ভাঙিছে, বনাব লাগিব। ৰাস্তা ছিঙিছে, বনাব লাগিব। দলং ভাঙিছে, বনাব লাগিব। নতুন নতুন ঠিকাৰ কাম ওলাব, টেণ্ডাৰ মাৰিব, টেণ্ডাৰ মাৰিব, টেণ্ডাৰ পাছ হ'ব, এশ টকাৰ কাম কৰি এহেজাৰ উলিয়াব। এইবোৰ ঠিকেই আছে। পিছে আজিকালি এই ভালটো লাহে লাহে বেয়া হ'বলৈ ধৰিছে। আটাইবোৰ ভঙা দলং একলগ কৰি এটা কাম কৰি পেলোৱা হয়। কামটো হয় এশ-দুশ কোটিৰ কাম। সাধাৰণ ঠিকাদাৰে নোৱাৰে কৰিব। এজন বা দুজনেই পাৰে। সেই দুজনেই এতিয়া নতুন অসমৰ বিশ্বকৰ্মা। আৰু আগৰ সেই সৰু-সুৰা ঠিকাদাৰবোৰ বিশ্বকৰ্মাৰ সন্মুখত মাহ প্ৰসাদৰ থালখনৰ কল বা আপেল।

কিন্তু বানপানী হ'লে ভাল বুলি কোৱাৰ কাৰণটো অলপ বেলেগ। নিঃসন্দেহে বানপানী এটা বিপদ। এটা আপদ। কৰ'নাৰ সময়ত দিল্লীৰ বাদশ্বাহে কি কৈছিল মনত আছেনে? আপদবোৰক আমি সুযোগলৈ সলনি কৰিব লাগে। এই আপ্তবাক্যাষাৰ আমি কোনেও পাহৰি যাব নালাগে। হিন্দী চিনেমাৰ হিৰ'বোৰলৈ মন কৰক। সেই হিৰ'বোৰ কেনেকৈ হিৰ' হয়? ভিলেইনবোৰে নানান কুকাণ্ড কৰে। সেইবোৰৰ লগত মোকাবিলা কৰা যেন দেখুৱাই, মানে কেমেৰাৰ আগত বিশ্বাসযোগ্য শ্বট দি তেওঁলোকে প্ৰমাণ কৰে যে তেওঁলোক হিৰ' হয়। মানে সঁচাসঁচি হিৰ' নহ'লেও শ্বটটো হিৰ'ৰ দৰে দিয়ে।

এই বানপানীয়েও হিৰ' হোৱাৰ সুযোগ দিছে। এটা সময়ত নেহৰুৱে বাঁহৰ ওপৰেদি খোজ কাঢ়ি হিৰ' হৈছিল। তেতিয়া যেনিবা ভিডিঅ' বা নিউজ চেনেলৰ কেমেৰা নাছিল। এতিয়াতো চেনেলৰ কেমেৰাবোৰ আহি গৈছে। সেইবোৰৰ আগত নাৱৰ ওপৰত, ৰাবাৰ ব'টৰ ওপৰত, একাঁঠু পানীৰ তলত বিশ্বাসযোগ্য শ্বট দি নিজকে হিৰ' বুলি প্ৰতিপন্ন কৰাৰ যি চান্স বানপানীয়ে আনি দিয়ে, তাকে লৈ অলপ ডান্স কৰি দিলেই হিৰ' বনি যোৱা যায়।

বানপানী হৈ যোৱাৰ পাছত বানপীড়িতৰ ঘৰে ঘৰে গৈ তেওঁলোক দুখ-দুৰ্দশাৰ ষ্ট'ৰী শুনিবলৈ গৈ একো লাভ নাই। কাৰণ কেমেৰাৰ শ্বটটো একেবাৰে থ্ৰিলিং নহয়। বানপানী ভাঙি ভাঙি গ'লেহে শ্বটটো ভাল হ'ব। চাই ভাল লগা হ'ব। তাতে আকৌ দুখৰ কাহিনী শুনিবলৈ গ'লে ফচি মৰাৰো চান্স আছে।

# বিধায়ক পদ্মসহ বনকৰ্মীলৈ চোঁচা বনৰীয়া হাতীৰ, এজনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ জুন ঃ** আজি পুৱা ৪-৩০ বজাত শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত ১২ নম্বৰ মোলান গাঁৱত এটা প্ৰকাণ্ড বনৰীয়া হাতীৰ গচকত মাতিয়াছ বাৰ্জ (৫৫) নামৰ এজন লোকে শোকাৱহ মৃত্যুক সাৱটি লয়। স্থানীয় ৰাইজে প্ৰকাশ কৰা অনুসৰি, ফুলবাৰী চাহ বাগিচাৰ দিশৰ পৰা অহা অকলশৰীয়া মখনা হাতীটোৱে বাৰ্জৰ ঘৰৰ চৌহদৰ জেওৰা ভাঙি আগবাঢ়ি আহে। সেই সময়ত শোৱাপাটীত থকা লোকজন উঠি আহি হাতীটোৰ সন্মুখতে পৰে আৰু উগ্ৰমূৰ্তি ধৰা হাতীটোৱে লোকজনক তেওঁৰ পৰিয়ালৰ চকুৰ সন্মুখতে গচকি, ফেনেকি হত্যা কৰে। পৰিয়ালৰ আনসকল সদস্য সেই স্থানৰ পৰা কিছু নিলগত ৰৈ এই লোমহৰ্ষক ঘটনা অসহায়ভাৱে চাই থাকে। এখন ঠেঙত আঘাতপ্ৰাপ্ত মখনা হাতীটোৱে ইয়াৰ পাছত ঘটনাস্থলীৰ সমীপতে আশ্ৰয় লয়। ঘটনাৰ বিষয়ে আমাৰীবাৰী বন কাৰ্যালয় আৰু চাৰিদুৱাৰ বনাঞ্চলিক কাৰ্যালয়ত খবৰ দিয়াৰ পাছত বহু সময়লৈকে বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত নোহোৱা বুলি ৰাইজে অভিযোগ কৰিছে। ইপিনে, পুৱা পাছত আমাৰীবাৰী আৰু চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াসহ বনকৰ্মী তথা চাৰিদুৱাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ লগতে প্ৰায় ন বজাত চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা ঘটনাস্থলীৰ পৰা দুই কিলোমিটাৰ দূৰত্বত হাতীটোৱে আশ্ৰয় লৈ থকা গড়মৰাত উপস্থিত হৈ আক্ৰমণকাৰী বন্যহস্তীটোক জনাঞ্চলৰ পৰা আঁতৰাই পঠোৱাৰ চেষ্টা চলায়। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ছটাকৈ বন্দুকসহ বনকৰ্মীয়ে বিধায়কৰ স'তে প্ৰায় ২০-২৫ জাঁই গুলি শূন্যলৈ ফুটুৱা সত্ত্বেও হাতীটোৱে সেই স্থান এৰি যাবলৈ বহু সময় লয়। উগ্ৰ হাতীটোৱে আনকি এই সময়ত পুনৰ অভিযানকাৰী দলটোলৈয়ো চোঁচা লয়। একাধিক বাসগৃহ ধ্বংস কৰা হাতীটোৱে পাছত আহি ছেঙেলিমাৰি সংৰক্ষিত বনাঞ্চলত আশ্ৰয় লয়হি। প্ৰকাণ্ড বন্যহস্তীটোৰ লক্ষণ ভাল নহয় আৰু ই পূৰ্বেও মানুহ হত্যা কৰা বুলি সন্দেহ ব্যক্ত কৰি বিধায়ক হাজৰিকাই কয় যে তেওঁৰ হাতীৰ স'তে থকা দীৰ্ঘদিনৰ অভিজ্ঞতাৰ পৰা এই হাতীটোৱে আৰু নৰসংহাৰ কৰাৰ আশংকা আছে। তেওঁ লগতে কয় যে এই নৰহত্যাকাৰী হাতীটোক বলিয়া হাতী হিচাপে ঘোষণা কৰি ইয়াক নিধন কৰাৰ বাবে অনুমতি দিব লাগে বুলি ইতিমধ্যে ৰাজ্যৰ মুখ্য বন সংৰক্ষকক জনোৱা হৈছে। অন্যথা এই হাতীটোৰ যি দুৰ্দান্ত আচৰণ তাৰ পৰা আৰু মানুহ ইয়াৰ আক্ৰমণৰ বলি হ'ব বুলি তেওঁ কয়। ৰঙাপৰা আৰু চাৰিদুৱাৰ অঞ্চলত বন্যহস্তীয়ে বনৰীয়া হাতীৰ উপদ্ৰৱ অব্যাহত থকাৰ বিষয়ে প্ৰকাশ কৰি বিধায়ক হাজৰিকাই লগতে কয় যে বন বিভাগৰ স্থানীয় আমাৰীবাৰী আৰু চাৰিদুৱাৰ বনাঞ্চলিক কাৰ্যালয়ৰ মাজত সমন্বয়ৰ অভাৱ আছে আৰু সেয়া দূৰ কৰি একেলগে আৰক্ষীসহ মানুহক বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি নামেৰীৰ পৰা বন বিভাগৰ হাতীৰ লগতে বিধায়কজনৰ পোহনীয়া হাতী ৰামুকো বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা ৰাইজক ৰক্ষাৰ কামত ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা বুলি প্ৰকাশ কৰি বিধায়ক হাজৰিকাই আৰু কয় যে আক্ৰমণকাৰী মখনা হাতীটোৰ যি আকাৰ তাৰ স'তে তেওঁৰ পোহনীয়া হাতী ৰামুৱেহে মোকাবিলা কৰিব পাৰিব।

বিধায়ক হাজৰিকাই আৰু কয়, 'মই কিছুদিন বনৰীয়া হাতী জনাঞ্চলৰ পৰা খেদোৱা কামৰ পৰা আঁতৰত আছিলো যদিও আজিৰে পৰা পুনৰ এই কাম আৰম্ভ কৰিছো। চাৰিদুৱাৰৰ ৰাইজক বনৰীয়া হাতীৰ পৰা নিৰাপত্তা দিবই লাগিব।' ইপিনে আৰক্ষীয়ে নিহত লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# নাহৰকটীয়াত বিক্ৰী হ'ল প্ৰতি কিলোগ্ৰামত ১২০০ টকাকৈ কাছ

**নাহৰকটীয়া, ২৮ জুন ঃ** নাহৰকটীয়াৰ দৈনিক বজাৰত মাছৰ ব্যৱসায় কৰা জনৈক দাস নামৰ এজন লোকৰ বিৰুদ্ধে কাছৰ মাংস বিক্ৰী কৰাৰ গুৰুত্বৰ অভিযোগ উত্থাপন হৈছে। সূত্ৰত প্ৰকাশ যে জনৈক দাস নামৰ মাছৰ বেপাৰীজনে আজি আবেলি বুঢ়ীদিহিং নদীৰ পৰা ধৰা প্ৰায় ১০ কিলোগ্ৰাম ওজনৰ এটা কাছ প্ৰতি কিলোগ্ৰামত ১২০০ টকাকৈ বিভিন্নজনক বিক্ৰী কৰিলে। কে'বাজনো গ্ৰাহকে ফোন কৰি কাছ মাংসৰ মাংস বিচাৰে যদিও আধা কিলোতকৈ কম মাংস বিক্ৰী কৰা নহয় বুলিও গ্ৰাহকক জনায়। ইয়াৰ পাছতে এই বিষয়ে জয়পুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ নাহৰকটীয়া বন খণ্ডৰ খণ্ড বিষয়াক এই বিষয়ে অৱগত কৰা হৈছিল যদিও তেওঁ ছুটীত থকাৰ কথা জনায়। অভিযোগ অনুসৰি, উক্ত বন বিষয়াজনে ছুটীত থাকিলেও সহযোগী কৰ্মচাৰীক বিষয়টো অৱগত কৰি তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল যদিও ইয়াৰ বিপৰীতে বন বিভাগে কোনো ধৰণৰ পদক্ষেপ ন'ললে। ফলত জনৈক দাস নামৰ মাছৰ বেপাৰীজনে অনায়াসে অতি দুষ্প্ৰাপ্য কাছ বিক্ৰী কৰি অবৈধভাৱে হেজাৰ হেজাৰ টকাৰ মুনাফা আদায় কৰিবলৈ সক্ষম হয়। বন্যপ্ৰাণী সুৰক্ষা আইন ভংগ কৰাৰ পাছতো বন বিভাগৰ চৰম গাফিলতিৰ বাবে আজি নাহৰকটীয়াত এটা দুষ্প্ৰাপ্য কাছ কাটি অসাধু লোকজনে মুক্তভাৱে বিক্ৰী কৰিবলৈ সক্ষম হ'ল। এতিয়া বিভাগীয় কৰ্তৃপক্ষই বিষয়টোৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# গুজৰাটত কৰ্মৰত হোজাইৰ এজনক হত্যাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**


**হোজাই, ২৮ জুন ঃ** হোজাইৰ কৃষ্ণ নগৰৰ এজন লোক বহিঃৰাজ্যত হত্যাৰ বলি হ'বলগা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। হোজাই কৃষ্ণ নগৰৰ বাসিন্দাৰ দিলীপ কীৰ্তনীয়া নামৰ লোকজনৰ মৃতদেহ সুদূৰ গুজৰাটৰ আহমেদাবাদৰ বাগদাৰাৰ এটা জাবৰৰ দমত উলংগ অৱস্থাত ২৬ জুনৰ পুৱা উদ্ধাৰ হয়। দিলীপ কীৰ্তনীয়াৰ পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, দিলীপ কীৰ্তনীয়া বিগত প্ৰায় ১২ বছৰৰ পূৰ্বে গুজৰাটত কৰ্মৰ বাবে গৈছিল।




**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com